सत्यमेव जयते

অসম চৰকাৰ

# বিত্ত মন্ত্ৰীৰ বাজেট ভাষণ
# ২০১০-১১

শ্ৰীতৰুণ গগৈ
মুখ্যমন্ত্ৰী, অসম

১৫ মাৰ্চ, ২০১০

# সূচীপত্ৰ


| ক্রঃনং | বিষয় | পৃষ্ঠা নং |
|---|---|---|
| ১. | পৰিচয় | ১ |
| ২. | অৰ্থনৈতিক পৰিবেশ | ১ |
| ৩. | ৰাজ্যৰ অৰ্থনীতি | ২-৫ |
| ৪. | ৰাজ্যৰ বিত্তীয় পৰিস্থিতি | ৫-৮ |
| ৫. | ত্ৰয়োদশ বিত্ত আয়োগ | ৮-১১ |
| ৬. | ৰাজ্যিক বিত্ত আয়োগ | ১১-১২ |
| ৭. | প্ৰতিষ্ঠানিক বিত্ত | ১২-১৪ |
| ৮. | নতুন পেঞ্চন আঁচনি | ১৪-১৫ |
| ৯. | দৰমহা সংশোধনী | ১৫-১৬ |
| ১০. | বাৰ্ষিক পৰিকল্পনা | ১৬-১৯ |
| ১১. | উন্নয়ণৰ ৰূপৰেখা | ১৯-২২ |
| ১২. | আভ্যন্তৰীণ সুৰক্ষা | ২২-২৪ |
| ১৩. | সীমান্তৱৰ্ত্তী অঞ্চল উন্নয়ণ | ২৪ |
| ১৪. | ষষ্ঠ অনুসূচীৰ জিলা ইত্যাদি | ২৫-২৬ |
| ১৫. | জনজাতীয় পৰিকল্পনা | ২৬-২৭ |
| ১৬. | চাহ জনজাতিৰ কল্যাণ | ২৭ |
| ১৭. | সংখ্যালঘুসকলৰ কল্যাণ | ২৮ |
| ১৮. | চৰ অঞ্চলৰ উন্নয়ণ | ২৯ |
| ১৯. | নিৰনুৱা সমস্যা | ২৯ |
| ২০. | শিক্ষা | ৩০-৩১ |
| ২১. | কলা সংস্কৃতি | ৩২ |
| ২২. | স্বাস্থ্য আৰু পৰিয়াল কল্যাণ | ৩২ |
| ২৩. | জনস্বাস্থ্য | ৩৪ |
| ২৪. | কৃষি | ৩৫ |
| ২৫. | জলসিঞ্চন | ৩৭ |
| ২৬. | পশুপালন আৰু দুগ্ধ পাম | ৩৮ |
| ২৭. | মীণ পালন | ৩৯ |
| ২৮. | জল সম্পদ | ৩৯ |
| ২৯. | গড়কাপ্তানী | ৪১ |
| ৩০. | বিদ্যুৎ | ৪২ |
| ৩১. | উদ্যোগ আৰু বাণিজ্য | ৪৪ |
| ৩২. | হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম | ৪৫ |
| ৩৩. | তথ্য প্ৰযুক্তি | ৪৬ |
| ৩৪. | সমাজ কল্যাণ | ৪৭ |
| ৩৫. | গুৱাহাটী উন্নয়ন | ৪৮ |
| ৩৬. | আন আন চহৰ উন্নয়ন | ৫০ |
| ৩৭. | পৰিবেশ আৰু বন | ৫০ |

৩৮. বিজ্ঞান অৰু প্ৰযুক্তি ৫১
৩৯. পৰ্যটন ৫২
৪০. ৰাজহ সংস্কাৰ ৫৪
৪১. পৰিবহন ৫৪
৪২. সাধাৰণ প্ৰশাসন ৫৫
৪৩. খাদ্য আৰু অসামৰিক যোগান ৫৫
৪৪. পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ৫৫
৪৫. নতুন আঁচনি ৫৭-৬৯
৪৬. মটৰ গাড়ী কৰ ৬৯
৪৭. আৱকাৰী শুল্ক ৭০
৪৮. বাণিজ্যিক কৰ ৭০-৭৩
৪৯. বাজেট প্ৰাক্‌কলন ৭৪
তালিকাসমূহ
পৰিশিষ্ট - ১
পৰিশিষ্ট - ২

**মাননীয় অধ্যক্ষ মহোদয়,**

মই এতিয়া ২০১০-১১ চনৰ বিত্তীয় বছৰটোৰ বাবে বাজেট উত্থাপন কৰিবলৈ ওলাইছো ।

## ২। অৰ্থনৈতিক পৰিবেশ ঃ

যোৱা দুটা বাজেট ভাষণত মই বিশ্ব অৰ্থনৈতিক সংকট আৰু তাৰ ফলত উদ্ভৱ হোৱা অৰ্থনৈতিক মন্দাৱস্থাৰ বিষয়ে উল্লেখ কৰিছিলো। অৰ্থনৈতিক মন্দাৱস্থাৰ ফলত সমগ্ৰ দেশৰ লগতে অসমৰ অৰ্থনীতিতো কিছু স্থবিৰতা আহি পৰিছিল। কিন্তু, আমাৰ দেশৰ অৰ্থনৈতিক আন্তঃগাঁথনিটো শক্তিশালী হোৱাৰ বাবে আৰু পৰিস্থিতি দক্ষতাৰে চম্ভলাৰ বাবে আমাৰ দেশৰ অৰ্থনৈতিক অৱস্থাটো আন আন দেশবোৰত হোৱাৰ দৰে বেয়াকৈ ক্ষতি গ্ৰস্ত নহ'ল। আনকি, অৰ্থনৈতিক মন্দাৱস্থাৰ মাজতো ২০০৮-০৯ বৰ্ষত ভাৰতবৰ্ষত মুঠ ঘৰুৱা উৎপাদনৰ বৃদ্ধিৰ হাৰ আছিল ৬.৭ শতাংশ। অসমত ২০০৮-০৯ বৰ্ষত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ বৃদ্ধিৰ হাৰ আছিল ৬.১৬ শতাংশ। মন্দাৱস্থাৰ পৰা ৰাষ্ট্ৰীয় অৰ্থনীতি ভালৰ পিনে আহিল প্ৰকৃততে ২০০৯-১০ চনৰ দ্বিতীয়াৰ্দ্ধৰ পৰা। ২০০৯-১০ চনৰ দ্বিতীয়াৰ্দ্ধত দেশৰ মুঠ ঘৰুৱা আয়ৰ বৃদ্ধিৰ হাৰ হৈছিল ৭.৯ শতাংশ। আগতীয়াকৈ কৰা হিচাপ অনুসৰি ২০০৯-১০ চনৰ সম্পূৰ্ণ বছৰটোৰ বাবে ৰাষ্ট্ৰীয় মুঠ ঘৰুৱা উৎপাদনৰ বৃদ্ধিৰ হাৰ ৭.২ শতাংশ হব বুলি অনুমান কৰা হৈছে । আগতীয়াকৈ কৰা হিচাপ অনুসৰি ২০০৯-১০ চনত অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ বৃদ্ধিৰ হাৰ ৬.৩৫ শতাংশ হ'ব বুলি ধাৰণা কৰা হৈছে। এতিয়া আমি স্পষ্ট ইঙ্গিত পাইছো যে ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক উভয় অৰ্থনীতিয়েই বৰ্তমান

উচ্চ হাৰত বৃদ্ধিৰ পথত। ইয়াৰ দ্বাৰা এই কথা প্ৰতিপন্ন হৈছে যে আমি গ্ৰহণ কৰা উৎসাহবৰ্দ্ধক তথা উন্নয়নমূখী আঁচনিবোৰে ফল ধৰিছে। যদি সকলো সঠিকভাবে চলে তেতিয়া হ'লে ২০১০-১১ চনত ৰাষ্ট্ৰীয় মুঠ ঘৰুৱা উৎপাদনৰ বৃদ্ধিৰ হাৰ ৯ শতাংশ হ'বগৈ; বৃদ্ধিৰ হাৰে আনকি ৯ শতাংশৰ সীমা অতিক্ৰম কৰিবও পাৰে। এই বাজেটৰ জৰিয়তে আৰু ৰাজ্যৰ জনগণৰ সহযোগৰ সহায়েৰে আমাৰ ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশৰ হাৰও ২০১০-১১ বিত্তীয় বৰ্ষত যাতে ৯ শতাংশৰ ওচৰা-ওচৰি হয় তাৰ বাবে মই যত্ন কৰিম ।

৩। **ৰাজ্যৰ অৰ্থনীতি ঃ**

৩.১ মই পবিত্ৰ সদনক জনাবলৈ পাই সুখী হৈছো যে বিগত কেইটামান বছৰত আমাৰ ৰাজ্যৰ অৰ্থনীতিয়ে উৎসাহজনক অগ্ৰগতি লাভ কৰিছে । বিগত দহ বছৰত ৰাজ্যৰ অৰ্থনীতিৰ (১৯৯৯-২০০০ স্থিৰ মূল্যত জি,এচ,ডি,পি) বাৰ্ষিক বৃদ্ধিৰ হাৰ আছিল ৫.০৮ শতাংশ। ২০০২ চনৰ পৰা ২০০৭ লৈ দশম পৰিকল্পনাৰ সময়ছোৱাত স্থিৰ (১৯৯৯-২০০০) মূল্যত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (জি এচ ডি পি) ৰ গড় বাৰ্ষিক বৃদ্ধিৰ প্ৰকৃত হাৰ আছিল ৫.৩৩ শতাংশ। ২০০৮-০৯ বৰ্ষৰ বাবে অসমৰ জি এচ ডি পি স্থিৰ (১৯৯৯-২০০০) মূল্যত ৫৩,৩১৯ কোটি টকা আৰু চলিত মূল্যত ৭৯,২৭৭ কোটি টকালৈ বৃদ্ধি হব বুলি হিচাপ কৰি উলিওৱা হৈছে। এই বৃদ্ধিৰ হাৰ বিগত বছৰৰ তুলনাত স্থিৰ (১৯৯৯-২০০০) মূল্যত আৰু চলিত মূল্যত যথাক্ৰমে ৬.১৬ শতাংশ আৰু ১০.৬৮ শতাংশ। ২০০৯ -১০ বৰ্ষৰ অগ্ৰিম হিচাপ অনুসৰি অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা আয় (জি এচ ডি পি) যথাক্ৰমে ৬.৩৫ শতাংশ আৰু ১১.০৩ শতাংশ বৃদ্বিৰ হাৰেৰে স্থিৰ (১৯৯৯-২০০০) মূল্যত



৫৬,৭০২ কোটি টকা আৰু চলিত মূল্যত ৮৮,০২৩ কোটি টকা হ'বগৈ বুলি ধাৰণা কৰা হৈছে। ২০০৮-০৯ বৰ্ষত অসমৰ প্ৰকৃত ৰাজ্যিক ঘৰুৱা উৎপাদন (N S D P) আছিল স্থিৰ (১৯৯৯-২০০০) মল্যত ৪৮,২৬২ কোটি টকা আৰু বৰ্ত্তমান মূল্যত ৭১,১৬৪ কোটি টকা। ২০০৮-০৯ চনত অসমৰ প্ৰকৃত ৰাজ্যিক ঘৰুৱা উৎপাদন (NSDP) বৃদ্ধিৰ হাৰ আছিল আগৰ বছৰৰ তুলনাত ৬.১২ শতাংশ আছিল। অগ্ৰিম হিচাপ অনুসৰি ২০০৯-১০ বৰ্ষত অসমৰ এন এচ ডি পিৰ বৃদ্ধিৰ হাৰ ৬.৩০ শতাংশ হ'ব বুলি অনুমান কৰা হৈছে। ২০০৮-০৯ বৰ্ষত অসমৰ জনমুৰি N S D P ১৯৯৯-২০০০ স্থিৰ মূল্যত আছিল ১৬,২৭২ টকা আৰু চলিত মূল্যত ২৩,৯৯৩ টকা । ২০০৯-১০ বৰ্ষৰ বাবে অগ্ৰিম হিচাপ অনুসৰি অসমৰ জনমুৰি NSDP স্থিৰ (১৯৯৯-২০০০) মূল্যত ১৭,০৮০ টকালৈ আৰু চলিত মূল্যত ২৬,২৪২ টকালৈ বৃদ্ধি পাব বুলি আশা কৰা হৈছে ।

৩.২ সা-সামগ্ৰীৰ মূল্যৰ ক্ষেত্ৰত যোৱা বছৰটোত ভাৰতীয় অৰ্থনীতিত মুদ্ৰাস্ফিতিৰ হাৰ লক্ষনীয় ভাবে বৃদ্ধি পায়। যদিও মূদ্ৰাস্ফিতিৰ এই ধাৰা বৰ্ত্তমানেও অব্যাহত আছে তথাপিও সম্প্ৰতি মূদ্ৰাস্ফিতি হ্ৰাসৰ লক্ষন দেখিবলৈ পোৱা গৈছে । সামগ্ৰিকভাবে মূদ্ৰাস্ফিতিৰ হাৰ ২০০৯ চনৰ নবেম্বৰ মাহত ইয়াৰ আগৰ বৰ্ষৰ একেটা মাহৰ তুলনাত ৪.৭৮ শতাংশ আছিল। সমগ্ৰ দেশত খাদ্য সামগ্ৰীসমূহৰ মূল্য বৃদ্ধিৰ হাৰ একে সময়ছোৱাত ১৬.৭ শতাংশ পৰ্য্যন্ত বৃদ্ধি হয়গৈ। ২০০৯ ৰ চেপ্তেম্বৰ মাহৰ পৰা পাইকাৰী সূচাংক মূল্য বৃদ্ধি (W.P.I. Inflation) মূলতঃ খাদ্য দ্ৰব্য আৰু অন্যান্য কৃষিজাত সামগ্ৰীৰ মূল্য বৃদ্ধিৰ কাৰণে লক্ষনীয় ভাবে বৃদ্ধি পায়। খাদ্যদ্ৰব্যৰ বাৰ্ষিক মূল্য বৃদ্ধি ২০০৮-০৯ বৰ্ষৰ ৭.৫৬ শতাংশৰ পৰা ২০০৯ বৰ্ষৰ এপ্ৰিল-

ডিচেম্বৰ মাহৰ সময়ছোৱাত ১৩.৫৪ শতাংশলৈ বৃদ্ধি পায়। সামগ্ৰীকভাবে খাদ্য দ্ৰব্যৰ মূল্য সূচাংক ২০০৯ চনৰ ডিচেম্বৰ মাহত ১৯.৭৭ শতাংশ বৃদ্ধি হোৱা পৰিলক্ষিত হয় । ২০০৯ চনৰ ডিচেম্বৰ মাহত খাদ্য দ্ৰব্যৰ মূল্যবৃদ্ধি লক্ষনীয় ভাবে বৃদ্ধি পাইছে যদিও চলিত বিত্তীয় বৰ্ষৰ শেষৰ ফাললৈ এই বৃদ্ধিৰ হাৰ কিছু পৰিমাণে হ্ৰাস পাব বুলি আশা কৰা হৈছে ।

৩.৩ অসমত উৎপাদিত কৃষিজাত সামগ্ৰীৰ মূল্যৰ ভিত্তিত যুগুত কৰা পাইকাৰী মূল্য সূচাংক (১৯৯৩-৯৪ = ১০০)ৰ পৰা দেখা যায় যে ২০০৮-০৯ বৰ্ষত গড় পাইকাৰী মূল্য সূচাংক আগৰ বছৰৰ তুলনাত ৮.৩৩ শতাংশ বৃদ্ধি হৈছে । এই গড় পাইকাৰী মূল্য সূচাংক ২০০৮-০৯ বৰ্ষৰ এপিল মাহৰ পৰা অক্টোবৰলৈ প্ৰথম সাত মাহৰ তুলনাত ২০০৯-১০ বৰ্ষৰ প্ৰথম সাত মাহত ১১.৫২শতাংশ বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে ।

৩.৪ অসমৰ শ্ৰমজীৱি সকলৰ ক্ষেত্ৰত প্ৰযোজ্য উপভোক্তাৰ মূল্য সূচাংক (২০০১ = ১০০) ২০০৭ চনৰ তুলনাত ২০০৮ চনত ৭.২ শতাংশ বৃদ্ধি পায় । ২০০৬ চনৰ তুলনাত ২০০৭ চনত এই সূচাংক ৬.৮ শতাংশ বৃদ্ধি হৈছিল । আনহতে ২০০৯ চনৰ অক্টোবৰ মাহত সময় আপেক্ষিকভাবে যুগুত কৰা উপভোক্তা সূচাংক আগৰ বছৰৰ একে সময়ৰ তুলনাত ১০.৭১ শতাংশ বৃদ্ধি হোৱা দেখা যায় ।

৩.৫ খাদ্য সামগ্ৰীকে আদি কৰি বিভিন্ন অত্যাৱশ্যকীয় সা-সামগ্ৰীৰ যোগানৰ বাবে অসমে ৰাজ্যৰ বাহিৰৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয় । সেয়েহে, এই সা-সামগ্ৰী সমূহৰ উৎসতে হোৱা মূল্য বৃদ্ধিয়ে অসমৰ দ্ৰব্য মূল্যৰ ওপৰত বিৰূপ প্ৰভাৱ পেলায় । অৱশ্যে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন ফলপ্ৰসু কাৰ্য ব্যৱস্থাৰ জৰিয়তে আমি



অসমত অত্যাৱশ্যকীয় সা-সামগ্ৰীৰ মূল্য উৎসতকৈ আৰু দেশখনৰ অন্যান্য ঠাইৰ সা-সামগ্ৰীৰ মূল্যৰ তুলনাত অধিক হ'বলৈ দিয়া নাই। মই এই পবিত্ৰ সদনক আশ্বাস প্ৰদান কৰো যে যদি কোনো অসাধু চক্ৰই অত্যাৱশ্যকীয় সা-সামগ্ৰী মজুত কৰি ৰাখি কৃত্ৰিম নাটনিৰ সৃষ্টি কৰে আৰু অস্বাভাৱিক মূল্যবৃদ্ধি ঘটায়, তেতিয়া আমাৰ চৰকাৰ কেতিয়াও হাত সাৱটি বহি নাথাকে । এনে দুস্কাৰ্য আমি কঠোৰ হাতেৰে দমন কৰিম। অত্যাৱশ্যকীয় সা-সামগ্ৰীৰ অস্বাভাৱিক মূল্য বৃদ্ধি ৰোধ কৰাৰ বাবে চৰকাৰে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰাকে আদি কৰি সাম্ভাব্য সকলো ব্যৱস্থা গ্ৰহণ কৰিব। খাদ্য বস্তুৰ বে-আইনী মজুতকৰণ আৰু ভেজালকৰণ ইত্যাদিৰ বিৰুদ্ধে চোকা দৃষ্টি ৰখা হ'ব। ৰাজহুৱা বিতৰণ ব্যৱস্থাটোক আৰু অধিক নিয়াৰিকৈ গঢ়ি তোলা হ'ব। এই ব্যৱস্থা সমূহৰ উপৰিও, ৰাজহুৱা বিতৰণ ব্যৱস্থাটোৰ ফলপ্ৰসূ ৰূপায়ণ তথা খাদ্যদ্ৰব্য আৰু আন আন অত্যাৱশ্যকীয় সা-সামগ্ৰীসমূহৰ উৎপাদন, মজুত আৰু বিতৰণৰ বাবে মই অসম ৰাজ্যিক অসামৰিক যোগান নিগম এটি স্থাপন কৰিবলৈও সিদ্ধান্ত গ্ৰহণ কৰিছো। এই উদ্দেশ্যসমূহৰ সৈতে জড়িত আন আন আনুসঙ্গিক বিষয়বোৰও নতুন নিগমটোৱে সামৰি লব। এই নিগম আৰু চৰকাৰৰ হাতত থকা অন্যান্য ব্যৱস্থাৰ জৰিয়তে পৰিস্থিতি সাপেক্ষে অত্যাৱশ্যকীয় সা-সামগ্ৰীৰ যোগান আৰু দাম নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চৰকাৰে বজাৰ নিয়ন্ত্ৰকৰ ভূমিকা পালন কৰিব।

**৪। ৰাজ্যৰ বিত্তীয় পৰিস্থিতি ঃ**

৪.১ যোৱা কেইটামান বছৰত আমাৰ ৰাজ্যৰ বিত্তীয় পৰিস্থিতিৰ উল্লেখনীয় উন্নতি পৰিলক্ষিত হৈছে। মাননীয় সদস্যসকলে এই কথা জানি সুখী হ'ব যে ২০০৫ চনৰ অসম FRBM Act, 2005 এ ধাৰ্য্য

কৰি দিয়া বিত্তীয় লক্ষ্যসমূহত উপনীত হোৱাত ৰাজ্যচৰকাৰ সমৰ্থ হৈছে। যোৱা চাৰিটা বিত্তীয় বৰ্ষত ৰাজহ আৰু বিত্তীয় ৰাহি আহৰণ কৰাত ৰাজ্য চৰকাৰ সফল হৈছে। এই ইতিবাচক ধাৰাটো আমি চলিত বিত্তীয় বৰ্ষতো এতিয়ালৈকে বৰ্তাই ৰাখিব পাৰিছো। বিত্ত পৰিচালনাৰ দিশত লাভ কৰা এনে সফলতাই ৰাজ্য চৰকাৰক ভাৰত চৰকাৰৰ ডি চি আৰ এফ আঁচনিৰ অধীনত ২০০৫-০৬ চনৰ পৰা প্ৰতি বছৰে ২০৫ কোটি টকা পৰিমাণৰ ঋণ পৰিশোধ কৰাৰ পৰা ৰেহাই পোৱাত সহায় কৰিছে। বিত্তীয় পৰিচালনা নিয়াৰিকৈ কৰাৰ স্বীকৃতি স্বৰূপে ত্ৰয়োদশ বিত্ত আয়োগে অসমক উদগনিমূলক মঞ্জুৰী হিচাপে ৩০০ কোটি টকাৰ অনুদান দিছে।

৪.২ ৰাজহ প্ৰাপ্তিৰ অনুপাত হিচপে সুদ পৰিশোধৰ কাৰণে দ্বাদশ বিত্ত আয়োগে ১৫ শতাংশৰ উৰ্দ্ধসীমা নিৰ্দ্ধাৰিণ কৰি দিছিল। আমাৰ সুদ পৰিশোধৰ ক্ষেত্ৰত কৰিবলগীয়া ব্যয়ৰ পৰিমাণ ৰাজহ প্ৰাপ্তিৰ ৮.৮১ শতাংশলৈ কমি আহিছে। ২০০৮-০৯ বৰ্ষৰ শেষত আমাৰ ঋণৰ বোজা আছিল মুঠ ৰাজ্যিক ঘৰুৱা আয় (জি এচ ডি পি)ৰ ২৭.৯৫ শতাংশ। ৩১-০৩-২০০৯ তাৰিখত অসমত জনমূৰি ঋণ আছিল ৭৪৬১.০০ টকা। দেশৰ ভিতৰতে ই হ'ল দ্বিতীয় সৰ্বনিম্ন।

৪.৩ Consolidated sinking Fund লৈ নিয়মিয়াকৈ বৰঙণি দি থকা হৈছে। পৰিশোধ কৰিবলগীয়া ঋণৰ ভৱিষ্যত বোজাৰ পৰা সকাহ পাবলৈকে এই পূঁজি গঠন কৰা হৈছে।

৪.৪ মাননীয় সদস্যসকলে এই কথা জানি সুখী হ'ব যে ৰাজ্যিক পৰ্য্যায়ৰ বিভিন্ন ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ ঋণৰ বিপৰীতে চৰকাৰে দিবলৈ বাকী থকা গ্যাৰান্টীৰ পৰিমাণ ২০০০-০১ বৰ্ষৰ শেষৰ ১৫৮৩ কোটি টকাৰ পৰা কমি আহি ২০০৮-০৯ বৰ্ষৰ শেষত মাত্ৰ



৭৯৫.৮৭ কোটি টকা হৈছেগৈ। চৰকাৰী গ্যাৰান্টীৰ ভিত্তিত ঋণ গ্ৰহণ কৰা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানবোৰে ভৱিষ্যতে ঋণ পৰিশোধ কৰাত অপাৰগ হলে ঋণ দিয়া প্ৰতিষ্ঠানবোৰক সেই ঋণ চৰকাৰে পৰিশোধ কৰিব লাগিব। ইয়াৰ বাবে মই গ্যাৰান্টী ৰিডেমচ্ন ফাণ্ড এটাও গঠন কৰিছো।

৪.৫ ২০০১ চনত ক্ষমতালৈ অহাৰ পিচত মই এলানি সংস্কাৰমূলক ব্যৱস্থা গ্ৰহণ কৰিছিলো। তাৰে কিছুমান আছিল কঠোৰ ধৰণৰ। ইয়াৰ ফলস্বৰূপেই বিত্তীয় পৰিচালনাৰ ক্ষেত্ৰত আমি উল্লেখযোগ্য সফলতা লাভ কৰিব পাৰিছো । তাৰে কেইটামান হ'ল - (ক) ২০০৩ চনৰ মাৰ্চত গ্ৰহণ কৰা মধ্যামীয়া ম্যাদৰ বিত্তীয় সংস্কাৰ আঁচনিৰ ৰূপায়ণ, (খ) ২০০৪ চনৰ পৰা এ ডি বি আৰু ভাৰত চৰকাৰে পৃষ্ঠপোষকতা কৰা অসম গভাৰনেঞ্চ এণ্ড পাব্লিক ৰিচ'ৰ্চ মেনেজমেন্ট প্ৰগ্ৰেম নামৰ ব্যাপক বিত্তীয় পুনৰ গঠন কাৰ্যসূচীৰ ৰূপায়ণ, (গ) অসম ফিচ্কেল ৰেচপনছিবিলিটি এণ্ড বাজেট মেনেজমেন্ট আইন ২০০৫ ৰ প্ৰণয়ন আৰু ৰূপায়ণ, (ঘ) ৰাজ্যৰ নিজা ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত কৰ আৰু কৰ বৰ্হিঃভূত উভয়ৰ ক্ষেত্ৰতে উল্লেখনীয় বৃদ্ধি, (ঙ) ৰাজহুৱা স্বাৰ্থ বিঘ্নিত নকৰাকৈ যথা সম্ভৱ ৰাজহ ব্যয় সংকোচন আৰু (চ) চৰকাৰী প্ৰত্যাভূতী আৰু অন্যান্য আনুসঙ্গিক ব্যয়কে ধৰি ৰাজহুৱা ঋণৰ নিয়ন্ত্ৰণ। ৰাজ্যৰ বিত্তীয় পৰিস্থিতি টনকীয়াল কৰাত আমি ৰূপায়ণ কৰা সংস্কাৰমূলক ব্যৱস্থাবোৰৰ উপৰি ভাৰত চৰকাৰৰ পৰা লাভ কৰা অনুদান আৰু কেন্দ্ৰীয় কৰৰ অংশৰ পূঁজিৰ বৃদ্ধিয়েও আমাক সহায় কৰিছে।

৪.৬ মাননীয় সদস্যসকলে শুনি নিশ্চয় সুখী হব যে, মই ৰাজ্য চৰকাৰৰ আটাইবোৰ DDO ক আনুসঙ্গিক সা-সঁজুলিসহ কম্পিউটাৰ

যোগান ধৰাৰ ব্যৱস্থা কৰিছো। অসম চৰকাৰৰ অধীনত প্ৰায় ৮০০০ DDO আছে। DDO সকলে কম্পিউটাৰৰ জৰিয়তে তেওঁলোকৰ বিভাগীয় নিয়ন্ত্ৰক বিষয়া, সংশ্লিষ্ট কোষাগাৰ আৰু ৰাজ্যিক বিত্ত বিভাগৰ লগত পোনপটিয়াকৈ যোগাযোগ কৰিব পাৰিব। এই ব্যৱস্থাৰ সফল ৰূপায়ণৰ বাবে DDO সকলৰ প্ৰশিক্ষণৰ ব্যৱস্থাও কৰা হৈছে। এই নতুন পদ্ধতি ৰূপায়িত হৈ উঠিলে আমাৰ বিত্তীয় পৰিচালন ব্যৱস্থা স্বচ্ছ, নিকা আৰু অধিক কাৰ্যক্ষম হৈ উঠিব। ইয়াৰ ফলত বিত্তীয় শৃঙ্খলা উলাই কৰা বিষয়া আৰু কৰ্মচাৰীসকলক চিনাক্ত কৰি জবাবদিহি কৰা প্ৰক্ৰিয়াটো সহজ হৈ পৰিব।

**৫। ত্ৰয়োদশ বিত্ত আয়োগ ঃ**

৫.১ ২০১০ চনৰ ২৫ ফেব্ৰুৱাৰীত ত্ৰয়োদশ বিত্ত আয়োগে তেওঁলোকৰ প্ৰতিবেদন দাখিল কৰে। ২০১০-২০১৫ চনলৈ এই পাঁচ বছৰীয়া সময়ছোৱাৰ বাবে ত্ৰয়োদশ বিত্ত আয়োগে অসমলৈ মুঠ ৫৭,৮৩২.৭০ কোটি টকাৰ এটা বৃহৎ পৰিমাণৰ অনুদান দিছে। ই ২০০৮-০৯ চনৰ চলিত মূল্যত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ ৭২.৯৮ শতাংশ। দ্বাদশ বিত্ত আয়োগে অসমৰ বাবে ২৪,৩২৯.৩০ কোটি টকাৰ হস্তান্তৰত অনুমোদন দিছিল। ই আছিল ২০০৫-০৬ চনৰ চলিত মূল্যত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ ৪২.০৭ শতাংশ। একাদশ বিত্ত আয়োগৰ অনুদান আছিল মাএ ১৩,২৮০.৮৬ কোটি টকাৰ। ত্ৰয়োদশ বিত্ত আয়োগৰ অনুদানৰ অধীনত ৰাজ্যবোৰে সকলোবোৰ কেন্দ্ৰীয় কৰৰ নিজৰ নিজৰ অংশ হিচাপে দ্বাদশ বিত্ত আয়োগে অনুমোদন দিয়া ৩০.৫ শতাংশৰ বিপৰীতে সমুহীয়া ভাবে ৩২ শতাংশ পাব । ত্ৰয়োদশ বিত্ত আয়োগৰ অনুদান কালত কেন্দ্ৰীয় কৰৰ অংশ হিচাপে অসমে ৫২,৬২০.৬০ কোটি টকা পাব। দ্বাদশ



বিত্ত আয়োগ আৰু একাদশ বিত্ত আয়োগে অনুমোদন কৰা ১৯,৮৫০.৬৯ কোটি টকা আৰু ১৩,২৮০.৮৬ কোটি টকাৰ তুলনাত ই এক উল্লেখযোগ্য বৃদ্ধি। দ্বাদশ আৰু একাদশ বিত্ত আয়োগে ৰাজ্যসমূহৰ বাবে নিৰ্দ্ধাৰিত কেন্দ্ৰীয় কৰৰ ৩.২৩৫ শতাংশ আৰু ৩.২৮৫ শতাংশ অসমৰ বাবে ধাৰ্য্য কৰিছিল। ত্ৰয়োদশ বিত্ত আয়োগে ইয়াৰ তুলনাত ৰাজ্যসমূহৰ বাবে সামগ্ৰীকভাবে ধাৰ্য্য কৰা কেন্দ্ৰীয় কৰৰ অংশ অসমৰ ক্ষেত্ৰত ৩.৬২৮ শতাংশলৈ বৃদ্ধি কৰিছে।

৫.২ ত্ৰয়োদশ বিত্ত আয়োগে অসমৰ বাবে মুঠ ৫২১২.১০ কোটি টকাৰ সাহায্য মঞ্জুৰী আগবঢ়াইছে। ইয়াৰ ভিতৰত স্থানীয় নিকায়বোৰৰ বাবে দিয়া ১৮৯২.৮০ কোটি টকাও অন্তৰ্ভূক্ত যিটো এই উদ্দেশ্যে দ্বাদশ বিত্ত আয়োগে দিয়া ৫৮১.০০ কোটি টকা আৰু একাদশ বিত্ত আয়োগে দিয়া ২৫৫.০০ কোটি টকাতকৈ বহুতো বেছি। ৰাজ্যিক দূৰ্যোগ পুঁজিলৈ বৰঙণি হিচাপে দিবৰ বাবে ত্ৰয়োদশ বিত্ত আয়োগে কেন্দ্ৰীয় অংশৰ ১৩১১.৭৬ কোটি টকা আছুটীয়াকৈ ৰাখিছে আৰু এই পুঁজিৰ নাম এতিয়া দুৰ্যোগ প্ৰশমন পুঁজিৰ (Calamati Relief Fund) পৰিবৰ্ত্তে ৰাজ্যিক দুৰ্যোগ প্ৰশমন পুঁজি কৰা হৈছে । ৰাজ্যিক দুৰ্যোগ প্ৰশমন পুঁজিৰ কেন্দ্ৰীয় অংশ আৰু ৰাজ্যিক অংশৰ অনুপাতটো এতিয়া আগৰ ৭৫ঃ২৫ ৰ পৰিৱৰ্ত্তে ৯০ঃ১০ কৰা হৈছে । ইয়াৰ ওপৰিও দুৰ্যোগ ব্যৱস্থাপনাৰ সামৰ্থ বৃদ্ধিৰ বাবে ২০১০-২০১৫ চনৰ সময়ছোৱাৰ বাবে কেন্দ্ৰৰ পৰা অসমে আৰু ২৫ কোটি টকাৰ অনুদান লাভ কৰিব । ইয়াৰোপৰি অসমৰ বিশেষ প্ৰয়োজনীয়তা সমূহৰ বাবেও আয়োগে ৬০০ কোটি টকাৰ সাহায্য মঞ্জুৰীত অনুমোদন জনাইছে । ত্ৰয়োদশ বিত্ত আয়োগৰ সাহায্য প্ৰদানৰ কালচোৱাৰ ভিতৰতে প্ৰতিবছৰে ১৫০ কোটি টকীয়া কিস্তিৰে

গোটেইখিনি ধন মুকলি কৰি দিয়া হ'ব । ৰাজ্যিক বিশেষ প্রয়োজনীয়তা পুঁজিৰ এই ৬০০ কোটিৰ ভিতৰত কটন কলেজৰ বাবে ধৰা হৈছে ৫০ কোটি টকা। ইয়াৰ বাহিৰেও আন গুৰুত্বপূর্ণ মঞ্জুৰীবোৰ হ'ল - সীমান্ত অঞ্চলৰ উন্নয়নৰ বাবে ২৩০ কোটি, ষষ্ঠ অনুসূচীভুক্ত জিলাবোৰৰ বাবে ১৩০ কোটি, আৰক্ষীৰ প্রশিক্ষণৰ বাবে ৫০ কোটি, আন ৫০ কোটি পাৰ্ব্বত্যাঞ্চল আৰু আন অঞ্চলৰ আৰক্ষীৰ গৃহ নির্মাণৰ বাবে, পর্যটন ব্যৱস্থাৰ উন্নীতকৰণৰ বাবে ৫০ কোটি আৰু মাজুলীৰ সত্ৰ সমূহৰ বাবে ধাৰ্য্য কৰা ৫ কোটি টকাকে ধৰি ঐতিহ্য সংৰক্ষণৰ বাবে ৪০ কোটি। ওপৰোক্ত কাম কাজবোৰৰ ওপৰিও অন্যান অনুদানবোৰ হ'ল - ৰাস্তা আৰু দলং আদি মেৰামতিৰ বাবদ ৩৩৬ কোটি, পৰ্য্যাবৰণ সম্পৰ্কিত জলখণ্ডৰ ব্যৱস্থাপনাৰ বাবে ৮৮ কোটি, পৰ্য্যাবিৰণ সম্পৰ্কিত বন পৰিচালনাৰ বাবে ১৮৪.৬০ কোটি টকা ন্যায় প্রদান উন্নীতকৰণৰ বাবে ১২১কোটি, U I Ds প্রদান কৰাৰ উদগনি হিচাপে ৫৫.৮০ কোটি, বিত্তীয় সুপৰিচালনাৰ উদগনিৰ বাবদ ৩০০ কোটি, জিলাৰ উদ্ভাৱন পুঁজিৰ বাবে ২৭ কোটি, আৰু আন ২৭ কোটি ৰাজ্যিক তথা জিলা পৰ্য্যায়ৰ পৰিসংখ্যা পদ্ধতি উন্নীতকৰণৰ বাবে আৰু কৰ্মচাৰী তথা পেঞ্চনভোগীসকলৰ পৰিসংখ্যা প্রস্তুতিকৰণৰ বাবে ৫ কোটি টকা। ৰাজ্যিক বিশেষ প্রয়োজনীয় সাহায্য মঞ্জুৰীসমূহ কেন্দ্রীয় চৰকাৰৰ পৰা পাবলৈ হলে ৰাজ্য চৰকাৰৰ নিজৰ F.R.B.M. Act খন নতুন নীতি নির্দ্দেশনাৰ ভিত্তিত আগতীয়াকৈ সংশোধন কৰি লব লাগিব। মুঠ ৫৭,৮৩২.৭০ কোটি টকাৰ অনুদান লাভ কৰাৰ উপৰিও ত্রয়োদশ বিত্ত আয়োগৰ ঋণ ৰেহাই আঁচনিৰ পৰা অসম বহু পৰিমানে উপকৃত হ'ব । বিত্ত মন্ত্রালয়ৰ বাহিৰে আন কেন্দ্রীয় মন্ত্রালয়বোৰে



৩১/০৩/২০১০ তাৰিখলৈকে দিয়া কেন্দ্রীয় ঋণ পৰিশোধৰ বকেয়া ৰেহাই দিয়াত আয়োগে অনুমোদন দিছে। ৰাজ্যসমূহে ৩১/০৩/২০০৪ তাৰিখ পৰ্য্যন্ত কেবল বিত্ত মন্ত্রালয়ে দিয়া কেন্দ্রীয় ঋণ ৩১/০৩/২০০৫ তাৰিখ পৰ্য্যন্ত পৰিশোধ কৰিবলৈ বাকী থকা অংশ দ্বাদশ বিত্ত আয়োগে অনুমোদন দিছিল। আন আন কেন্দ্রীয় মন্ত্রালয়ে দিয়া কেন্দ্রীয় ঋণক ই সামৰি লোৱা নাছিল । ৩১/০৩/২০১০ তাৰিখ পৰ্য্যন্ত থকা প্রায় ৫০২ কোটি টকাৰ মূলধন ঋণৰ পৰা সকাহ লাভ কৰাত ত্রয়োদশ বিত্ত আয়োগৰ অনুমোদনে অসমক সহায় কৰিব । সূদ সহিতে মুঠ ঋণ ৰেহাইৰ পৰিমাণ ১০০০ কোটি টকাৰ অধিক হব । অৱশ্যে এই ঋণ সকাহসমূহ লাভ কৰিবৰ বাবে ৰাজ্যবোৰে ত্রয়োদশ বিত্ত আয়োগৰ নির্দ্দেশনা অনুসৰি নতুন বিত্তীয় লক্ষ্য সন্নিবিষ্ট তেওঁলোকৰ এফ আৰ বি এম আইনসমূহৰ সংশোধন ঘটাব লাগিব ।

## ৬। ৰাজ্যিক বিত্ত আয়োগ আৰু স্থানীয় নিকায়সমূহলৈ পুঁজিৰ হস্তান্তৰ ঃ

৬.১ স্থানীয় স্বায়ত্ত শাসন ব্যৱস্থাটো সুচল আৰু সজীৱ কৰি তোলাৰ মানসেৰে সংবিধানৰ ৭৩ তম আৰু ৭৪ তম সংশোধনীৰ জৰিয়তে পঞ্চায়তী ৰাজ প্রতিষ্ঠান আৰু চহৰীয়া স্থানীয় নিকায় সমূহৰ ওপৰত অধিক ক্ষমতা, কাম কাজ, সমল আৰু দায়িত্ব অৰ্পণ কৰা হৈছে । ২০০৬ চনৰ ফেব্রুৱাৰী মাহত গঠন কৰি দিয়া তৃতীয় অসম ৰাজ্যিক বিত্ত আয়োগে ২০০৮ চনৰ ২৭ মার্চৰ দিনা ইয়াৰ চূড়ান্ত প্রতিবেদনখন চৰকাৰৰ ওচৰত দাখিল কৰে । এই প্রতিবেদনত মুঠ ১০৩ টা পৰামৰ্শ আগবঢ়োৱা হৈছে । মন্ত্রীগোটৰ দ্বাৰা গঠিত এখন সমিতিয়ে আগবঢ়োৱা কেতবোৰ সংশোধনীমূলক পৰামৰ্শ মৰ্ম্মে

ৰাজ্যিক মন্ত্ৰীসভাই উক্ত পৰামৰ্শৱলীত অনুমোদন দিছে । এতিয়া সেইবোৰ ৰূপায়ণ কৰি থকা হৈছে । ইয়াৰ ফলস্বৰূপে পঞ্চায়ত সমূহ আৰু চহৰীয়া স্থানীয় নিকায়সমূহলৈ পুঁজি হস্তান্তৰৰ পৰিমাণ বহু গুণে বৃদ্ধি পাইছে । ইয়াৰ দ্বাৰা উক্ত অনুষ্ঠানবোৰে নিজৰ নিজৰ কাম কাজবোৰ অধিক দক্ষতা আৰু ফলপ্ৰসূৰূপে ৰূপায়ণ কৰিবলৈ সমৰ্থ হ'ব। মই আশা কৰো গ্ৰাম্য আৰু চহৰাঞ্চল উভয়তে থকা স্থানীয় নিকায়বোৰে পুঁজিসমূহ যথাযথভাবে কামত লগাব। তৃতীয় অসম ৰাজ্যিক বিত্ত আয়োগৰ অনুদান কাল ৩১-৩-২০১১ তাৰিখত উকলিব। ইতিমধ্যে ৰাজ্য চৰকাৰে চতুৰ্থ অসম ৰাজ্যিক বিত্ত আয়োগ গঠন কৰাৰ সিদ্ধান্ত লৈছে । অহা ১'এপ্ৰিল ২০১১ তাৰিখৰ পৰা ইয়াৰ পাঁচ বছৰীয়া অনুদানকাল আৰম্ভ হ'ব।

৭। **প্ৰতিষ্ঠানিক বিত্ত ঃ**

৭.১ মাননীয় সদস্যসকলে জানে যে ৰাজ্যখনত গ্ৰাম্য ঋণ প্ৰদান বৃদ্ধি কৰাৰ ওপৰত মই সদায় গুৰুত্ব দি আহিছো আৰু তাৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰি আহিছো। ২০০৯ চনৰ মাৰ্চ মাহলৈ বিত্তীয় প্ৰতিষ্ঠানসমূহে অসমত প্ৰদান কৰা মুঠ ঋণৰ ১৩.২২ শতাংশহে আছিল কৃষি ঋণ। আপোনালোকে জানিবলৈ পাই নিশ্চয় সুখী হ'ব যে চলিত বছৰৰ ডিচেম্বৰ মাহলৈ এই ঋণৰ পৰিমাণ ১৮ শতাংশলৈ বৃদ্ধি পাইছে। ই ৰাষ্ট্ৰীয় কৃষি ঋণৰ অনুপাতৰ সমান। কৃষি ঋণৰ বিতৰণ ২০০৬-০৭ বৰ্ষৰ ৭৯ কোটি টকাৰ পৰা ২০০৯ চনৰ মাৰ্চ মাহত ২০৩ কোটি টকালৈ বৃদ্ধি পায়। এই বিত্তীয় বৰ্ষৰ ডিচেম্বৰ মাহলৈকে বেংকসমূহে সৰ্ব্বমুঠ ২৭৬ কোটি টকাৰ কৃষি ঋণ প্ৰদান কৰিছে। ২০০৯ চনৰ ৩১ ডিচেম্বৰত অসমত বিত্তীয় প্ৰতিষ্ঠানসমূহে



আগবঢ়োৱা ঋণ আৰু তেওঁলোকে আহৰণ কৰা জমা ধনৰ অনুপাত (CD ratio) আছিল ৪৩.৬৯ শতাংশ।

৭.২ মাননীয় সদস্যসকলে জানে যে ২০,০০০ টকা কৃষি ঋণ পৰ্য্যন্ত ২ শতাংশ সুদৰ বোজা ৰাজ-সাহায্য হিচাপে চৰকাৰে বহন কৰাৰ এখন আঁচনি নাবাৰ্ডৰ জৰিয়তে ৰূপায়ণ কৰাৰ কাম মই ২০০৬ চনতে হাতত লৈছিলো। কৃষি উৎপাদন বৃদ্ধিৰ বাবে সুলভ ঋণ উপলব্ধ হোৱাটো অপৰিহাৰ্য্য। সেয়েহে এইবাৰ এই ৰাজ সাহায্য সুদৰ ২ শতাংশৰ পৰা ৩ শতাংশলৈ বৃদ্ধি কৰিছো। আমাৰ শিপিনি, ৰেচম খেতিয়ক, গ্ৰামাঞ্চলৰ হস্তশিল্পদ্যোগী আৰু উচ্চ শিক্ষাৰ্থীসকলৰ বাবেও সুলভ আৰু কম সুদৰ ঋণৰ প্ৰয়োজন আছে। গ্ৰামাঞ্চলৰ ৰাইজে নিজৰ আৱাসগৃহ নিৰ্ম্মাণৰ বাবেও সহজ আৰু কম সুদত বেংকৰ ঋণ নাপায়। তেওঁলোকে লোৱা আনুষ্ঠানিক ঋণৰ সুদৰ এটা অংশও ৰাজ সাহায্য হিচাপে দিবলৈ মই ব্যৱস্থা গ্ৰহণ কৰিছো।

৭.৩ গ্ৰামাঞ্চলত ঋণ প্ৰদান কৰাৰ ক্ষেত্ৰত অসমৰ আঞ্চলিক গাৱঁলীয়া বেংক দুটাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। নাবাৰ্ডে দিয়া পৰামৰ্শ অনুসৰি লাংপি দেহাংগি গ্ৰামীণ বেংকৰ পুঁজিৰ ভেটি সুদৃঢ় কৰাৰ অৰ্থে মই ইতিমধ্যে মঞ্জুৰ কৰা ৫০ লাখ টকাৰ উপৰি আৰু ৬২ লাখ টকা মঞ্জুৰ কৰাৰ ব্যৱস্থা কৰিছো।

৭.৪ অসম বিত্তীয় নিগমে ২০০৯ চনৰ ডিচেম্বৰ মাহত অসম চৰকাৰে দিয়া ১০ কোটি টকাৰ পুঁজিৰে মুখ্যমন্ত্ৰীৰ ক্ষুদ্ৰ বিত্তীয় আঁচনিখন আৰম্ভ কৰিছে। এই বাজেটত আত্ম সহায়ক গোটসকলক, বিশেষকৈ মহিলা আত্ম সহায়ক গোটসমূহক সহায় কৰাৰ বাবে আমি অসম বিত্তীয় নিগমক আৰু অধিক পুঁজিৰ যোগান ধৰিম। মই সদনক জনাবলৈ পাই আনন্দিত হৈছো যে আমি গ্ৰহণ কৰি অহা প্ৰচেষ্টাৰ

ফলস্বৰূপে SIDBI য়ে অসম বিত্তীয় নিগমক পুণৰ বিনিয়োগৰ বাবে পূঁজি যোগান ধৰিবলৈ সন্মতি প্ৰকাশ কৰিছে। এই ক্ষেত্ৰত অতি সোনকালে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হ'ব। এই নিগমে ভেন্সাৰ কেপিটেল ফাণ্ড নামৰ আন এখন আঁচনি ৰূপায়ণ কৰাৰ পথত অগ্ৰসৰ হৈছে। ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ বিকাশত যাতে অসম বিত্তীয় নিগমে আৰু অধিক সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব পাৰে তাৰ বাবে চৰকাৰে এই নিগমৰ মূলধনী পূঁজি বৃদ্ধি কৰাত অৰিহণা যোগোৱাৰ ব্যৱস্থা কৰিছে।

## ৮। নতুন পেঞ্চন আঁচনি ঃ

মাননীয় সদস্য সকলে জানে যে ২০০৫ চনৰ ১ ফেব্ৰুৱাৰী বা তাৰ পিচত চাকৰীত যোগদান কৰা চৰকাৰী কৰ্মচাৰীসকলৰ বাবে বৰঙণি ভিত্তিক এখনি নতুন পেঞ্চন আঁচনি চৰকাৰে গ্ৰহণ কৰিছে । নতুন আঁচনিখনৰ বিশেষ উল্লেখনীয় দিশটো হ'ল যে প্ৰতিজন কৰ্মচাৰীৰ ব্যক্তিগত পেঞ্চন নিধিলৈ ৰাজ্য চৰকাৰ আৰু সংশ্লিষ্ট কৰ্মচাৰীজনে সমানে বৰঙণি যোগাব। ইয়াৰ ফলত বৰ্ত্তমান কাৰ্য্যনিবাহ কৰি থকা চাকৰিয়ালসকলৰ পেঞ্চনৰ বোজা ভৱিষ্যত প্ৰজন্মই বহন কৰিব নেলাগিব। এই নতুন পেঞ্চন আঁচনিখন সম্পূৰ্ণৰূপে কাৰ্য্যক্ষম কৰি তোলাৰ উদ্দ্যেশ্যে কিছুদিনৰ আগেয়ে ৰাজ্য চৰকাৰে হিচাপ লেখন এজেঞ্চি (Central Record Keeping Agency-CRA) অৰ্থাৎ National Securities Depository Ltd (NSDL) আৰু NPS-TRUST ৰ সৈতে এখন চুক্তিত স্বাক্ষৰ কৰিছে । ২০১০ চনৰ জানুৱাৰী মাহৰ পৰা নতুন পেঞ্চন আঁচনিখন সাম্প্ৰতিকভাৱে প্ৰৱৰ্ত্তন কৰা হৈছে। এই আঁচনিখন ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰৰ যোগাযোগকাৰী বিষয়াসকলৰ পঞ্জীয়ন প্ৰক্ৰিয়া NSDL এ ইতিমধ্যে



আৰম্ভ কৰিছে। অন্তঃবৰ্ত্তীকালীন কালছোৱাত ৰাজ্য চৰকাৰৰ হিচাপ আৰু কোষাগাৰ সঞ্চালকালয়ে কেন্দ্ৰীয় হিচাপ লেখনৰ দায়িত্ব বহন কৰিব।

## ৯। দৰমহা সংশোধনী ঃ

৯.১ অসম দৰমহা আয়োগ, ২০০৮ ৰ প্ৰতিবেদনৰ ভিত্তিত ৰাজ্য চৰকাৰে কৰ্মচাৰী আৰু পেঞ্চনাৰ সকলৰ দৰহা, পেঞ্চন আৰু বিভিন্ন ভাট্টা সমূহৰ সংশোধন কৰিছে। ইয়াৰ ফলত প্ৰথম বছৰত ৰাজ্য চৰকাৰে প্ৰায় ৪২০০ কোটি টকাৰ অতিৰিক্ত ব্যয়ৰ বোজা বহন কৰিব লাগিব। পৰবৰ্ত্তী বছৰবোৰত এই অতিৰিক্ত ব্যয় বছৰি প্ৰায় ১০ৰ পৰা ১২ শতাংশ চক্ৰবৃদ্ধি হাৰত বাঢ়ি গৈ থাকিব। অসম সেৱা (দৰমহা সংশোধন) নিয়মাৱলী ২০১০, অৰ্থাৎ The Assam Services (ROP) Rules, 2010 ইতিমধ্যে অধিসূচনাৰ জৰিয়তে কাৰ্য্যকৰী কৰা হৈছে। কৰ্মচাৰীসকলে ইতিমধ্যেই সংশোধিত হাৰৰ দৰমহা ল'বলৈ আৰম্ভ কৰিছে। দৰমহা আয়োগৰ প্ৰতিবেদনত থাকি যাব পৰা আসোঁৱাহসমূহ দূৰ কৰাৰ উদ্দেশ্যে এখনি Anomaly কমিটিও চৰকাৰে গঠন কৰি দিছে।

৯.২ ৰাজ্য চৰকাৰৰ অধীনৰ ৰাজহুৱা প্ৰতিষ্ঠানসমূহৰ কৰ্মচাৰী সকলৰ দৰমহাৰ গাঠনি সংশোধনৰ বাবেও এখন কমিটি গঠন কৰি দিয়া হৈছে।

৯.৩ চিকিৎসা মহাবিদ্যালয় আৰু অভিযান্ত্ৰিক মহাবিদ্যালয় সমূহকে ধৰি ৰাজ্যৰ বিভিন্ন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় সমূহৰ শিক্ষক সকলৰ বাবে UGC, AICTE আৰু MCI ৰ নীতি-নিৰ্দেশনাৰ ভিত্তিত UGC আৰু AICT ৰ সংশোধিত দৰমহা গাঠনি গ্ৰহণ কৰিব

বুলি চৰকাৰে সিদ্ধান্ত লৈছে। ইয়াৰ বাবে UGC, AICTE আৰু MCI ৰ নিয়মাৱলী আৰু নীতি-নিৰ্দেশনাসমূহৰ ভিত্তিত যাৱতীয় অধিসূচনা প্ৰস্তুতিকৰণৰ কাম চলি আছে। এই কাম সোনকালে সম্পূৰ্ণ কৰি যাৱতীয় অধিসূচনা শীঘ্ৰেই জাৰি কৰিব পৰা হ'ব বুলি মই আশাবাদী। UGC আৰু AICTE ৰ দৰমহাৰ গাঠনি গ্ৰহণ কৰাৰ ফলত যি অতিৰিক্ত ব্যয় হব তাৰ এক আনুমানিক হিচাপ ২০১০-১১ বৰ্ষৰ বাজেটত অৰ্ন্তভুক্ত কৰা হৈছে।

**১০। বাৰ্ষিক পৰিকল্পনা ২০১০-১১ ঃ**

১০.১ মাননীয় সদস্য সকল জ্ঞাত যে যোৱা এপ্ৰিল, ২০০৭ ৰ পৰা আৰম্ভ হোৱা একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত অসমৰ বাবে অনুমোদিত মুঠ ধনৰ পৰিমাণ হ'ল ২৩,৯৫৪ কোটি টকা। পৰিকল্পনা আয়োগৰ উপাধ্যক্ষৰ লগত হোৱা আলোচনা মৰ্মে ২০০৯-১০ বাৰ্ষিক পৰিকল্পনাৰ বাবদ অসমৰ বাবে ধাৰ্য্য কৰা মুঠ ধনৰ পৰিমাণ হ'ল ৬০০০ কোটি টকা। ত্ৰয়োদশ বিত্ত আয়োগৰ প্ৰতিবেদন যোৱা ২৫ ফেব্ৰুৱাৰী, ২০১০ তাৰিখেহে প্ৰকাশ কৰা হৈছে। তদুপৰি ত্ৰয়োদশ বিত্ত আয়োগৰ অনুমোদনাৱলীৰ ভিত্তিত ৰাজ্যসমূহে লব পৰা ঋণৰ উৰ্দ্ধতম সীমা সংক্ৰান্তীয় যাৱতীয় নিয়মাৱলী এই পৰ্যন্ত ভাৰত চৰকাৰৰ পৰা পোৱা হোৱা নাই। কেন্দ্ৰীয় চৰকাৰৰ এই নিয়মাৱলী পোৱাৰ পিচত (FRBM Act.) এফ আৰ বি এম আইনৰ সংশোধনৰ প্ৰয়োজন হ'ব পাৰে। এনে অনিশ্চয়তাৰ বাবে পৰিকল্পনা আয়োগে ৰাজ্য সমূহৰ বাৰ্ষিক পৰিকল্পনা চূড়ান্তকৰণ প্ৰক্ৰিয়া পিছুৱাই ৰাখিছে। ত্ৰয়োদশ বিত্তীয় আয়োগৰ প্ৰতিবেদন প্ৰাপ্তিৰ পিচত ২০১০-১১ বৰ্ষৰ বাৰ্ষিক পৰিকল্পনাৰ বাবে পূঁজিৰ উৎস নিৰ্দ্ধাৰণ কৰাটো সূচল হৈ পৰিল। মই



আশাকৰো পৰিকল্পনা আয়োগৰ উপাধ্যক্ষৰ লগত ২০১০-১১ বৰ্ষৰ পৰিকল্পনা চূড়ান্তকৰণৰ বৈঠক সোনকালে অনুষ্ঠিত হ'ব। সম্প্ৰতি ৰাজ্যখনত চলি থকা উন্নয়ন প্ৰক্ৰিয়াত অধিক গতিশীলতা প্ৰদানৰ লক্ষ্য আগত ৰাখি ২০১০-১১ বৰ্ষৰ বাৰ্ষিক পৰিকল্পনাৰ বাবে সাম্প্ৰতিক ৭৫২৭ কোটি টকাৰ বাজেট দাখিল কৰা হৈছে। মই আশাকৰো যে ইয়াৰ পৰিসৰ মোৰ পৰিকল্পনা আয়োগৰ উপাধ্যক্ষৰ লগত হ'ব লগা বৈঠকত বৃদ্ধি পাব। পৰিকল্পনা শিতানত লাভ কৰা অতিৰিক্ত ধনৰাশি পৰিপূৰক মঞ্জুৰী যোগে ২০১০-১১ বৰ্ষৰ বাজেটত অন্তভুক্ত কৰিব পৰা হ'ব।

১০.২ সম্প্ৰতি ২০১০-১১ বৰ্ষৰ বাবে দাখিল কৰা সাম্প্ৰতিক পৰিকল্পা বাজেটত বৈদেশিক সাহায্য প্ৰাপ্ত আঁচনিসমূহৰ বাবে ৮৪২.২২ কোটি টকা, কেন্দ্ৰৰ দ্বাৰা নিৰ্দ্ধাৰিত আঁচনিৰ বাবে ১৫৭৫.০৯ কোটি টকা আৰু গ্ৰাম্য আন্তঃগাঠনি উন্নয়নৰ বাবে এক ক্ষুদ্ৰ অংশ বিত্ত আয়োগৰ মঞ্জুৰীসহ ৩৫০ কোটি টকা ধাৰ্য্য কৰা হৈছে।

১০.৩ এই সীমিত পৰিকল্পনা শিতানৰ ধনৰাশি উচিত ভাবে ব্যৱহাৰ কৰাৰ বাবে বিশেষভাবে মনোনিৱেশ কৰা হ'ব। ২০০৬-০৭ বিত্তীয় বৰ্ষৰ পৰাই ৰাজ্য চৰকাৰৰ দ্বাৰা নিৰ্দ্ধাৰিত কেতবোৰ বিশেষ আঁচনি ৰূপায়িত হৈ আহিছে। এই আঁচনিসমূহে ৰাজ্যখনৰ অৰ্থনৈতিক উন্নয়নৰ কেতবোৰ গুৰুত্বপূৰ্ণ দিশ সামৰি লৈছে। ২০১০-১১ চনৰ বাজেটত এই আঁচনিসমূহৰ বাবে মই ৭২৪.৭৪ কোটি টকা ধাৰ্য্য কৰিছোঁ। ২০০৭-০৮ বৰ্ষৰ পৰা আৰম্ভ হোৱা মুখ্য মন্ত্ৰীৰ অসম বিকাশ যোজনা ২০১০-১১ বৰ্ষতো বাহাল থাকিব। ইয়াৰ

বাবে ২০১০-১১ বৰ্ষৰ বাজেটত ৩৪৬.৬০ কোটি টকা ধাৰ্য্য কৰা হৈছে।

১০.৪ একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ ম্যাদ অহা ৩১ মাৰ্চ, ২০১২ত সমাপ্ত হব। সেয়েহে একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত চলি থকা প্ৰকল্প আৰু আঁচনিসমূহ যাতে নিৰ্দ্ধাৰিত সময়সূচীৰ ভিতৰতে সমাপ্ত হয় আৰু এই আঁচনিসমুহ অৰ্দ্ধসমাপ্তভাবে যাতে পুনৰ দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত অন্তৰ্ভূক্ত কৰিব লগা নহয় তাৰ বাবে বিশেষভাবে মনোনিবেশ কৰা হৈছে। এই সন্দৰ্ভত যাৱতীয় কাৰ্য্যসূচী ইতিমধ্যে যুগুতাই উলিওৱা হৈছে আৰু প্ৰয়োজন হোৱা ধনৰাশিৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্যখনত কেন্দ্ৰৰ পৰা প্ৰাপ্ত এককালীন বিশেষ সাহায্যৰ আধীনত চলি থকা ৩৮টা আঁচনি সম্পূৰ্ণ কৰিবৰ বাবে মুঠ ৯৫০ কোটি টকাৰ প্ৰয়োজন। এই প্ৰকল্পসমূহ আমাৰ ৰাজ্যৰ পৰিকল্পনা বিশেষকৈ আন্তঃগাঠনি উন্নয়ন আৰু উচ্চশিক্ষা প্ৰসাৰৰ বাবে অতি আৱশ্যকীয়। ইয়াৰ ভিতৰত পথ নিৰ্মাণ, যোৰহাট, তেজপুৰ আৰু বৰপেটাত তিনিখন চিকিৎসা মহাবিদ্যালয় স্থাপন, দুখন নতুন অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপন, বুৰঞ্জী প্ৰসিদ্ধ ঐতিহ্যপূৰ্ণ স্থান আৰু সত্ৰৰ উন্নয়ণ আৰু লক্ষীমপুৰত অৱস্থিত পশু চিকিৎসা মহাবিদ্যালয় খনৰ পুনৰ উজ্জীৱিতকৰণ আদি আঁচনিসমূহ সামৰি লোৱা হৈছে। তদুপৰি মাননীয় সদস্যসকলে জানি নিশ্চয় সুখী হ'ব যে ৰাজ্যৰ গ্ৰাম্য অঞ্চলৰ মহাবিদ্যালয়সমূহৰ উন্নয়নব বাবে একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কালচোৱাত ৯৫ কোটি টকা ধাৰ্য্য কৰা হৈছে। ইতিমধ্যে ৫ কোটি টকা মোকলাই দিয়া হৈছে আৰু বাকী থকা ৯০ কোটি টকা ২০১০-১১ বৰ্ষৰ বাজেটত অৰ্ন্তভুক্ত কৰা হৈছে।



১০.৫ বিভিন্ন খণ্ডৰ বাবে আৱন্টিত ধনৰাশিৰ বিস্তৃত বিবৰণ দি মই মোৰ এই ভাষণ দীঘলীয়া কৰিব বিচৰা নাই। বিভিন্ন সেৱা আৰু অন্যান্য খণ্ডৰ বাবে ২০১০-১১ বৰ্ষৰ বাজেটত ধাৰ্য্য কৰা ধন ৰাশিৰ এক সংক্ষিপ্ত বিৱৰণ সংলগ্নপত্ৰ-২ ত সন্নিবিস্ট কৰা হৈছে।

## ১১। উন্নয়ণৰ ৰূপ ৰেখা ঃ

১১.১ বিগত বছৰকেইটাত ৰাজ্যৰ অৰ্থনীতি এক নৱজাগৰণেৰে সঞ্জীৱিত হৈ উঠা পৰিলক্ষিত হৈছে। তৎস্বত্বেও যোৱা কেইবাদশক ধৰি চলি অহা অৰ্থনৈতিক অনগ্ৰসৰতা নিমিষতে দুৰকৰাটো কাহানিও সম্ভৱপৰ নহয়। এখন বা দুখন বাজেটৰ জৰিয়তে এই দূৰূহ কাম সমাধা কৰিব নোৱাৰি। ইয়াৰ বাবে আমি ধৈৰ্য্য সহকাৰে অবিৰত চেষ্টা চলাই যাব লাগিব। দেশৰ যি কোনো ৰাজ্যৰ লগত সমানে ফেৰ মাৰিব পৰাকৈ এখন চহকী আৰু সম্পূৰ্ণৰূপে বিকশিত অসম গঢ়ি তোলাই হৈছে আমাৰ চৰকাৰৰ মূল লক্ষ্য। আমাৰ ৰাজ্য প্ৰাকৃতিক সম্পদৰে ভৰপুৰ । মানৱ সম্পদটো আমি সমানে সমৃদ্ধিশালী। দেখাই-শুনাই, বিদ্যা-বুদ্ধি, অৰ্হতা, নিপুণতা, কাৰ্য্যক্ষমতা, সততা, ব্যক্তিত্ব আৰু আত্ম-প্ৰত্যয় আদি সকলো দিশতে আমাৰ যুৱক-যুৱতী সকল আনতকৈ কোনো গুনে কম নহয়। ইমানবোৰ মানৱ সম্পদ আৰু অৰ্থনৈতিক সম্পদেৰে চহকী হোৱাৰ পিছত আমি প্ৰগতিৰ শীৰ্ষস্তৰত উপনীত হব নোৱাৰাৰ কোনো কাৰণ থাকিব নোৱাৰে। শান্তি আৰু এক সুস্থ বাতাবৰণ নেথাকিলে অৰ্থনৈতিক উন্নয়ণ সম্ভৱ নহয়। সুখৰ বিষয় যে আমাৰ ৰাজ্যখনত সক্ৰিয় হৈ থকা কেইবাটাও উগ্ৰপন্থি সংগঠনে মুলসুঁতিলৈ উভতি আহি আলোচনাৰ মাধ্যমেৰে তেওঁলোকৰ সমস্যা সমূহৰ সমাধান কৰাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে। তেওঁলোকৰ ন্যায্য আৰু বাস্তৱ সন্মত

দাবী সমূহৰ যথাযথ সমাধান উলিয়াই ৰাজ্যত শান্তি আৰু স্থিৰতা ঘূৰাই আনিবলৈ আমাৰ চৰকাৰ দৃঢ় প্ৰতিজ্ঞ। ইয়াৰ বাবে প্ৰয়োজনীয় যি কোনো ত্যাগ স্বীকাৰ কৰিবলৈ আমাৰ চৰকাৰ সদায় প্ৰস্তুত।

১১.২ ২০১০-১১ চনৰ বাজেট খনত আন্তঃ গাঠনিৰ উন্নয়ণ, ৰাজ্যৰ প্ৰগতিত সহায় কৰিব পৰা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান স্থাপন, যুৱক-যুৱতী সকলৰ শৈক্ষিক-কাৰিকৰী-ব্যৱসায়িক অৰ্হতা তথা পটুতা বৃদ্ধি, স্ব-নিয়োজন আৰু সমাজৰ পিচপৰা শ্ৰেণীৰ লোক সমূহৰ উন্নয়ণৰ ওপৰত মই সৰ্বাধিক গুৰুত্ব দিছো। আমাৰ অসম ৰাজ্য বহু জাতি উপ-জাতি আৰু ভাষা-ধৰ্মৰ পবিত্ৰ মিলন ক্ষেত্ৰ। তাৰ মাজতো কিন্তু ঠায়ে ঠায়ে সামাজিক আৰু অৰ্থনৈতিক বৈষম্য আজিও বিৰাজমান। দেশৰ ৰাজ্যসমূহৰ ভিতৰত অসমতে অৰ্থনৈতিক বৈষম্যৰ মাত্ৰা আটাইতকৈ কম। তথাপিও কিন্তু বিভিন্ন জনগোষ্ঠিৰ মাজত আৰু ৰাজ্যৰ বিভিন্ন জিলা আৰু অঞ্চলৰ মাজত থকা অৰ্থনৈতিক তথা সামাজিক বৈষম্য এতিয়াও সম্পূৰ্ণৰূপে দূৰ হোৱা নাই। আনকি একেটা জনগোষ্ঠি বা একেটা অঞ্চলৰ বিভিন্ন স্তৰৰ মাজতো বৈষম্য নথকা নহয়। এনে বৈষম্য সমূহ দূৰ কৰাৰ বাবে হিতাধিকাৰী সকলে কোনো অসুবিধাৰ সন্মূখীন নোহোৱাকৈ প্ৰত্যক্ষ ভাবে চৰকাৰৰ জন-কল্যাণমূখী আঁচনি সমূহৰ সুফল গ্ৰহণ কৰিব পাৰিব লাগিব। তাৰ বাবে চৰকাৰৰ আঁচনি সমূহো সহজ সৰল, পোনপটীয়া আৰু সক্ৰিয় কৰি তোলা হব। চৰকাৰৰ জনকল্যাণমূখী আৰু উন্নয়ণমূখী আঁচনি সমূহৰ জৰিয়তে আমি সমাজৰ দুখীয়া শ্ৰেণীৰ লোক সকলৰ হাতত অধিক ক্ৰয় ক্ষমতা তুলি দিব লাগিব, তেতিয়াহে তেওঁলোকে বৰ্ত্তমান যুগৰ প্ৰতিযোগিতামূলক বজাৰৰ দ্বাৰা পৰিচালিত অৰ্থনীতিত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিব পাৰিব। ৰাজ্যৰ অৰ্থনৈতিক উন্নয়ণৰ পথত সমাজৰ সকলো শ্ৰেণীৰ লোক একে লগে আৰু সমান ভাবে অগ্ৰসৰ হব পৰিলেহে প্ৰকৃত উন্নয়ণ হৈছে বুলি আমি কব পাৰো। এই বাজেট খনত মই এহাতে আন্তঃ গাঠনিৰ উন্নয়ণকে ধৰি ৰাজ্য খনৰ দীৰ্ঘম্যাদী অৰ্থনৈতিক বিকাশ আৰু আনহাতে সমাজৰ পিচপৰি থকা লোক সমূহৰ খাদ্য নিৰাপত্তাকে ধৰি আন আন অভাৱ সমূহ দূৰীকৰণৰ মাজত যথাসম্ভৱ ভাৰসাম্য ৰক্ষা কৰি চলিবলৈ চেষ্টা কৰিছো।

১১.৩ আমাৰ ৰাজ্যৰ ৮৭ শতাংশ লোক গাওঁ অঞ্চলত বাস কৰে। তাৰোপৰি ৰাজ্যৰ ৭৫ শতাংশ লোক জীৱিকা নিৰ্বাহৰ বাবে কৃষিখণ্ডৰ ওপৰতে নিৰ্ভৰ কৰে। সেই কাৰণে আমৰ চৰকাৰে উন্নয়ণমূলক আঁচনি সমূহ প্ৰস্তুত কৰাৰ সময়ত কৃষি আৰু সমবায় খণ্ডকে ধৰি গ্ৰাম্যাঞ্চলৰ সৰ্বাঙ্গীন উন্নতিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। গ্ৰাম্য অৰ্থনৈতিক উন্নয়ণ অবিহনে, মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (GSDP) ৰ বৃদ্ধিৰ হাৰ যিমানেই আশাব্যঞ্জক নহওক কিয়, সি অৰ্থহীন। অৰ্থনেতিক উন্নয়ণৰ সুফল সমাজৰ সকলো শ্ৰেণীয়ে সমানে ভোগ কৰিব পাব লাগে। সমাজৰ সুস্থিৰতা, ভাৰসাম্য আৰু শান্তি শৃঙ্খলা অটুত ৰখাৰ বাবে ই অত্যন্ত প্ৰয়োজনীয়।। জনমুৰী আয়ৰ গড় বৃদ্ধিৰ হাৰে এখন সমাজৰ প্ৰকৃত ৰূপ কেতিয়াও সম্পূৰ্ণৰূপে প্ৰতিফলিত কৰিব নোৱাৰে। গড় জনমুৰী আয় আৰু সামাজিক বৈশম্যৰ মাত্ৰা - এই দুয়োটা দিশ আমি সদায় একেলগে চোৱা উচিত। তেতিয়াহে উন্নয়ণৰ প্ৰকৃতৰূপটো আমি দেখিবলৈ পাম। উচ্চ জনমুৰী আয় আৰু নিম্ন মাত্ৰাৰ সামাজিক আৰু অৰ্থনৈতিক বৈষম্য - এই দুয়োটা দিশ একেলগে উপলবদ্ধ হলেহে আমাৰ ৰাজ্যৰ প্ৰগতি সৰ্ববাপি আৰু সকলোৰে বাবে

সুখদায়ক হৈছে বুলি আমি কব পাৰো। এই উদ্দেশ্যেৰে ২০১০-১১ চনৰ বাজেটত মই কেইবাটাও সুদূৰপ্ৰসাৰি জনকল্যাণমূখী আৰু হিতাধিকাৰী কেন্দ্ৰীক আঁচনি সামৰি লৈছো।

১১.৪ মাননীয় সদস্য সকল নিশ্চয় মোৰ লগত এক মত হব যে আমাৰ ৰাজ্যৰ শান্তি আৰু আইন শৃঙ্খলাৰ পৰিস্থিতি দৰ্শনীয় ভাবে উন্নত হৈছে। কোনো উগ্ৰপন্থী গোটৰ যদি যৎকিঞ্চিত ৰাজহুৱা সমৰ্থন আছিল, তেওঁলোকে ইতিমধ্যে সেইখিনিও হেৰুৱাই পেলাইছে। মই ভাবো যে যোৱা কেইবছৰত আমি লাভ কৰা দ্ৰুত অৰ্থনৈতিক উন্নয়ণেই ৰাজ্যৰ সামগ্ৰিক আইন-শৃঙ্খলা পৰিস্থিতিৰ উন্নতিৰ মূল কাৰণ ।

**১২। আভ্যন্তৰীণ সুৰক্ষা আৰু আৰক্ষী বাহিনীয় সৱলীকৰণ ঃ**

১২.১ বিগত কালছোৱাত, বিশেষকৈ ২০০৯ চনৰ অক্টোবৰ মাহৰ পিচৰ পৰা ৰাজ্যৰ আইন-শৃঙ্খলা পৰিস্থিতি লক্ষনীয়ভাৱে উন্নত হৈছে। ডি. এইচ. ডি. (জুৱেল) আৰু কে.এল্.এন্, এল্, এফ্ নামৰ উগ্ৰপন্থী সংগঠন দুটাই অস্ত্ৰ সম্বৰণ কৰি আলোচনাৰ মাধ্যমেৰে তেওঁলোকৰ দাবীসমূহ সমাধান কৰিবলৈ আগবাঢ়ি আহিছে । কেইগৰাকীমান জেষ্ঠ্য আল্ফা নেতাও আৰক্ষীৰ হাতত ধৰা পৰিছে। আল্ফা সমস্যাটোৰ এক স্থায়ী সমাধানৰ বাবে আলোচনা প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈও চেষ্টা চলাই থকা হৈছে।

১২.২ অসম আৰক্ষী বাহিনীক অধিক সৱল কৰি তুলিবলৈ ইতিমধ্যে হাতত লোৱা ব্যৱস্থা সমূহ অহা বিত্তীয় বৰ্ষতো চলি থাকিব। আৰক্ষী বাহিনী আধুনিকীকৰণৰ বাবে ২০১০-১১ চনৰ বাজেটত ৭৩.৫০ কোটি টকা ধাৰ্য্য কৰা হৈছে। ত্ৰয়োদশ বিত্তীয়



আয়োগে আৰক্ষীৰ প্ৰশিক্ষণ আৰু আৱাস গৃহ নিৰ্মাণৰ বাবে ৫০ কোটি টকাৰ অনুদান দিছে। ইয়াৰ লগত ৰাজ্য চৰকাৰে নিজৰ পুঁজিৰ পৰাও প্ৰয়োজনীয় বৰঙনি আগবঢ়াব। অহা বিত্তীয় বৰ্ষত আৰক্ষী কনিষ্টবল আৰু গাড়ী চালকৰ ৪১০০ টা পদৰ উপৰিও আৰক্ষী উপ পৰিদৰ্শক (অস্ত্ৰ বিহীন) ৰ ১১৫ টা পদ পুৰণ কৰা হ'ব। অহা বছৰত ৯৮ জন নতুন আৰক্ষী উপ-পৰিদৰ্শকৰ নিযুক্তি আৰু ২০০ সহকাৰী উপ-পৰিদৰ্শক তথা প্ৰধান কনিষ্টবলক উপ-পৰিদৰ্শকলৈ পদোন্নতি দিয়া হব। ২০১০-১১ বিত্তীয় বৰ্ষৰ ভিতৰত ২১নং ২২নং,২৩ নং আৰু ২৪ নং অসম আৰক্ষী (Indian Reserve) বেটেলিয়ন কেইটাৰ মূখ্যকাৰ্য্যালয় স্থাপনৰ কাম সম্পূৰ্ণ কৰা হ'ব। অহা বিত্তীয় বৰ্ষৰ ভিতৰত আৰু এটি আৰক্ষী (Indian Reserve) বেটেলিয়ন গঠন কৰা হ'ব। ৰাজ্যৰ বিভিন্ন ঠাইত ১৭ খন আৰক্ষী থানা আৰু ২০ টা আৰক্ষী চকীও স্থাপন কৰা হ'ব। অসম CID ৰ মূখ্য কাৰ্য্যালয়ত এটি Cyber Crime কোষ খোলা হ'ব। আমাৰ ৰাজ্যত বৰ্ত্তমান ৩২৪ টা আৰক্ষী থানা আৰু ২০৩ টা আৰক্ষী চকী আছে। ২০১০-১১ বিত্তীয় বৰ্ষৰ ভিতৰত গুৱাহাটী মহানগৰীৰ প্ৰতিখন থানাত আৰক্ষীৰ সংখ্যা ৮০ লৈ বৃদ্ধি কৰা হ'ব। গাওঁ অঞ্চলৰ আৰক্ষী থানা সমূহত ৪০ জনলৈ, চহৰ অঞ্চলৰ আৰক্ষী থানা সমূহত ৬৫ জনলৈ আৰু জিলা সদৰ থানা সমূহত আৰক্ষীৰ সংখ্যা পৰ্য্যায়ক্ৰমে ৮০ জনলৈ বৃদ্ধি কৰাৰ ব্যৱস্থা কৰা হৈছে ।

১২.৩ অত্যাধুনীক কৌশলেৰে সংঘটিত কৰা অপৰাধসমূহ ৰোধ কৰাৰ উদ্দেশ্যে এটি আঞ্চলিক ফৰেনচিক্ লেবেৰেটৰী আৰু ৰাজ্যৰ বিভিন্ন ঠাইত মাওলিক লেবেৰেটৰী স্থাপন কৰা হ'ব। এনে ধৰণৰ

অপৰাধৰ তদন্ত সুচল কৰাৰ বাবে উন্নত মানৰ আধুনিক সা-সৰঞ্জাম যোগান ধৰা হ'ব।

১২.৪ ৰাজ্যৰ কাৰাগাৰ সমূহৰ আন্তঃগাঠনি সমূহৰ মান ও উন্নত কৰাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হব। চলিত বিত্তীয় বৰ্ষত ৰাজ্যৰ ৫টা কাৰাগাৰত দুমহলীয়া বেৰেক নিৰ্মণৰ কাম আৰম্ভ কৰা হৈছে। অহা বিত্তীয় বৰ্ষত ইয়াক সম্পূৰ্ণ কৰা হ'ব আৰু আন ৫টা কাৰাগাৰত দুমহলীয়া বেৰেক নিৰ্মাণৰ কাম আৰম্ভ কৰা হ'ব। ইয়াৰ বাবে ২০১০-১১ বিত্তীয় বৰ্ষৰ বাজেটত ১ কোটি ৪৫ লাখ টকা ধাৰ্য্য কৰা হৈছে।

## ১৩। সীমান্তৱৰ্ত্তী অঞ্চল উন্নয়ণ ঃ

অসমৰ আন্তঃৰাষ্ট্ৰীয় আৰু আন্তঃৰাজ্যিক সীমামূৰীয়া অঞ্চল সমূহ অতি দুৰ্গম, আওহতীয়া আৰু পিচপৰা। এই অঞ্চল বোৰৰ যাতায়ত ব্যৱস্থা এতিয়াও অনুন্নত হৈ আছে। এই অনগ্ৰসৰতা আৰু দুৰ্গমতাৰ সুযোগ লৈ বিভিন্ন উগ্ৰপন্থী সংগঠনে এনে অঞ্চল বোৰত বাহৰ পাতে। সেয়েহে এই সীমামুৰীয়া অঞ্চল বোৰৰ সৰ্বাঙ্গীন উন্নয়ণক মই অগ্ৰাধিকাৰ দিছো। বিশেষকৈ স্বাস্থ্য সেৱা, শিক্ষা, বিশুদ্ধ খোৱাপানী যোগান, অনাময় আৰু নিষ্কাষণ, পথ নিৰ্মাণ, বিজুলী যোগান আৰু কৰ্ম সংস্থাপনৰ ওপৰত অধিক গুৰুত্ব দিয়া হব। ত্ৰয়োদশ বিত্তীয় আয়োগে অসমৰ সীমান্তৱৰ্ত্তী অঞ্চল সমূহৰ উন্নয়ণৰ বাবে ২৩০ কোটি টকাৰ অনুদান দিছে। ইয়াৰ উপৰিও ৰাজ্য চৰকাৰে পৰিকল্পনা আৰু অন্যান্য শিতানৰ অধীনত নিজৰ উৎসৰ পৰাও পূঁজিৰ যোগান ধৰিব ।



## ১৪। ষষ্ঠ অনুসূচীৰ জিলা আৰু অন্যান্য স্বায়ত্ব শাষিত পৰিষদ সমূহ ঃ

### ১৪.১ পাৰ্বত্য অঞ্চল ঃ

মোৰ চৰকাৰ দুয়োখন পাৰ্ব্যত্য জিলাৰ সৰ্বাঙ্গীন উন্নয়ণৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদ আৰু উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব শাসিত পৰিষদলৈ ২০১০-১১ চনৰ বছৰটোৰ বাবে বাৰ্ষিক পৰিকল্পনাৰ অধীনত যথাক্ৰমে ২৩৯.৮০ কোটি আৰু ১০৪.১১ কোটি টকা আগবঢ়োৱা হৈছে । মোৰ চৰকাৰে অসম পাৰ্বত্য বিশ্ববিদ্যালয়, অসম পাৰ্বত্য চিকিৎসা মহাবিদ্যালয় তথা গবেষণা প্ৰতিষ্ঠান আৰু অসম পাৰ্বত্য অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপনৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে । অনুৎপাদনশীল ঝুমখেতিৰ ফলত উদ্ভৱ হোৱা প্ৰত্যাহনৰ সন্মুখীন হোৱাৰ উদ্দেশ্যে স্থানান্তৰিত কৃষি ব্যৱস্থাৰ অঞ্চল সমূহত সংহত ঝুমীয়া উন্নয়ন আঁচনি আৰু জলচ্ছেদ উন্নয়ন প্ৰকল্পৰ অধীনত কৃষি অৰ্থনৈতিক কাম কাজ সমূহক উৎসাহিত কৰি থকা হৈছে । এই পাৰ্বত্য জিলা দুখনত পথ আৰু দলং জলসিঞ্চন,জলসম্পদ ,জনস্বাস্থ্য কাৰিকৰী, স্বাস্থ্য আৰু ক্ৰীড়াৰ বিভিন্ন আঁচনিসমূহ ৰূপায়নৰ বাবে ভাৰত চৰকাৰে ৬৭কোটি টকাৰ মঞ্জুৰী দিছে।

### ১৪.২ বড়োলেণ্ড স্বায়ত্ত শাসিত পৰিষদ (বি টি চি) ঃ

মাননীয় সদস্যসকল অৱগত যে ৰাজ্যিক নিৰ্ব্বাচন আয়োগে যোৱা ১১ মাৰ্চ তাৰিখে বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্ব্বাচনী অধিসূচনা জাৰি কৰিছে। সেইবাবে আজিৰ এই বাজেট ভাষণত

বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদৰ বিষয়ে কোনো আলোচনা নকৰাটোৱেই সমিচীন হব বুলি মই ভাবো।

**১৪.৩ অন্যান্য স্বায়ত্ত পৰিষদ সমূহ ঃ**

বিভিন্ন থলুৱা জনগোষ্ঠী সমূহৰ সবাঙ্গীন আৰ্থ-সামাজিক উন্নয়নৰ প্ৰতি মোৰ চৰকাৰ সদায় দায়বদ্ধ । এই উন্নয়নৰ উদ্দেশ্য আগত ৰাখিয়েই ৬ খন বিধিসন্মত স্বায়ত্ব পৰিষদ ইতিমধ্যে গঠন কৰা হৈছে। সেই কেইখন হ'ল - ৰাভা হাচং, মিচিং, তিৱা, সোণোৱাল কছাৰী, ঠেঙাল কছাৰী আৰু দেউৰী স্বায়ত্ব শাসিত পৰিষদ। ২০১০-১১ বৰ্ষত এই ৬ খন স্বায়ত্ব পৰিষদৰ বাবে সৰ্বমুঠ ১১৭.৮৫ কোটি টকা আবন্টন দিয়া হৈছে । পৰিশিষ্ট-২ত প্ৰত্যেকখন পৰিষদৰ বিপৰীতে আবন্টিত ধনৰ পৰিমাণ দেখুৱা হৈছে।

**১৪.৪ অন্যান্য সাতখন উন্নয়ন পৰিষদ ঃ**

মৰাণ, মটক, আহোম, চুটীয়া, কোচ ৰাজবংশী, চাহ-জনজাতি আৰু গোৰ্খা সকলৰ কাৰণেও আন সাতখন উন্নয়ন পৰিষদ স্থাপন কৰিবলৈ লোৱা হৈছে আৰু চলিত বিত্তীয় বৰ্ষতে এই পৰিষদ কেইখন কাৰ্য্যক্ষম কৰি তোলা হব । ইয়াৰ ওপৰিও শৰণীয়া কছাৰী আৰু আমৰি কাৰ্বিসকলৰ বাবেও উন্নয়ন পৰিষদ গঠনৰ প্ৰস্তাৱ মই আগবঢ়াইছো আৰু এই পৰিষদ সমূহৰ বাবে ২০১০-১১ চনৰ বাজেটত ১০ কোটি টকা ধাৰ্য্য কৰা হৈছে ।

**১৫। জনজাতি উপ-পৰিকল্পনা আৰু অনুসূচীত জাতিৰ উপ-পৰিকল্পনা ঃ**

জনজাতি আৰু অনুসূচীত জাতিৰ উন্নয়ণৰ বাবে জনজাতি উপ-পৰিকল্পনা আৰু অনুসূচীত জাতিৰ উপ-পৰিকল্পনা অতিশয়



গুৰুত্বপূৰ্ণ। ২০০৬-০৭, ২০০৭-০৮ আৰু ২০০৮-০৯ চনত এই দুয়োখন উপ-পৰিকল্পনা অধীনত ব্যৱহৃত নোহোৱা পুঁজিৰ মুঠ ৯৫.৮১ কোটি টকা চলিত বছৰতে মঞ্জুৰী দিয়া হৈছে। এতিয়াৰ পৰা এই দুখন উপ-পৰিকল্পনাৰ অধীনত অব্যৱহৃত পুঁজিসমূহ বিত্তীয় বৰ্ষ শেষ হলেও বিলোপ হবলৈ দিয়া নহব। পৰিষদৰ এলেকাত বসবাস কৰা জনজাতি সকলৰ কল্যাণৰ বাবে ২০১০-১১ বাজেটত জনজাতি উপ-পৰিকল্পনাৰ অধীনত ৪৮.৬৬ কোটি টকা আৰু অনুসূচীত জাতি উপ-পৰিকল্পনাৰ অধীনত ১২৭.৫২ কোটি টকাৰ প্ৰস্তাৱ ৰখা হৈছে। চলিত বছৰতে অসম ভৈয়াম উন্নয়ণ নিগমৰ কৰ্মচাৰী সকলৰ অনাদায় হৈ থকা ভবিষ্যনিধিঁ, দৰমহা আৰু বকেয়া পৰিশোধৰ বাবে ১.৭০ কোটি টকাৰ বিত্তীয় সাহায্য আগবঢ়োৱা হৈছে।

**১৬। চাহ জনজাতি কল্যাণ ঃ**

মোৰ চৰকাৰে চাহ জনজাতিৰ কল্যাণৰ অৰ্থে পাৱাৰ টিলাৰ, পাম্প চেট, প্ৰাক প্ৰবেশিকা আৰু প্ৰবেশিকা পৰীক্ষাৰ পিচৰ জলপানী বিতৰণ, চাহ বনুৱাৰ ঘৰত ইলেকট্ৰিক মিটাৰ স্থাপন, বেচৰকাৰী শৈক্ষিক প্ৰতিষ্ঠান আৰু বে-চৰকাৰী সন্থাবোৰলৈ মঞ্জুৰী, শিক্ষামূলক ভ্ৰমণ, দুৰাৰোগ্য ব্যাধিত আক্ৰান্ত ৰোগীক সাহায্য, পাঠ্যপুথি আৰু ইউনিফৰ্ম ক্ৰয়, গুৱাহাটীত ছাত্ৰাবাস, ছাত্ৰী নিবাস আৰু জিৰণি ঘৰ তথা সাংস্কৃতিক কেন্দ্ৰ নিৰ্মাণকে ধৰি সাংস্কৃতিক কাম কাজৰ বাবে মঞ্জুৰী প্ৰদান আদিকে ধৰি পৰিয়ালমূখী উপাৰ্জন সৃষ্টিকাৰী আঁচনিবোৰ ৰূপায়ণ কৰি আছে। ক্ৰীড়াৰ বিকাশ আৰু যুৱকল্যাণ আঁচনি, উচ্চ শিক্ষা আৰু বৃত্তিমূখী শিক্ষাৰ কাৰণে বিত্তীয় সাহাৰ্য্য, অষ্টম শ্ৰেণীৰ পৰা ওপৰলৈকে দৰিদ্ৰ শ্ৰেণীৰ মাজত চাইকেল আৰু প্ৰবেশিকা পৰীক্ষাৰ অন্তত দ্বিতীয় শ্ৰেণীত উত্তীৰ্ণ হোৱা ছাত্ৰ ছাত্ৰীৰ

মাজত সৌৰচাকী বিতৰণৰ নিচিনা বহুতো নতুন নতুন আঁচনি পবৰ্ত্তন কৰা হৈছে। এই সমূহৰ উপৰিও সম্পূৰ্ণ অনাময় আঁচনি, খোৱাপানীৰ যোগান আঁচনি আৰু ৫০ টা নিপুণতা আৰু পটুতা উন্নয়ণ প্ৰশিক্ষণ কেন্দ্ৰ স্থাপনৰ কামো হাতত লোৱা হ'ব। মই চাহ জন-জাতি যুৱকসকলৰ বাণিজ্য বিষয়ক আৰু কৰ্ম ভিত্তিত পাৰদৰ্শিতা চিনাক্ত কৰি সেই অনুসাৰে তেওঁলোকৰ কৰ্মদক্ষতা বৃদ্ধিৰ বাবে সা-সৰঞ্জামৰ টোপোলা প্ৰদান কৰাৰ প্ৰস্তাৱ কৰিছো। ই তেওঁলোকৰ কৰ্মদক্ষতা বৃদ্ধি কৰিব।

**১৭। সংখ্যালঘু সকলৰ কল্যাণ ঃ**

১৭.১ সৰ্বাত্মক উন্নয়ণৰ কথাটো নিৰ্ভৰ কৰে সংখ্যালঘূ সকলৰ আৰ্থসামাজিক অৱস্থাৰ উন্নয়ণৰ মাত্ৰাৰ ওপৰতহে। সেয়ে, আমাৰ ৰাজ্যখনত সংখ্যালঘূ সকলৰ সেৱাৰ্থে ১৩ খন জিলাত মাল্টিচেক্টৰেল ডিষ্ট্ৰিক ডেভলপ্‌মেন্ট প্লেনকে ধৰি কেইবাখনো কেন্দ্ৰীয় চৰকাৰৰ কল্যাণকামী আঁচনি ৰূপায়ণ কৰি থকা হৈছে।

১৭.২ ২০১০-১১ বৰ্ষত কৃষি পাম যান্ত্ৰিকীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হব। ইয়াৰ বাবে দৰিদ্ৰ হিতাধীকাৰীসকলৰ মাজত ১২৪ টা পাৱাৰ টিলাৰ, ৬৬৫ টা পাম্প্‌চেট আৰু ৫০০০ টা হস্ত চালিত টিউবৱেল বিতৰণৰ প্ৰস্তাৱ ৰখা হৈছে।

১৭.৩ সংখ্যালঘু সম্প্ৰদায়ৰ যুৱকৰ আত্মনিয়োগ আৰু ভাষিক সংখ্যালঘু সম্প্ৰদায়ৰ মহিলাসকলৰ কল্যাণৰ অৰ্থে প্ৰৰ্য্যাপ্ত পূঁজিৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্য চৰকাৰে হজ ভৱন নিৰ্মাণৰ কাৰণে জালুকবাৰীত ভূমি আৱন্টন দিছে আৰু ভৱন নিৰ্মাণৰ প্ৰাৰম্ভিক কাম ইতিমধ্যে আৰম্ভ কৰা হৈছে।



**১৮। চৰ অঞ্চল উন্নয়ণ ঃ**

চৰ অঞ্চলবোৰৰ নিজা নিজা বিশেষ সমস্যা আছে। আগন্তুক বছৰটোত চৰ অঞ্চলত খোৱা পানী যোগান, স্বাস্থ্যৰক্ষাৰ সা-সুবিধা, শৈক্ষিক দিশত সা-সুবিধা, অপৰম্পৰাগত উৎসৰ জৰিয়তে বিদ্যুৎ যোগান, পথ যোগাযোগ ব্যৱস্থাৰ উন্নয়ণ আদি আঁচনিবোৰে গুৰুত্ব লাভ কৰিব।

**১৯। নিৱনুৱা সমস্যা ঃ**

সম্প্ৰতি নিৱনুৱা সমস্যাটো এক উদ্বেগৰ কাৰণ হৈ আছে । ই কেৱল অমূল্য মানৱ সম্পদৰ অপচয়য়ে নহয়, এক গুৰুতৰ সামাজিক সমস্যাও । নিৱনুৱা সমস্যাটো আমাৰ যুৱক সকলৰ মাহত অসন্তোষ আৰু অস্থিৰতাৰ কাৰক হৈ পৰিছে । সম্প্ৰতি আমাৰ ৰাজ্যখনত ১৩ লাখৰো অধিক শিক্ষিত নিৱনুৱা যুৱককে ধৰি ২০ লাখৰো অধিক নিৱনুৱা যুৱক আছে । এমপ্লইমেন্ট জেনেৰেশ্যন মিচ্যনৰ সামগ্ৰিক নিৰীক্ষণৰ অধীনত বিভিন্ন বিভাগে নিয়োগ সুবিধা সৃষ্টিকাৰী আঁচনি ৰূপায়ণ কৰি আছে । চলি থকা আঁচনিবোৰ অধিক গুৰুত্ব সহকাৰে চলোৱা হ'ব আৰু ২০১০-১১ বৰ্ষত মই স্পেচিয়েল এমপ্লইমেন্ট জেনেৰেশ্যন প্ৰগ্ৰেম নামৰ নতুন আঁচনিখন ৰূপায়ণ কৰাত গুৰুত্ব দিম যাতে যুৱকসকলৰ কাৰণে লাভজনক নিয়োগ সুবিধা সৃষ্টি কৰিব পৰা যায় । এই আঁচনিৰ কাৰণে ২০০ কোটি টকাৰ আবন্টন দিয়া হৈছে । নিয়োগ সুবিধা সৃষ্টিৰ কাৰণে সম্পদ বৃদ্ধি কৰিবলৈকে মই প্ৰতিষ্ঠানিক বিত্ত আৰু অন্যান্য উৎস সংগ্ৰহ কৰাৰ প্ৰস্তাৱ কৰিছো । এই উদ্দেশ্যে মই এটা এমপ্লইমেন্ট জেনেৰেশ্যন ফাইনানচিয়েল কৰ্পৰেশ্যন সৃষ্টি কৰাৰো প্ৰস্তাৱ কৰিছো ।

## ২০। শিক্ষা ঃ

২০.১ সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ প্ৰধান দুখন আঁচনি হ'ল সৰ্বশিক্ষা অভিযান আৰু মধ্যাহ্ন ভোজন আঁচনি। এই দুখন গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় আঁচনি ৰাজ্যখনত ফলপ্ৰসুভাবে ৰূপায়ণ কৰাৰ বাবে মোৰ চৰকাৰে পূৰ্ণ সমৰ্থন দি আহিছে। ইয়াৰ বাবে ৰাজ্যিক অংশৰ প্ৰয়োজনীয়তাখিনি সম্পূৰ্ণকৈ যোগান ধৰাৰ বাবে বাজেটত আৱশ্যকীয় পূঁজিৰ ব্যৱস্থা কৰা হৈছে। প্ৰাথমিক শিক্ষাৰ মান উন্নত কৰাৰ বাবেও গুৰুত্ব দিয়া হৈছে। লগতে প্ৰয়োজনীয় স্থানত নতুন বিদ্যালয় স্থাপনৰ ব্যৱস্থা কৰা হৈছে।

২০.২ মাধ্যমিক শিক্ষা, বৃত্তিগত শিক্ষা আৰু মাদ্ৰাছা শিক্ষাৰ বাবেও পৰ্য্যাপ্ত পূঁজিৰ ব্যৱস্থা কৰা হ'ব। এই দিশতো সংখ্যাৰ পৰিবৰ্তে গুণগত শিক্ষাৰ উন্নতিকৰণত মই গুৰুত্ব অধিক দিম।

২০.৩ আহিবলগীয়া দিনবোৰত গোলকীয় অৰ্থনীতি হৈ পৰিব অধিকৰ পৰা অধিকতৰ প্ৰজ্ঞাৰ অৰ্থনীতি। উচ্চ শিক্ষাৰ সৰ্বাত্মককৰণ প্ৰক্ৰিয়াটো এতিয়া এটা গোলকীয় পৰিঘটনা হৈ পৰিছে। নিয়োগৰ ক্ষেত্ৰত সমগ্ৰ পৃথিৱীজুৰি ডিগ্ৰীধাৰী আৰু ইয়াৰ ওপৰৰ শিক্ষিত লোকৰ সংখ্যা দ্ৰুত গতিত বৃদ্ধি পাব ধৰিছে । সেই বাবে মই বিশ্ববিদ্যালয়, অভিযান্তিক মহাবিদ্যালয়, চিকিৎসা মহাবিদ্যালয় আৰু অন্যান্য তেনে ধৰণৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান স্থাপনৰ ওপৰত অধিক গুৰুত্ব দিছো। ৰাজ্যখনত কেইখনমান ব্যক্তিগত খণ্ডৰ অভিযান্ত্ৰিক মহাবিদ্যালয়েও তেওঁলোকৰ কামকাজ ইতিমধ্যে আৰম্ভ কৰি দিছে। বেচৰকাৰী বিশ্ববিদ্যালয় বিধিখন বলবৎ কৰাৰ পিছত কেইখনমান বেচৰকাৰী বিশ্ববিদ্যালয় স্থাপনৰ বাবে আমি অনুমতি দিছো। বিগত সপ্তাহটোৰ ৯ মাৰ্চৰ দিনা গুৱাহাটীত টাটা এণ্ড চঞ্চৰ অধ্যক্ষ শ্ৰীৰতণ



টাটাই টাটা ইন্সটিটিউট অৱ চ'চিয়েল চায়েঞ্চৰ আধাৰশিলা স্থাপন কৰে। অসমত ফেচন টেকন'লজিৰ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান আৰু ডিজাইনিংৰ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান খন স্থাপন কৰাৰ বাবে মই কেন্দ্ৰীয় চৰকাৰৰ সৈতে যোগাযোগ কৰি আছো। মই আশা কৰো যে এনে ধৰণৰ বিশ্বমানৰ আৰু ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ অধিক শিক্ষা প্ৰতিষ্ঠান ৰাজ্যখনলৈ আনিবলৈ সক্ষম হম।

২০.৪ নতুন অভিযান্ত্ৰিক মহাবিদ্যালয়সমূহ স্থাপনৰ উপৰিও আমি ২০০৯-১০ শৈক্ষিক বৰ্ষৰ পৰা যোৰহাট অভিযান্তিক মহাবিদ্যালয় আৰু গুৱাহাটী অসম অভিযান্তিক মহাবিদ্যালয়ৰ আসনৰ সংখ্যা ৫৯০ খনৰ পৰা ৭৩৫ খনলৈ বঢ়াবলৈ সমৰ্থ হৈছো। ২০০৯-১০ বৰ্ষৰ শৈক্ষিক বছৰৰ পৰা যথাক্ৰমে ১৬৫, ২৪০ খন আৰু ১২০ খন আসনেৰে গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু যোৰহাট চাইঞ্চ কলেজত অভিযান্ত্ৰিক পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে। ইয়াৰ উপৰিও অসমত ৪ খন ব্যক্তিগত খণ্ডৰ অভিযান্ত্ৰিক মহাবিদ্যালয়ো স্থাপন হৈছে । তেওঁলোকৰ মুঠ আসনৰ সংখ্যা হৈছে ১০৬০। এনেদৰে ৰাজ্যখনত ইঞ্জিনিয়াৰিং কলেজৰ আসনৰ সংখ্যা কেইটিমান বছৰৰ ভিতৰতে ৫৯০ খনৰ পৰা ২৩২০ খন হৈছেগৈ।

২০.৫ মই আগৰ বাজেট ভাষণত মুম্বাইৰ এচ,এন ডি টি মহিলা বিশ্ব বিদ্যালয়ৰ আৰ্হিত এখন মহিলা বিশ্ব বিদ্যালয় স্থাপনৰ কথা উল্লেখ কৰিছিলো। ইয়াৰ বাবে জালুকবাৰীৰ অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ প্ৰাংগনৰ কাষতে ৩০ বিঘা মাটিৰ এটি স্থান বাচনি কৰা হৈছে। কাম কাজ আৰম্ভ কৰাৰ বাবে ইতিমধ্যে ১ কোটি টকা ধাৰ্য্য কৰা হৈছে। এই বিশ্ববিদ্যালয়খনৰ নাম হ'ব ৰাজীৱ গান্ধী মহিলা বিশ্ববিদ্যালয়।

**২১। কলা আৰু সংস্কৃতি ঃ**

২০১০-১১ বৰ্ষত কলা সংস্কৃতিৰ সৈতে জড়িত কেবাখনো আঁচনি ৰূপায়ণ কৰিবলৈ লোৱা হৈছে । এই সমূহৰ ভিতৰত নাজিৰাত স্থাপন কৰিবলৈ লোৱা বহুমুখী সাংস্কৃতিক প্ৰকল্প, সোণাপুৰত স্থাপন কৰিবলৈ লোৱা উত্তৰ-পূৱ জনজাতি সংগ্ৰহালয় আৰু সাংস্কৃতিক কেন্দ্ৰ, নাৰায়ণপুৰত মাধৱদেৱ কলাক্ষেত্ৰ আৰু চাংসাৰীত স্থাপন কৰিবলৈ লোৱা জ্যোতি চিত্ৰবন ফিল্ম এণ্ড টিভি ইনষ্টিটিউত আদি প্ৰধান। তাৰোপৰি ৰাজ্যৰ বিভিন্ন ঠাইত কেবাটাও সাংস্কৃতিক প্ৰকল্প স্থাপন কৰা হব। আগন্তুক বিত্তীয় বৰ্ষত জ্যোতি-বিষ্ণু সাংস্কৃতিক বিশ্ববিদ্যালয় আৰু অসম সঙ্গীত একাডেমী স্থাপন কৰাৰ বাবে ২ কোটি টকা আগবঢ়াবলৈ মই প্ৰস্তাৱ কৰিছো। ইয়াৰ ওপৰিও পুৰাতাত্বিক স্থান, কীৰ্ত্তি চিহ্ন, উদ্যান আৰু ঐতিহ্যপূৰ্ণ স্থানৰ সংগ্ৰাহলয় সমূহৰ উন্নয়ণ সাধনৰ বাবে মই প্ৰস্তাৱ কৰিছো । শংকৰদেৱ কলাক্ষেত্ৰৰ চৌহদত এটা ৰাজ্যিক কেন্দ্ৰীয় পুথিভৰাঁলৰো প্ৰস্তাৱ কৰা হৈছে। ২০১০-১১ বৰ্ষৰ বাজেটত মই শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰ, অসম ৰাজ্যিক চলচিত্ৰ বিত্তীয় নিগম আৰু জ্যোতি চিত্ৰবন ফিল্ম ষ্টুডিও'ৰ বাৰ্ষিক মঞ্জুৰী বৃদ্ধি প্ৰস্তাৱ কৰিছো।

**২২। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ঃ**

মোৰ চৰকাৰে ২০০১ চনৰ পৰা স্বাস্থ্য খণ্ডত সংস্কাৰ সাধনৰ কাম আৰম্ভ কৰিছে আৰু ইয়াৰ সুফল এতিয়া পৰিলক্ষিত হৈছে। ২০০৪ চনত আমাৰ ৰাজ্যখনত গৰ্ভৱতী মাতৃৰ মৃত্যুৰ হাৰ (এম এম আৰ) আছিল ১ লাখ প্ৰসৱৰ বিপৰীতে ৪৮০ টা । ২০০৯ চনত ইয়াৰ সংখ্যা ৩৩০ টালৈ হ্ৰাস পায়। একেদৰে শিশুৰ মৃত্যুৰ হাৰ (আই এম আৰ) প্ৰতি ১০০০টি শিশুৰ জন্মৰ বিপৰীতে ২০০১



চনৰ ৬৪ টাৰ পৰা ২০০৯ চনত ৪৬ টা লৈ হ্ৰাস পায়। অসমৰ ৰাইজলৈ, বিশেষকৈ গাঁৱত বাস কৰা লোকসকললৈ, স্বাস্থ্য সেৱা আৰু অধিক সহজ লভ্য তথা কম খৰচতে পাব পৰা কৰি তুলিবলৈ আমি হাতত লোৱা প্ৰচেষ্টাসমূহ অব্যাহত থাকিব। এই দিশত ৰাজ্যখনৰ নদী কাষৰীয়া এলেকা সমূহত ৫০ খন নতুন চিকিৎসালয় স্থাপন কৰিবলৈ মই প্ৰস্তাৱ কৰিছো। প্ৰথম পৰ্য্যায়ত মোৰ চৰকাৰে ৫০ টা বিধান সভা সমষ্টিত ৫০ খন আদৰ্শ চিকিৎসালয় সোনকালে স্থাপন কৰিব। আমি ডিব্ৰুগড় জিলাৰ নাহৰকটিয়াত, যোৰহাট জিলাৰ মাজুলীত আৰু কামৰূপ জিলাৰ সোণাপুৰত তিনিখন নতুন জিলা চিকিৎসালয় স্থাপন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছো। আমি আশা কৰিছো যে ২০১০ চনৰ এপ্ৰিল মাহত (এম চি আই) ৰ পৰিদৰ্শণৰ পিছত যোৰহাট চিকিৎসা মহাবিদ্যালয়কখনে পূৰ্ণাঙ্গ ৰূপত কাম কাজ আৰম্ভ কৰিব। বৰপেটা আৰু তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ গৃহ নিৰ্মাণৰ কাম কাজ সমূহ পূৰ্ণোদ্যমে চলি আছে।

২২.২ ১০৪ নামৰ ২৪ ঘন্টাই উপলব্ধ স্বাস্থ্য সেৱাৰ আঁচনিখনৰ কাম-কাজো আমি আৰম্ভ কৰিম, যিখন আঁচনিৰ দ্বাৰা জনসাধাৰণে যিকোনো সময়তে স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত সহায় লাভ কৰিব পাৰিব। ৰাজ্যখনত মেলেৰীয়া আৰু টি. বি.ৰ নিচিনা ৰোগসমূহৰ নিয়ন্ত্ৰণত আমি সন্তোষজনকভাবে অগ্ৰগতি লাভ কৰিছো। আটাইকেইখন জিলাতে বৰ্ত্তমানে কাম কৰি থকা জিলা পৰ্য্যায়ৰ ভ্ৰাম্যমান চিকিৎসা গোট (এম এম ইউ) উপৰিও ২৮ টা মহকুমাটো আমি এই সেৱা আৰম্ভ কৰিম।

## ২৩। জনস্বাস্থ্য ঃ

২৩.১ মোৰ চৰকাৰে বিশুদ্ধ খোৱাপানী উপলব্ধৰ ক্ষেত্ৰত প্ৰদান কৰি অহা অগ্ৰাধিকাৰ অব্যাহত থাকিব। ২০১০-১১ বৰ্ষৰ সময়ছোৱাত গ্ৰাম্যাঞ্চলৰ সকলোবোৰ নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়লৈ খোৱাপানীৰ যোগান ধৰাৰ প্ৰস্তাৱ লোৱা হৈছে। মুখ্যমন্ত্ৰীৰ অসম বিকাশ যোজনাৰ অধীনত ভিতৰুৱা গাঁও, চৰ অঞ্চল, অসম চাহ নিগমৰ অধীনৰ বাগান আৰু অনুসূচীত জাতি তথা অনুসূচীত জনজাতিৰ লোকে বাস কৰা এলেকা সমূহলৈ বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা কৰাৰ অৰ্থে কেইবাখনো পাইপেৰে পানী যোগান ধৰা আঁচনি আৰু ঠাইতে পোৱা উৎসৰ পানী যোগান আঁচনি হাতত লোৱা হৈছে।

২৩.২ চাৰিটা নতুন জিলা পৰ্য্যায়ৰ পানী পৰীক্ষা কৰা পৰীক্ষাগাৰ আৰু ৪০ টা নতুন মহকুমা পৰ্য্যায়ৰ পৰীক্ষাগাৰ স্থাপন কৰা হ'ব। খোৱাপানীত থকা বিজানু চিনাক্তকৰণৰ বাবে বৰ্তমানে থকা পৰীক্ষাগাৰসমূহ অধিক শক্তিশালী কৰা হ'ব। ৰাষ্ট্ৰীয় গ্ৰাম্য খোৱাপানীৰ গুণগত নিৰিক্ষণ আৰু পৰ্য্যবেক্ষণ আঁচনিৰ অধীনত প্ৰশিক্ষণ দান অব্যাহত ৰখা হ'ব। জলমনি আঁচনিৰ অধীনত ৩৫২৪ খন বিদ্যালয়ত পানী বিশুদ্ধকৰণ প্ৰণালী স্থাপন কৰা হ'ব। প্ৰতিঘৰ মানুহলৈ ফলপ্ৰসু অনাময়ৰ সুবিধা আগবঢ়োৱাৰ অৰ্থে বৰ্ত্তমান অসমৰ আটাইকেইখন জিলাতে সম্পূৰ্ণ অনাময় আঁচনিখনৰ ৰূপায়ণৰ কাম চলি আছে। সম্পূৰ্ণ পৰিবেশমূলক অনাময়ৰ বাবে ২৪ খন পঞ্চায়তলৈ নিৰ্মল গ্ৰাম পুৰস্কাৰ আগবঢ়োৱা হৈছে। ২০১২ চনৰ ভিতৰত সম্পূৰ্ণ অনাময়ৰ লক্ষ্যত উপনীত হোৱাৰ বাবে দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা লোকৰ বাবে ব্যক্তিগত গৃহত শৌচাগাৰ



আৰু ৰাজহুৱা চেনিটেৰী প্ৰকল্পৰ নিৰ্মাণৰ কাম হাতত লবলৈ প্ৰস্তাৱ কৰা হৈছে।

## ২৪। কৃষি ঃ

২৪.১ কৃষি আৰু ইয়াৰ আনুসঙ্গীক কাম-কাজসমূহৰ উন্নয়নৰ প্ৰতি মোৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। বিগত বৰ্ষৰ বাজেটত মই প্ৰতিশ্ৰুতি দিয়া ধৰণে ৰাজ্যখনক খাদ্য উৎপাদনৰ ক্ষেত্ৰত স্বাৱলম্বী কৰিবৰ বাবে উন্নতমানৰ বীজ আৰু কৃষি যান্ত্ৰিকীকৰণ ব্যৱস্থা হাতত লোৱা আৰু ধান, ঘেহু, মাকৈ আৰু মাহ জাতীয় শস্য তথা তৈল বীজ উৎপাদনৰ ক্ষেত্ৰত উন্নত প্ৰযুক্তি প্ৰয়োগৰ দ্বাৰা বিস্তৃত কৃষি ব্যৱস্থাৰ ওপৰত বিশেষ জোৰ দিয়া হৈছে। জলবায়ু পৰিবৰ্ত্তনৰ ৰাষ্ট্ৰীয় কৰ্ম আঁচনিৰ অনুমোদনাৱলীৰ ভিত্তিত চৰকাৰে উৎপাদন হ্ৰাস ৰোধ কৰিবলৈ পদক্ষেপ লোৱাৰ বাবে সিদ্ধান্ত লৈছে আৰু গোটেই বছৰ জুৰি কৃষি শস্যৰ জৰিয়তে সম্পূৰ্ণ সেউজীকৰণ কৰিবলৈ বিচৰা হৈছে। সন্মানীয় সদস্যসকলে এইটো জানিবলৈ পাই সুখী হ'ব যে কৃষিখণ্ডত আমি লোৱা পদক্ষেপ সমূহে ইতিবাচক ফলাফল দেখুৱাব ধৰিছে। ৰাজ্যখনৰ খাদ্য শস্যৰ উৎপাদন ২০০৭-০৮ চনৰ ৩৪.৬৭ লাখ মেট্ৰিকটনৰ বিপৰীতে ২০০৮-০৯ চনত ৪২.৪৫ লাখ মেট্ৰিকটনলৈ বৃদ্ধি পাইছে। ২০০৯-১০ বৰ্ষৰ বাবে আমি ৪৬ লাখ মেট্ৰিকটন খাদ্য শস্যৰ উৎপাদনৰ লক্ষ্য ধাৰ্য্য কৰিছো। ধুবুৰীত শৰৎ চন্দ্ৰ সিংহ কৃষি মহাবিদ্যালয় স্থাপনৰ কাম সম্পূৰ্ণ কৰিবলৈ প্ৰয়োজনীয় সকলো কাৰ্য্যব্যৱস্থা লোৱা হৈছে। মই আশাকৰো যে উন্নত কৃষি প্ৰযুক্তি প্ৰদান আৰু কৃষকলৈ কৃষিকৰ্মৰ তথ্যজ্ঞান প্ৰদানৰ ক্ষেত্ৰত এই অনুষ্ঠানে এক সুদুৰ প্ৰসাৰী প্ৰভাৱ পেলাব।

২৪.২ বীজ উৎপাদনৰ ক্ষেত্ৰত অসম এতিয়ালৈকে স্বাৱলম্বী হৈ উঠা নাই। আমাৰ বহুসংখ্যক বীজ পাম সম্পূৰ্ণকৈ ব্যৱহাৰ কৰা হোৱা নাই। বৰ্ত্তমানে থকা চৰকাৰী বীজ পামসমূহক প্ৰয়োজন সাপেক্ষে পি পি পি আৰ্হিৰ জৰিয়তে সম্পূৰ্ণকৈ ব্যৱহাৰ কৰাৰ পদক্ষেপ লোৱাৰ বাবে মই প্ৰস্তাৱ কৰিছো। স্থানীয় বীজ কৃষকসকলক উৎসাহিত কৰিবলৈ এখন আঁচনি আৰম্ভ কৰা হ'ব। বীজ প্ৰসানীকৰণ সংস্থাসমূহকো সক্ৰিয় কৰা হ'ব। কৃষি বিকাশৰ বাবে ভূমিৰ গুণগত মানদণ্ড বৰ্ত্তাই ৰখাটো এক অন্যান্য গুৰুত্বপূৰ্ণ প্ৰয়োজন। ভূমিৰ পৰিপুষ্টি বৃদ্ধিৰ বাবে প্ৰয়োজনীয় আঁচনিসমূহ ৰূপায়ণ কৰা হ'ব।

২৪.৩ মহিলা, ভূমিহীন আৰু উপান্ত কৃষকৰ কল্যাণৰ বাবে ট্ৰেক্টৰ, পাৱাৰ টিলাৰ বিতৰণ আৰু কৃষি ভিত্তিক ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰা হব। আমাৰ চৰকাৰে ৰাজ্যৰ শাসনভাৰ গ্ৰহণ কৰাৰ পাচত এতিয়ালৈ ৫১০০ খনৰ অধিক ট্ৰেক্টৰ আৰু ১৫,৬০০ খন পাৱাৰ টিলাৰ বিতৰণ কৰা হৈছে। ১৯৯৬ ৰ পৰা ২০০১ চনৰ এই পাঁচ বছৰীয়া সময়ছোৱাত মাত্ৰ ২২১ খন ট্ৰেক্টৰ আৰু ৫৮২ খন পাৱাৰ টিলাৰ বিতৰণ কৰা হৈছিল। ক্ৰেতা আৰু বিক্ৰেতাৰ সমস্যাসমূহৰ সমাধানাৰ্থে বিক্ৰী কেন্দ্ৰ, উৎপাদক সকলৰ কমিটি আৰু ৰাজ সাহায্যৰ ব্যৱস্থাৰ বাবে প্ৰস্তাৱ লোৱা হৈছে। কৃষক ক্লাব গঠন আৰু কৃষি জ্ঞান তথা অভিজ্ঞতা আহৰণৰ বাবে কৃষকক বাহিৰলৈ ভ্ৰমণ কৰোৱাৰ আঁচনি লোৱা হৈছে। কৃষকসকলৰ কৃষি ঋণৰ সুবিধাকে ধৰি উন্নত কৃষি পদ্ধতি, বজাৰ জ্ঞান আদিৰ বিষয়ে অৱগত কৰিবলৈ কৃষি সম্প্ৰসাৰণৰ ওপৰত জোৰ দিয়া হব। বান পীড়িত, অনুসূচীত জাতি আৰু জনজাতীয় কৃষকসকলৰ উন্নতিৰ বাবে বিশেষ গুৰুত্ব দিয়া হব।



## ২৫। জলসিঞ্চন ঃ

২৫.১ ৰাজ্যখনৰ জলসিঞ্চনৰ সম্ভাৱনীয়তা থকা ২৭ লাখ হেক্টৰ মাটিৰ বিপৰীতে জলসিঞ্চন বিভাগে ২০০৯ চনৰ মাৰ্চলৈ ৭.৩৯ লাখ হেক্টৰ মাটি জলসিঞ্চনৰ সেৱা আগবঢ়াইছে। কেন্দ্ৰীয় খণ্ডৰ জলসিঞ্চন আঁচনি এ আই বি পি ব্যাপক ৰূপত কাৰ্য্যকৰী কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এন এল চি পি আৰ আৰু অন্যান্য উৎসৰ জৰিয়তে অন্যান্য কিছু সংখ্যক জলসিঞ্চন আঁচনিলৈয়ো পুঁজি যোগান ধৰি থকা হৈছে। কিছু সংখ্যক জলসিঞ্চন আঁচনিৰ নিৰ্মাণৰ কামো বহু বছৰ ধৰি অবিৰত ভাৱে চলাই থকা হৈছে। নিৰ্মাণ কাৰ্য্য চলি থকা সকলোবোৰ জলসিঞ্চন প্ৰকল্প আৰু আঁচনিসমূহ খৰতকীয়া ভাবে সম্পূৰ্ণ কৰাৰ ওপৰত আমি গুৰুত্ব প্ৰদান কৰিম। ইয়াৰ বাবে পুঁজিৰ অভাৱ নহ'ব। ঠিক তেনেদৰে মেৰামতি আৰু চোৱাচিতাৰ অভাবৰ বাবে ইতিমধ্যে সম্পূৰ্ণ হোৱা বহুতো জলসিঞ্চন প্ৰকল্প এতিয়া কাৰ্যক্ষম হৈ থকা নাই। চলি থকা সকলোবোৰ জলসিঞ্চন আঁচনি আৰু সকলোবোৰ প্ৰকল্প কাৰ্য্যক্ষম কৰি ৰখাৰ বাবে প্ৰয়োজনীয় পুঁজি মোকলাই দিয়া হ'ব।

২৫.২ ক্ষুদ্ৰ আৰু মজলীয়া জলসিঞ্চন প্ৰকল্প সমূহৰ ওপৰত মই অধিক গুৰুত্ব প্ৰদান কৰিম। আমাৰ পূৰ্বৰ অভিজ্ঞতাৰ পৰা এইটো প্ৰতীয়মান হৈছে যে জলসিঞ্চনৰ বৃহৎ প্ৰকল্পসমূহ আৰম্ভণীৰ পৰা কাৰ্য্যকৰী হোৱালৈ সময়ছোৱা বৰ দীঘলীয়া হয়। এই সমূহত যথেষ্ঠ পৰিমাণৰ মূলধন ব্যবহাৰ হয় আৰু ইয়াৰ পৰিচালনা ব্যয়ো অধিক। আনহাতে ক্ষুদ্ৰ আৰু মজলীয়া জলসিঞ্চন প্ৰকল্পসমূহৰ ব্যয়ৰ তুলনাত লাভৰ অনুপাত অধিক উৎসাহজনক। ক্ষুদ্ৰ আৰু মজলীয়া জলসিঞ্চন

প্ৰকল্পসমূহ সাধাৰণতে স্থানীয় জল উৎসৰ ওপৰত নিৰ্ভৰশীল। সেই হেতুকে ইয়াৰ চোৱা চিতাও স্থানীয় লোকৰ দ্বাৰা সহজে কৰাব পাৰি।

**২৬। পশুপালন আৰু দুগ্ধপাম ঃ**

পশুপালন আৰু পশুচিকিৎসা খণ্ডত মোৰ চৰকাৰৰ প্ৰধান কাম হ'ল মাংস, হাঁহ-কুকুৰা পালন আৰু কণী উৎপাদনৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখনক স্ব-নিৰ্ভলশীল কৰি তোলা। এই উদ্দেশ্য আগত ৰাখি ব্যক্তিগত কৃষক, আত্ম-সহায়কগোট, নিৰনুৱা শিক্ষিত যুৱক আৰু মহিলা সকলৰ হিতাৰ্থে বিভিন্ন আঁচনি ৰূপায়ণ কৰি থকা হৈছে। ২০১০-১১ বৰ্ষৰ বাবে প্ৰস্তাৱ কৰা গুৰুত্বপূৰ্ণ আঁচনিসমূহ হ'ল পশুচিকিৎসা প্ৰতিষ্ঠানবোৰৰ নষ্টহোৱা গাঁথনিবোৰ মেৰামতি কৰা, ডি হাইড্ৰেচন থেৰাপিৰ কাৰণে ঔষধৰ যোগান, খিৰতী গাই বিতৰণ আঁচনি, গো-প্ৰজনন, কৃত্ৰিম বীৰ্য স্থাপন, পশুধন বীমা আঁচনি, হাঁহ-কুকুৰা উন্নয়ন, গাহৰি উন্নয়ন, পশু খাদ্য উন্নয়ন, স্বাস্থ্যসেৱা আৰু পুনৰ সংস্থাপন আঁচনি ইত্যাদি। মুখ্যমন্ত্ৰীৰ অসম বিকাশ যোজনাৰ অধীনত পক্ষী জ্বৰৰ দ্বাৰা ক্ষতিগ্ৰস্ত হোৱা ধুবুৰী কোকৰাঝাৰ জিলাৰ হাঁহ-কুকুৰা মুক্ত অঞ্চলৰ ১২,০০০ ক্ষতিগ্ৰস্ত পৰিয়ালক হাঁহ-কুকুৰা পালনৰ পৰিবৰ্ত্তে ছাগলী আৰু গাহৰি পালন আঁচনি গ্ৰহণ কৰাৰ ক্ষেত্ৰত সহায় আগবঢ়োৱা হৈছে। দুগ্ধগ্ৰাম আঁচনি, চহৰ দুগ্ধ যোগান আঁচনি আৰু আৰ কে ভি ওৱাইৰ অধীনৰ দুগ্ধ উন্নয়ন আঁচনিবোৰ চলি থাকিব।



**২৭। মীন পালন ঃ**

২০০৯-১০ বৰ্ষত হাতত লোৱা বিভিন্ন গুৰুত্বপূৰ্ণ আঁচনিসমূহ যেনে আত্মসহায়ক গোটৰ জৰিয়তে নিয়োগ সৃষ্টি আঁচনি, অসম এগ্ৰিকালচাৰেল কম্পিটিটিভনেচ প্ৰজেক্ট, পৰিত্যক্ত জলাশয়ক পুনৰ আবাদকৰণ, মাছৰ পোনা পালন, মীন সম্প্ৰসাৰণ, প্ৰশিক্ষণ, মহিলা সৱলীকৰণ কাৰ্য্যসূচী আৰু মৎস্য মহোৎসৱ আদিৰ নিচিনা গুৰুত্বপূৰ্ণ আঁচনিবোৰ ২০১০-১১ বিত্তীয় বৰ্ষতো ৰূপায়ণ কৰাৰ ব্যৱস্থা কৰা হৈছে। ২০১০-১১ বৰ্ষত এটি ৰাজ্যিক মীন গৱেষণাগাৰ স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছে আৰু প্ৰতিটো উন্নয়ন খণ্ডত মীন বিষয়ক জন সচেতনতা অভিযান চলোৱাৰো প্ৰস্তাৱ কৰা হৈছে। অসমক মৎস্য উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল কৰি তোলাটো মোৰ চৰকাৰৰ এক অন্যতম লক্ষ্য। মাননীয় সদস্যসকলে এই কথা জানি সুখী হব যে আমাৰ ৰাজ্যখনে মীন উৎপাদনৰ ক্ষেত্ৰত ইতিমধ্যে প্ৰায় ৯০ শতাংশ আত্মনিৰ্ভৰশীলতা অৰ্জন কৰিছে। ৰাজ্যখনৰ মৎস্য উৎপাদন ২০০০-০১ বৰ্ষৰ ১.৫৯ লাখ মেট্ৰিক টনৰ বিপৰীতে ২০০৮-০৯ বৰ্ষত ২.০৭ লাখ মেট্ৰিক টনলৈ বৃদ্ধি পাইছে ।

**২৮। জল সম্পদ ঃ**

২৮.১ এইটো অতি পৰিতাপৰ কথা যে আশীৰ্বাদ স্বৰূপে গণ্য কৰিব পৰা ৰাজ্যৰ জলসম্পদৰাশি ব্ৰহ্মপুত্ৰ বৰাক আৰু এই নদী দুখনৰ উপনদী সমূহৰ সঘন বানপানী আৰু গৰাখহনীয়াৰ বাবে অভিশাপ স্বৰূপ হৈ পৰিছে। মোৰ চৰকাৰে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত বিভিন্ন হ্ৰস্বম্যাদী বান ব্যৱস্থাপনা আঁচনি ৰূপায়ণ কৰি আহিছে। এই আঁচনি সমূহৰ ৰূপায়ণে বান ক্ষতিগ্ৰস্ত এলেকাৰ প্ৰায় ১৬.৫০ লাখ হেক্টৰ অঞ্চলক বিশেষ সুৰক্ষা প্ৰদান কৰিছে । কেন্দ্ৰীয়

খণ্ডৰ অধীনত হাতত লোৱা আঁচনি, ট্ৰাস্ক ফ'ৰ্চ, এফ এম পি আৰু এ চি এ/ এচ পি এ আদিৰ অধীনত ৰূপায়ণ কৰা বিভিন্ন আঁচনিসমূহৰ জৰিয়তে বান অধ্যুষিত অঞ্চলৰ এক বিস্তীৰ্ণ এলেকাক সুৰক্ষিত কৰি ৰাখিছে । ২০০৯-১০ চনত মঞ্জুৰ কৰা চাৰিখন নতুন আঁচনিৰ কাম অতি সোনকালে আৰম্ভ কৰা হ'ব। এন এল চি পি আৰৰ অধীনত ধেমাজি জিলাত হাতত লোৱা আঁচনিখনৰ কাম সম্পূৰ্ণ হৈছে আৰু ইয়াৰ ফলত প্ৰায় ১০,০০০ হেক্টৰ ভূমি উপকৃত হব বুলি আশা কৰা হৈছে। ৰাজ্যিক খণ্ডৰ আঁচনিবোৰৰ ভিতৰত আৰ আই ডি এফ (নাবাৰ্ড) আৰু ৰাজ্যিক পৰিকল্পনাৰ অধীনত ৰূপায়ণ কৰা কেইবাখনো আঁচনি চৰ জমিনত সম্পূৰ্ণ হৈছে অথবা সম্পূৰ্ণ হোৱাৰ পথত।

২৮.২ ২০০৯ বৰ্ষত হোৱা বানপানীৰ সময়ছোৱাত ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত বিভিন্ন বান্ধৰ ভঙা অংশ মেৰামতি কৰিবৰ বাবে দুৰ্যোগ সাহায্য পুঁজিৰ অধীনত ৰূপায়ণ কৰিবলৈ মুঠ ৩১.৩৮ কোটি টকাৰ ১৯ খন আঁচনিৰ প্ৰস্তাৱ কৰা হৈছে। এচিয়ান ডেভেলপমেন্ট বেঙ্কৰ পুঁজিৰে হাতত লোৱা আচাম ইন্‌টিগ্ৰেটেড ফ্লাড এণ্ড ৰিভাৰ বেংক ইৰ'চন ৰিস্ক মেনেজমেন্ট প্ৰজেক্টত অনুমোদন দিয়া হৈছে। এই প্ৰকল্পৰ কাম-কাজ অতি সোনকালে আৰম্ভ হ'ব।

২৮.৩ ৰাজ্যখনত হোৱা ব্যাপক গৰাখহনীয়া অকল এটা ডাঙৰ সমস্যাই নহয়, ই বান পানীতকৈও বেছি ভয়াবহ। ব্ৰহ্মপুত্ৰ, বৰাক আৰু সিহতৰ উপনৈ সমূহে ১৯৫৪ চনৰ পৰা সৃষ্টি কৰা ব্যাপক ভূমিস্খলনৰ ফলত ৰাজ্যৰ ৩.৮৬ লাখ হেক্টৰ উৰ্বৰ ভূমি নদীৰ বুকুত জাহ গৈছে । ই ৰাজ্যখনৰ মুঠ এলেকাৰ ৭ শতাংশ। ভূমিস্খলনৰ ফলত নিঃচিহ্ন হোৱা মুঠ গাঁৱৰ সংখ্যা ২৫৩৪ খন আৰু ক্ষতিগ্ৰস্ত



হোৱা পৰিয়ালৰ সংখ্যা হ'ল ৯০,৭০০ টা। এই ভূমিস্খলনৰ ফলত কেইবাখনো চহৰ, চাহ বাগিচা আৰু ঐতিহ্যমণ্ডিত স্থান ইতিমধ্যে বিলুপ্ত হৈছে। গৰাখহনীয়া প্ৰতিৰোধ আৰু পুনৰ আবাদকৰণৰ বাবে গ্ৰহণ কৰা আঁচনিবোৰত পৰ্য্যাপ্ত পুঁজি দিয়া হ'ব।

**২৯। গড় কাপ্তানি বিভাগ ঃ**

২৯.১ এক আধুনিক আৰু উন্নত পথ সংযোগ ব্যৱস্থা অৰ্থনৈতিক বিকাশৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু প্ৰয়োজনীয় আন্তঃগাঠনি। আধুনিক পথ সংযোগ ব্যৱস্থাই উদ্যোগ, বাণিজ্য আৰু ব্যৱসায়ৰ লগতে কৃষিজাত সামগ্ৰীৰ বিপণন আৰু বিকাশতে যে সহায়ক হয় এনে নহয়, ই দক্ষ প্ৰশাসন আৰু সমাজৰ আইন শৃঙ্খলা নিয়ন্ত্ৰণৰ বাবেও অপৰিহাৰ্য্য। আমাৰ চৰকাৰে ভাৰত চৰকাৰ, বিশ্ববেংক, নাবাৰ্ড, উত্তৰ-পূৰ্ব পৰিষদৰ পৰা পোৱা পুঁজিৰে আৰু ৰাজ্যৰ নিজা উৎসৰ পুঁজিৰে ৰাষ্টা-ঘাট আৰু দলং নিৰ্মাণৰ ভলেমান আঁচনি ৰূপায়ণ কৰি আছে। ২০০১ চনৰ পৰা ২০০৬ চনৰ এই পাঁচ বছৰীয়া সময়চোৱাত মুঠ ২১৪৪ কোটি টকা ব্যয়ৰে ৩৫১০ কিলোমিটাৰ পথ আৰু ৪৯৬ খন পকী দলং নিৰ্মাণ কৰা হৈছে। বিগত চাৰি বছৰত ৰাষ্টা আৰু দলং নিৰ্মাণৰ গতি অধিক ত্বৰান্বিত কৰা হৈছে। ২০০৬ চনৰ পৰা ২০১০ (ফেব্ৰুৱাৰী) চনলৈ এই চাৰি বছৰৰ সময়চোৱাত মুঠ ৫০৩৫ কোটি টকা ব্যয়ৰে ৯৬৯৯ কিলোমিটাৰ পথ আৰু ৭৮৮ খন পকী দলং নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হৈছে। মই ক্ষমতালৈ অহাৰ আগতে ১৯৯৬ চনৰ পৰা ২০০১ লৈ পাঁচ বছৰৰ ভিতৰত মুঠ ৪৭১ কোটি টকা ব্যয় সাপেক্ষে কেৱল ৫৪৫ কিলোমিটাৰ পথ আৰু ১৭৭ খন দলংহে নিৰ্মাণ কৰা হৈছিল। ২০১০-১১ বৰ্ষত অতি কমেও ৩০০০ কিলোমিটাৰ পকী পথ আৰু

কমেও ৩০০ খন পকী দলং নির্মাণ সম্পূর্ণ কৰাৰ বাবে লক্ষ্য স্থিৰ কৰা হৈছে। এই উদেশ্যে বাজেটত পৰ্য্যাপ্ত ধনৰ ব্যৱস্থা কৰা হৈছে। নতুন ৰাষ্টা আৰু দলং নির্মাণৰ বাহিৰেও নৱনির্মিত ৰাষ্টা আৰু দলং সমূহৰ লগতে পুৰণি পথ আৰু দলং সমূহৰ যথোপযুক্ত মেৰামতিৰ ব্যৱস্থা কৰা হ'ব।

২৯.২ ৰাজহুৱা ভৱন সন্দৰ্ভত মই মাননীয় সদস্য সকলক জনাওঁ যে নতুন ৰাজহুৱা ভৱন নির্মাণৰ ক্ষেত্ৰত মোৰ চৰকাৰে সেউজ প্ৰযুক্তি ব্যৱহাৰৰ বাবে উৎসাহ যোগাই থাকিব। বৰ্ত্তমানে থকা ভৱন বোৰৰ ক্ষেত্ৰতো সম্ভৱস্থলত একেধৰণৰ প্ৰযুক্তিকেই কামত লগোৱা হ'ব।

৩০। **বিদ্যুৎ ঃ**

বিদ্যুৎ খণ্ডত অনা ব্যাপক সংস্কাৰে আশাৰ সঞ্চাৰ কৰা পৰিলক্ষিত হৈছে। ২০০১ চনৰ ৮২০ নিযুত গোট (Unit) বিদ্যুৎ উৎপাদনৰ তুলনাত চলিত বৰ্ষত ৰাজ্যখনৰ বিদ্যুৎ উৎপাদন ১৬৮২ নিযুত গোট (Unit) হ'ব বুলি অনুমান কৰা হৈছে । যোৱা দুই দশকতকৈও অধিক সময় ব্যাপি অসম্পূর্ণ হৈ থকা কাৰ্বি লাংপি জলবিদ্যুৎ শক্তি প্ৰকল্পটো সম্পূর্ণ হৈ উঠিছে আৰু ই সন্তোষজনকভাবে কাৰ্য্যক্ষম হৈছে। পৱিত্ৰ সদনক জনাবলৈ পাই মই সুখী হৈছো যে খৰাং সদৃশ পৰিস্থিতিৰ বাবে বিদ্যুৎ শক্তিৰ উৎপাদনত ৩০ শতাংশ ঘটি হোৱা স্বত্বেও অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ আৰু উত্তৰাধিকাৰী কোম্পানীসমূহে যোৱা বছৰৰ তুলনাত ২০০৯-১০ বৰ্ষত গ্ৰাহক সকলক প্ৰায় ১২.৫ শতাংশৰো অধিক বিদ্যুৎ যোগান ধৰিবলৈ সক্ষম হ'ব। ২০০৩-০৪ বৰ্ষৰ সংস্কাৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ আগতে আমাৰ ৰাজ্যৰ সৰ্বোচ ৪৫০ মেগাৱাটৰ চাহিদা পূৰণৰ সক্ষমতাৰ তুলনাত বৰ্ত্তমান সৰ্বোচ্চ চাহিদা পূৰণৰ সক্ষমতা হ'ল



১০০০ মেগাৱাট। আৰ জি জি ভি ৱাই ৰ অধীনত ৪০৭৫ খন বিদ্যুৎ সংযোগহীন, বিদ্যুৎ সংযোগ ব্যাহত হোৱা তথা বিদ্যুৎ সেৱা সম্প্ৰসাৰণ কৰিবলগীয়া গাৱঁত বৈদ্যুতিকৰণ কৰা হৈছে আৰু দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা দুই লাখ পৰিয়ালক বিনামূলীয়া বিদ্যুৎ সংযোগ দিয়া হৈছে। এন টি পি চি ৰ অধীনৰ পিয়লে সামৰা (Census Villages) বাকী থকা গাওঁসমূহৰ বিদ্যুৎ সংযোগ ২০০৯-১০ বৰ্ষত সম্পূর্ণ কৰা হ'ব। বঙাইগাওঁ টি পি এচ আৰু অ' এন জি চি ৰ পল্লটানা টি পি এচ তাপ বিদ্যুৎ প্ৰকল্প দুটা সম্পূর্ণ হ'লে আমাৰ ৰাজ্যৰ বিদ্যুৎ যোগান যথেষ্ট বৃদ্ধি পাব। ৰাজ্যিক পৰিকল্পনা আৰু এচীয় বিকাশ বেংকৰ সহায্যৰে অহা দুটা বছৰৰ ভিতৰত ৪০০ কে ভি ৰ কুকুৰমাৰা উপ-আস্থান আৰু অন্যান্য ১৫ টা নতুন ২২০ আৰু ১৩২ কেভিৰ উপ আস্থান আঁচনি ৰূপায়ণৰ জৰিয়তে বিদ্যুৎ পৰিবহন ক্ষমতা ২০০০ মেগাৱাটলৈ বৃদ্ধি পাব। আৰ এ পি ডি আৰ পি আঁচনিখন ৰূপায়ণৰ জৰিয়তে বিতৰণ পদ্ধতিটোক আধুনিকীকৰণ কৰা হ'ব। চলিত বিত্তীয় বৰ্ষত শক্তি খণ্ডটোৰ বাবে ৰাজ্য চৰকাৰে ৭৭০.৪০ কোটি টকাৰ সঞ্জুৰী দিছে। ইয়াৰ ভিতৰত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ ৪০৭.১৫ কোটিৰ বকেয়া ঋণ পৰিশোধৰ পৰিমাণো অৰ্ন্তভুক্ত হৈ আছে । ২০১০-১১ চনৰ বাবে শক্তি খণ্ডলৈ ৬৯০.০৪ কোটি টকা আগবঢ়োৱাৰ প্ৰস্তাৱ কৰা হৈছে । অহা বছৰটোত বিদ্যুৎ পৰিষদত পৰিশোধ কৰিবলগীয়া ঋণ বেছি নাই, কিয়নো বুজন পৰিমাণৰ ঋণ বিদ্যুৎ পৰিষদৰ হৈ ইতিমধ্যে ৰাজ্য চৰকাৰে পৰিশোধ কৰি পেলাইছে ।

## ৩১। উদ্যোগ আৰু বাণিজ্য ঃ

৩১.১ ৰাজ্যখনৰ ঔদ্যোগিক বিকাশৰ বাবে এক অনুকুল বাতাবৰণ সুনিশ্চিত কৰাৰ অৰ্থে আৰু প্ৰয়োজনীয় ঔদ্যোগিক আন্তঃগাঠনি সৃষ্টিৰ বাবে ৰাজ্যিক আৰু কেন্দ্ৰীয় খণ্ডৰ অধীনত বিভিন্ন আঁচনি ৰূপায়ণৰ কাম হাতত লোৱা হৈছে। চাহ, প্লাষ্টিক, বস্ত্ৰ, মৰাপাট, বাহ, খাদ্য আৰু অন্যান্য কৃষিজাত সামগ্ৰীৰ বাবে বিশেষ উদ্যান স্থাপনৰ ওপৰত প্ৰাধান্য দিয়া হৈছে। ২০১০-১১ বিত্তীয় বৰ্ষত আমাৰ ৰজ্যখনত ব্যক্তিগত খণ্ডৰ ১৩ টা বৃহৎ প্ৰকল্পক সামৰি ৬০০০ কোটি টকাৰ বিনিয়োগ আৰু ভাৰত চৰকাৰৰ সাহায্যত ৰাজ্যিক খণ্ডত ১০০০ কোটি টকাৰ অতিৰিক্ত বিনিয়োগ হ'ব বুলি আশা কৰা হৈছে।

৩১.২ অসম গেছ ক্ৰেকাৰ প্ৰকল্পৰ পাৰ্শ্বৱৰ্ত্তী এলেকাত আন আন নতুন উদ্যোগ গঢ়ি উঠাত সহায় কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে সেই অঞ্চলটোৰ আন্তঃগাঠনি ভেটি সুদৃঢ় কৰি তুলি এই প্ৰকল্পৰ চাৰিওফালে এটা ঔদ্যোগিক কৰিডৰ স্থাপন কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে । বিভিন্ন বাণিজ্যি আৰু কাৰিকৰী ক্ষেত্ৰত নিৱনুৱা যুৱক-যুৱতীৰ নিপুণতা বৃদ্ধিৰ ওপৰত জোৰ দিয়া হৈছে। ২০১০-১১ বৰ্ষত গোৱালপাৰা, বৰপেটা আৰু কাছাৰ জিলাত বেচা কিনা ব্যৱস্থা অধিক সুচল কৰাৰ বাবে তিনিটা বাণিজ্যিক আন্তঃগাঠনি স্থাপন কৰাৰ ব্যৱস্থা কৰা হৈছে।

৩১.৩ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ বাবে ৰাজ্যখনৰ পাঁচখন জিলাত পৰম্পৰাগত গহনা-পাতি, আতচবাজি, হস্ততাঁত আৰু মৃত শিল্পৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰি পাঁচটা নতুন গোট স্থাপনৰ কাম হাতত লোৱা হৈছে । নিয়োগ সৃষ্টিৰ বাবে প্ৰতিখন গাওঁতে ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰিবলৈ মই প্ৰস্তাৱ গ্ৰহণ কৰিছো। ১০০ কোটি



টকাৰ ব্যয়ৰে ৰাজ্যখনৰ দহটা ঔদ্যোগিক ক্ষেত্ৰক উন্নীতকৰণৰ বাবে ভাৰত চৰকাৰৰ ওচৰত দাখিল কৰা প্ৰস্তাৱ অনুমোদন লাভ কৰাৰ চূড়ান্ত পৰ্য্যায়ত আছে।

৩১.৪ চুবুৰীয়া দেশকেইখনৰ সৈতে সীমান্ত বাণিজ্য প্ৰসাৰৰ অৰ্থে ৰাজ্যৰ বিভিন্ন ঠাইত তিনিটা সীমান্ত বাণিজ্য কেন্দ্ৰ স্থাপনৰ দিহা কৰা হৈছে।

## ৩২। হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম ঃ

৩২.১ দেশৰ ভিতৰত বয়ন শিল্পীৰ সংখ্যা অসমতে সৰ্বাধিক । হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম খণ্ডৰ জৰিয়তে নিয়োগ সৃষ্টিৰ সম্ভাৱনীয়তা প্ৰচুৰ। এই খণ্ডটোৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হ'ল ইয়াৰ নিম্ন মূলধনী বিনিয়োগৰ বিপৰীতে উচ্চ নিয়োজন ক্ষমতাৰ অনুপাত। সেইবাবে এই খণ্ডটোৰ ওপৰত মই বিশেষ গুৰুত্ব প্ৰদান কৰিছো। হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম খণ্ডত নিয়োগৰ বিশাল সম্ভাৱনাৰ ওপৰত দৃষ্টি ৰাখি বিভিন্ন ৰাজ্যিক আৰু কেন্দ্ৰীয় খণ্ডৰ আঁচনিৰ জৰিয়তে বিগত কেইটামান বছৰত এই খণ্ডৰ উন্নয়নৰ বাবে আমি ব্যাপক বিনিয়োগ কৰিছো। বিগত তিনিটা বছৰত প্ৰায় ১১,০০০ শিপিনিলৈ তাঁতশাল আৰু ইয়াৰ আনুষঙ্গিক সামগ্ৰী অনুদান হিচাপে আগবঢ়োৱা হৈছে ।

৩২.২ অসম বিকাশ যোজনাৰ অধীনত চলি থকা দুখীয়া শিপিনিসকললৈ আগবঢ়োৱা কম্বল আৰু কপাহী সূতা বিতৰণৰ আঁচনিখন ২০১০-১১ বৰ্ষতে চলি থাকিব। ৰাজ্যখনৰ প্ৰায় তিনি লাখ শিপিনিক ২০১০-১১ বৰ্ষত স্বাস্থ্য বীমা আঁচনিৰ অধীনত সামৰিবলৈ স্থিৰ কৰা হৈছে ।

৩২.৩ ৰেচম শিল্পটোক আমি কেৱল মাথো আৰ্থিক দৃষ্টিকোনৰ পৰাহে চোৱা উচিত নহয় । ই আমাৰ সাংস্কৃতি আৰু ঐতিহ্যৰও এক অবিচ্ছেদ্য অঙ্গ । অন্যান্য আঁচনিসমূহৰ উপৰিও এৰি আৰু মুগাৰ উৎকৰ্ষ সাধনৰ অৰ্থে ৰাজ্যখনত ২০১০-১১ বৰ্ষৰ সময়ছোৱাত এৰী আৰু মুগাৰ সম্ভাৱনীয়তা থকা জিলা সমূহত আদৰ্শ ৰেচম গাওঁ স্থাপন কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। চাহ বাগিচা অঞ্চল আৰু চৰ অঞ্চলত বসবাস কৰা জনসাধাৰণৰ বয়ন নিপুণতাৰ উন্নীতকৰণৰ অৰ্থে অতি কমেও ৬ খন বয়ন প্ৰশিক্ষণ কেন্দ্ৰ (এইচ টি চি) স্থাপনৰ বাবে সক্ৰিয়ভাৱে বিবেচনা কৰি থকা হৈছে ।

## ৩৩। তথ্য প্ৰযুক্তি ঃ

৩৩.১ আমাৰ চৰকাৰে ৰাষ্ট্ৰীয় ই-গৰ্ভানেন্স পৰিকল্পনা আৰু ৰাজ্যিক পৰিকল্পনাৰ অধীনত ই-গৰ্ভানেন্স সক্ৰান্তীয় বিভিন্ন আঁচনিসমূহ ৰূপায়ণৰ বাবে বহুতো পদক্ষেপ গ্ৰহণ কৰিছে । ৰাজ্যখনৰ বিভিন্ন স্থানত ইতিমধ্যে ৩১০০ টা সমূহীয়া সেৱা কেন্দ্ৰ (চি এচ চি) স্থাপন কৰা হৈছে । এই কেন্দ্ৰসমূহে জনসাধাৰণলৈ বহুমূখী সেৱা আগবঢ়াই আছে । অতি সোনকালে ৰাজ্যখনত অতিৰিক্ত ১২৭৫ টা সমূহীয়া সেৱা কেন্দ্ৰ (চি এচ চি) স্থাপন কৰা হ'ব।

৩৩.২ অসমত Statewide Area Network ৰূপায়ণৰ কাম সন্তোষজনকভাৱে চলি আছে । ৰাজ্য চৰকাৰৰ সময়োপযোগী এনে পদক্ষেপে ৰাজ্যখনত তথ্য প্ৰযুক্তি আৰু যোগাযোগৰ ক্ষেত্ৰখনত এক যুগান্তকাৰী অধ্যায়ৰ সূচনা কৰিব। ৰাজ্যখনত তথ্য সংৰক্ষন আৰু তথ্য ভাণ্ডাৰ ব্যৱস্থা প্ৰতিষ্ঠাৰ বাবে অত্যাধুনিক সা-সজুঁলিসহ এটি ৰাজ্যিক তথ্য কেন্দ্ৰ স্থাপনৰ সিদ্ধান্ত কৰা হৈছে । চেন্নাই আৰু মুম্বাইৰ লেখীয়া সু-প্ৰসিদ্ধ তথা সু-প্ৰতিষ্ঠিত স্থানসমূহৰ লগত ৰজিতা



খোৱাকৈ ইন্টাৰনেট ব্যৱস্থা উপলব্ধ কৰোৱাৰ বাবে আন্তঃৰাষ্ট্ৰীয় ইন্টাৰনেট গোটও (আই আই জি) গুৱাহাটীলৈ অনাৰ পৰিকল্পনা হাতত লোৱা হৈছে । ৰাজ্যখনত কম্পিউটাৰ সাক্ষৰতাৰ উৎকৰ্ষ সাধনাৰ্থে আমাৰ চৰকাৰে "ৰাজীৱ গান্ধী কম্পিউটাৰ সাক্ষৰতা আঁচনি" আৰু "আনন্দৰাম বৰুৱা আঁচনি"ৰ লেখীয়া বিভিন্ন আঁচনিলৈ বিত্তীয় সাহায্য আগবঢ়োৱাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ।

## ৩৪। সমাজ কল্যাণ ঃ

৩৪.১ সমাজ কল্যাণ শিতানত পৰ্য্যাপ্ত পুঁজিৰ উপলব্ধকৰণৰ বাবে মই বিশেষ জোৰ দিছো। সমাজত বহুতো দুৰ্বল শ্ৰেণীৰ লোক আছে যাৰ সামস্যা তথা প্ৰত্যাশাসমূহ বজাৰ অৰ্থনীতিৰ জৰিয়তে নিৰাময় কৰিব নোৱাৰি। বৃদ্ধ, শক্তিহীন, বিধবা, ৰুগীয়া, শাৰীৰিক ভাবে বাধাগ্ৰস্থ, মাউৰা আৰু নিচলা তথা কঠিন পৰিস্থিতিৰ মাজত জীৱন নিৰ্বাস কৰি থকা লোক সকলৰ বাবে চৰকাৰৰ সহায়ৰ বিশেষ প্ৰয়োজন। এই খণ্ডটোত স্বেচ্ছাসেৱী অনুষ্ঠানৰ জৰিয়তে সেৱা আগবঢ়াবলৈ মই ব্যৱস্থা কৰিছো । ৰাজ্য চৰকাৰে সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকসকলৰ বাবে ভালেমান আঁচনি গ্ৰহণ কৰিছে । ইয়াৰ ভিতৰত অক্ষম ব্যক্তিলৈ নিৱনুৱা ভাট্টা, অক্ষম শিশু থকা পৰিয়াললৈ ভাট্টা, শিশুৰ অধিকাৰ সুৰক্ষাৰ বাবে ৰাজ্যিক আয়োগ, দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা পৰিয়ালৰ ২০ বছৰৰ পিছত বিবাহ হোৱা কন্যালৈ বিত্তীয় উদগনি, মহিলা সকলৰ বাবে সুৰক্ষা আৱাস স্থাপন, মহিলা আৰু শিশু উন্নয়ন পৰিষদ গঠন, ৪৫ বছৰৰ ওপৰৰ নিবনুৱা বিবাহ নোহোৱা মহিলা আৰু বিধবালৈ বিত্তীয় সাহায্য প্ৰদান, মহিলা সকলৰ বাবে বৃদ্ধ আৱাস, সংহত শিশু উন্নয়ন আঁচনিৰ অধীনত অংগনবাদী কৰ্মীসকললৈ চাইকেল বিতৰণ, বধিৰ

আৰু দৃষ্টিহীন ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ বাবে দুখন বিশেষ প্ৰতিষ্ঠান স্থাপন অন্যতম।

৩৪.২ মুখ্যমন্ত্ৰীৰ জীৱন জ্যোতি বীমা আঁচনি আৰু মুখ্যমন্ত্ৰীৰ মহিলা সমৃদ্ধ আঁচনি দুখনে জনসাধাৰণৰ পৰা বিপুল সহাঁৰি লাভ কৰিছে আৰু বহুতো হিতাধিকাৰীক সকাহ দিছে । সংহত শিশু উন্নয়ন সেৱা আঁচনিখনে উল্লেখনীয় সফলতা লাভ কৰিছে । ২০০১ চনত স্থাপন হোৱা ১৫,৬৪৭ খন অংগনবাদী কেন্দ্ৰৰ বিপৰীতে বৰ্ত্তমান ইয়াৰ সংখ্যা ৫৯,৬৯৫ খনলৈ বৃদ্ধি পাইছে। চলিত বিত্তীয় বৰ্ষৰ ভিতৰতে ৩১০০০ গৰাকী অংগনবাদী কৰ্মীলৈ চাইকেল আগবঢ়োৱা হ'ব। ২০১০-১১ বৰ্ষত ২৮,৬৯৫ গৰাকী অংগনবাদী কৰ্মীলৈ চাইকেল যোগান ধৰাৰ প্ৰস্তাৱ লোৱা হৈছে ।

৩৪.৩ চৰকাৰে চলি থকা আঁচনিসমূহ অধিক ফলপ্ৰসু কৰিবৰ বাবে দুই তৰপীয়া নীতি গ্ৰহণ কৰিবলৈ প্ৰস্তাৱ কৰিছে আৰু সামাজিক সুৰক্ষা সম্পৰ্কিত বিভিন্ন বিধি ৰূপায়ণৰ জৰিয়তে ইয়াৰ পৰিসৰ বৃদ্ধি কৰাৰ বাবেও মনোনিবেশ কৰা হৈছে । ৰাজ্যিক মহিলা আয়োগক ঘৰুৱা হিংসা আইন, মুখ্যমন্ত্ৰীৰ মহিলা সমৃদ্ধি যোজনা আৰু বয়সন্ধি কণ্যাৰ বাবে থকা আঁচনিসমূহ ৰূপায়ণৰ বাবে পুঁজি দিয়াৰ ব্যৱস্থা কৰা হ'ব।

**৩৫। গুৱাহাটী উন্নয়ন ঃ**

গুৱাহাটী মহানগৰীখন পৰিস্কাৰ কৰি ৰখা আৰু বিশুদ্ধ খোৱা পানী যোগান, নলা-নৰ্দ্দমা ব্যৱস্থা আৰু মহানগৰীৰ বাট-পথবোৰ উন্নীত কৰিবৰ বাবে চৰকাৰে বিভিন্ন ব্যৱস্থা গ্ৰহন কৰিছে । মহানগৰীখনৰ জাৱৰ-জোথৰ নিস্কাষনৰ কামটোৰ দায়িত্ব বে-চৰকাৰী



প্ৰতিষ্ঠানক দিয়া হৈছে। মহানগৰীখনৰ বাট-পথ উন্নয়নৰ কাৰণে ১০০ কোটি টকীয়া এখন আঁচনি মঞ্জুৰ কৰা হৈছে। গুৱাহাটী মহানগৰীখনৰ পশ্চিম আৰু মধ্য অংশত খোৱা পানী যোগান ধৰিবৰ বাবে ৰাজ্য চৰকাৰে জে এন এন ইউ আৰু এম আৰু জে আই চি এ ৰ অধীনত আঁচনি হাতত লৈছে। জে এন এন ইউ আৰু এম আৰু ৰাজ্য চৰকাৰৰ পুঁজিৰে নলা-নৰ্দ্দমা উন্নয়নৰ কাম হাতত লোৱা হৈছে। গুৱাহাটী মহানগৰীৰ পান বজাৰ আৰু আন আন ঘন বসতি থকা অঞ্চলত বহু মহলীয়া গাড়ী আস্থান নিৰ্মানৰ কাম আতি সোনকালে আৰম্ভ হ'ব। বহু পাক্ষিক আৰু দ্বি-পাক্ষিক এজেন্সিয়ে যাতে পুঁজি যোগন ধৰিব পাৰে তাৰ বাবে গুৱাহাটী মহানগৰীত বাছ ৰেপিড ট্ৰেন্‌জিট চিষ্টেমৰ কাৰণে বিতং প্ৰকল্প প্ৰস্তাৱ (DPR) ত অনুমোদন দিয়া হৈছে। ৰাজ্য চৰকাৰে গুৱাহাটী মহানগৰীৰ বাবে ২০০ খন নতুন বাছৰ ব্যৱস্থা কৰিছে আৰু সেই কেইখন অতিসোনকালে গুৱাহাটী পাবহি বুলি আশা কৰা হৈছে। পান বজাৰত দুই পথযুক্ত অ'ভাৰব্ৰীজ এখন অতিৰিক্তকৈ বনোৱাৰ কাম পূৰ্ণোদমে চলি আছে আৰু চলিত বিত্তীয় বৰ্ষৰ ভিতৰতে ইয়াৰ নিৰ্মাণ কাৰ্য্য সম্পূণ হ'ব বুলি আশা কৰা হৈছে। উত্তৰ গুৱাহাটীত উপকণ্ঠ নগৰী (State life township) এখন গঢ়ি তোলাৰ প্ৰস্তাৱ কৰা হৈছে । পাইকাৰী বজাৰখন উত্তৰ গুৱাহাটীলৈ স্থানান্তৰিত কৰাৰো প্ৰস্তাৱ কৰা হৈছে । ইয়াৰ বাবে প্ৰয়োজনীয় পুঁজি ২০১০-১১ চনৰ বাজেটত ধাৰ্য্য কৰা হৈছে।

### ৩৬। আন আন চহৰৰ উন্নয়ন ঃ

নগৰীয়া গৃহ নিৰ্মাণ, নলা-নৰ্দ্দমা, বস্তি অঞ্চল পৰিস্কাৰ, বিশুদ্ধ খোৱা পানী যোগান, নগৰীয়া আন্তঃগাঠনি আৰু পৌৰ সা-সুবিধাৰ উন্নয়ন আদিত মই অত্যধিক গুৰুত্ব আৰোপ কৰিছো। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিৰ জৰিয়তে নগৰীয়া স্থানীয় নিকায়বোৰলৈ ৰাজ্য চৰকাৰে বিত্তীয় সাহায্য প্ৰদান কৰিছে । পানী ওলাই যোৱা ডাঙৰ নলা, বাট-পথ, বাছ/ট্ৰাক আস্থান, বজাৰ প্ৰকল্প, হকাৰ আৰু ভেণ্ডাৰ সকলৰ পুনৰসংস্থাপন কেন্দ্ৰৰ কাৰণে সম্প্ৰতি ২৫খন চহৰত ৩৬ টা প্ৰকল্প ৰূপায়ণ কৰি থকা হৈছে । চলিত বৰ্ষত ভাৰত চৰকাৰে ৩ টা নতুন প্ৰকল্পত অনুমোদন দিছে । সংহত গৃহ নিৰ্মাণ আৰু বস্তি অঞ্চল উন্নয়ন আঁচনি, ক্ষুদ্ৰ আৰু মজলীয়া চহৰৰ আন্তঃগাঠনি উন্নয়ন, স্বৰ্ণ জয়ন্তী চহৰী যোজগাৰ যোজনা, জনতা গৃহ নিৰ্মাণ আঁচনি আৰু অসম বিকাশ যোজনাৰ নিচিনা বৰ্ত্তমানে চলি থকা আঁচনিবোৰ চলি থাকিব। অসম নগৰীয়া পানী যোগান আৰু পথ প্ৰণালী পৰিষদে নগৰ অঞ্চলবোৰৰ কাৰণে ৫২ খন পানী যোগান আঁচনি হাতত লৈছে । নগৰাঞ্চলত পৌৰ আন্তঃগাঠনি আৰু অন্যান্য সা-সুবিধা বৃদ্ধিৰ বাবে ২০১০-১১ বৰ্ষৰ বাজেটত পৰ্য্যাপ্ত পৰিমাণৰ পুঁজি ধাৰ্য্য কৰা হৈছে। ত্ৰয়োদশ বিত্ত আয়োগৰ অনুদান আৰু তৃতীয় অসম ৰাজ্যিক বিত্ত আয়োগৰ অনুদানৰ অধীনত চহৰৰ স্থানীয় নিকায়বোৰে পৰ্য্যাপ্ত পৰিমাণৰ মঞ্জুৰী লাভ কৰিব।

### ৩৭। পৰিবেশ আৰু বন ঃ

গোলকীয় উত্তাপ আৰু জলবায়ুৰ পৰিবৰ্ত্তন আমাৰ সকলোৰে বাবে এক ভীষণ উদ্বেগৰ কাৰণ হৈ পৰিছে। সেয়ে ইয়াৰ সমাধানৰ



বাবে সৰ্ব্বাত্মক প্ৰচেষ্টা হাতত লোৱাটো প্ৰয়োজন। আমাৰ বনাঞ্চল আৰু জৈৱ বৈশিষ্টতাৰ সুৰক্ষা তথা সংৰক্ষণ, সেউজ অঞ্চল আৰু পৰিবেশ সংবেদন এলেকাৰ সৃষ্টি কৰা, জলাশয় আৰু জলাকৰ্ষণ ব্যৱস্থাৰ সংৰক্ষণ, নদীসমূহ আৰু অন্যান্য পানীৰ উৎসবোৰ প্ৰদুষণমুক্ত কৰা আৰু সেউজ ভৱন নিৰ্মাণৰ ওপৰত জোৰ দি এই দিশত আমাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছো। বন খণ্ডটো এক গুৰুত্বপূৰ্ণ খণ্ড আৰু ই এই অঞ্চলটোৰ পাৰিপাৰ্শ্বিক ভাৰসাম্য ৰক্ষা কৰা আৰু কৃষিৰ লগতে অন্যান্য আনুসঙ্গিক খণ্ডবোৰৰ বিকাশ আৰু উন্নয়নতো ই প্ৰধান ভুমিকা পালন কৰে । ২০১০-১১ চনৰ সময়ছোৱাত কেতবোৰ গুৰুত্বপূৰ্ণ আঁচনিৰ প্ৰস্তাৱ লোৱা হৈছে। সেইবোৰ হ'ল ১৮,০০০ হেক্টৰ ভুমিত বৃক্ষৰোপণ, গছপুলি বিতৰণ, অসম বন সুৰক্ষা বাহিনীৰ দ্বিতীয়টো বেটেলিয়ন গঠন আৰু বাট পথ, কালভাৰ্ট আদি নিৰ্মাণ, পানীৰ সা-সুবিধা প্ৰদান আৰু বন সুৰক্ষাৰ অন্যান্য বুনিয়াদী ব্যৱস্থাপনা আৰু কৰ্মচাৰীলৈ সা-সুবিধা প্ৰদান। চোৰাং চিকাৰ বিৰোধী অভিযানসমূহ আৰু অধিক কঠোৰভাবে কাৰ্য্যকৰী কৰা হ'ব। একেদৰে বন ধ্বংস আৰু অবৈধভাবে গছ কটাৰ বিৰুদ্ধেও কঠোৰ শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

### ৩৮। বিজ্ঞান আৰু প্ৰযুক্তি ঃ

বিজ্ঞান আৰু প্ৰযুক্তিক জনপ্ৰিয় কৰি তোলা আৰু ৰাজ্যখনত এক বৈজ্ঞানিক বাতাবৰণ সৃষ্টি কৰাৰ বাবে মোৰ চৰকাৰে ভালে সংখ্যক প্ৰকল্প হাতত লৈছে। গুৱাহাটীত এখন জৈৱ প্ৰযুক্তি উদ্যান, দুখন তাৰকা গৃহ তথা বিজ্ঞান কেন্দ্ৰ স্থাপন আৰু গুৱাহাটী তাৰকা গৃহত উচ্চ প্ৰযুক্তি সম্পন্ন ডিজিটেল পদ্ধতিৰ সংযোজনৰ লেখিয়া বুনিয়াদী প্ৰকল্পসমূহ আমি ৰূপায়ণ কৰি আছো। নলবাৰী আৰু উত্তৰ

লখিমপুৰত আৰু দুটা তাৰকা গৃহ স্থাপনৰ প্ৰস্তাৱ কৰা হৈছে। গুৱাহাটীত এখন পূৰ্ণাঙ্গ বিজ্ঞান নগৰী স্থাপনৰ বাবে মোৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। প্ৰায় আঠাইবোৰ উন্নয়ন খণ্ডতে স্থাপন কৰা আৰ্য্যভট্ট বিজ্ঞান কেন্দ্ৰবোৰ আৰু অধিক শক্তিশালী কৰাৰ প্ৰস্তাৱ কৰা হৈছে। দেশৰ গুৰুত্বপূৰ্ণ বিজ্ঞান আৰু প্ৰযুক্তি স্থানসমূহ ছাত্ৰ-ছাত্ৰী সকলৰ ভ্ৰমণ আৰু দৰ্শনৰ সহায়ক হোৱাকৈ জন-বিজ্ঞান নামৰ ৰেল এখন প্ৰতিবছৰে চলোৱাৰ ব্যৱস্থা শীঘ্ৰে হাতত লোৱা হ'ব। ৰাজ্যখনৰ বিভিন্ন সংস্থাৰ সহযোগত পৰিচন্ন আৰু সেউজ প্ৰযুক্তিৰ বাবে কেতবোৰ আঁচনিও গ্ৰহণ কৰি থকা হৈছে। পিছপৰা গাঁওবোৰত অসম শক্তি উন্নয়ন অভিকৰণে সৌৰ বৈদ্যুতিকৰণ আঁচনি ৰূপায়ণ কৰিব। প্ৰায় ১০,০০০ হাজাৰ মেধাৱী ছাত্ৰীক সৌৰ লেম্প যোগান ধৰাৰ বাবে মই পৰিকল্পনা কৰিছো। পৰীক্ষামূলক ভিত্তিত প্ৰায় ১৭৫ খন বিদ্যালয়ত বিজ্ঞান আৰু গণিতৰ শিক্ষক (facilitators) নিযুক্তি দিয়াৰ পৰিকল্পনাও কৰিছো।

### ৩৯। **পৰ্য্যটন** ঃ

৩৯.১ উন্নয়ন ত্বৰান্বিত কৰাৰ বাবে আৰু নিয়োগ সৃষ্টিৰ ক্ষেত্ৰত পৰ্য্যটন ক্ষেত্ৰৰ গুৰুত্ব অপৰিসীম। অসমৰ পৰ্য্যটন ক্ষেত্ৰত থকা প্ৰচুৰ সম্ভাৱনীয়তাক আমি কিছু পৰিমাণে হলেও বাস্তৱত ৰূপায়িত কৰিব পাৰিছো। বিদেশ আৰু ঘৰুৱা পৰ্য্যটকৰ সংখ্যা লক্ষণীয়ভাৱে বৃদ্ধি পাইছে। ৰাজ্য খনৰ পৰ্য্যটন ক্ষেত্ৰৰ সম্ভাৱনীয়তা সম্পূৰ্ণভাৱে বাস্তৱত ৰূপায়িত কৰি তুলিবলৈ সঠিক আন্তঃগাঠনিৰ সৃষ্টি, পৰ্য্যটকৰ বাবে সুচল হোৱা পৰিবেশৰ লগতে দেশে বিদেশে কৌশলী তথা মনোগ্ৰাহী প্ৰচাৰ অভিযান হাতত লোৱাটো প্ৰয়োজন। এনে



চিন্তাধাৰাৰে কেইবাটাও আঁচনি আৰু প্ৰকল্প ৰূপায়ণ কৰিবলৈ মই প্ৰস্তাৱ কৰিছো।

৩৯.২ ভাৰত চৰকাৰে ৫০ কোটি টকাৰ ব্যয় সাপেক্ষে অসমৰ বাবে এখন (মেগা নেচনেল পাৰ্ক এণ্ড ওৱৰ্ল্ড হেৰিটেজ চাইট) পৰ্য্যটন আৱৰ্ত্তৰ অনুমোদনৰ ব্যৱস্থা কৰি আছে। হাফলং চহৰখনক পাৰ্বত্য পৰ্য্যস্থলি আৰু দুঃসাহসীক ক্ৰীড়া ও পৰ্য্যটনৰ লক্ষ্য স্থান হিচাপে গঢ়ি তোলা আৰু এখন হেলিপেড্ নিৰ্মাণৰ বাবে আন এটি প্ৰকল্পও ইতিমধ্যে অনুমোদিত হৈছে। সৰ্থেবাৰী, পাটবাউসী, বৰপেটা, কণৰা, বাঘবৰ আৰু সৰভোগক সামৰি এটা সাংস্কৃতিক ঐতিহ্য আৱৰ্ত্তৰো সৃষ্টি কৰা হ'ব।

৩৯.৩ ইণ্ডিয়ান হোটেলচ কোম্পানী লিমিটেড্ (তাজ গ্ৰুপ) এ ৰাজ্য চৰকাৰৰ সহযোগত গুৱাহাটীত এখন পঞ্চ তাৰকাযুক্ত বিলাসী হোটেল নিৰ্মাণ কৰিব। টাটাৰ অধ্যক্ষ শ্ৰীৰতন টাটাৰ উপস্থিতিত যোৱা মঙ্গলবাৰে মই এই প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিছো। এনে ধৰণৰ আৰু দুখন পঞ্চ তাৰকাযুক্ত হোটেল নিৰ্মাণৰ যোজাও চলি আছে । ভাৰত চৰকাৰে যোৰহাটত এখন ৰাষ্ট্ৰীয় প্ৰৰ্য্যায়ৰ হোটেল পৰিচালনা প্ৰতিষ্ঠান আৰু নগাঁৱৰ চামুগুৰীত এখন ফুড-ক্ৰাফ্‌ট ইনষ্টিটিউত স্থাপনত অনুমোদন দিছে। ২০১০-১১ বৰ্ষত এই দুয়োখন প্ৰতিষ্ঠানেই কাৰ্য্যক্ষম হৈ উঠিব।

৩৯.৪ ২০১০-১১ বৰ্ষত ৰাষ্ট্ৰীয় ঘাই পথৰ কাষে কাষে নিৰ্দিষ্ট দূৰত্বত এলানি পৰ্য্যটকৰ জিৰণী কোঠা আৰু অন্যান্য সা-সুবিধা কেন্দ্ৰ স্থাপন কৰা হব। ইয়াৰ বাবে প্ৰায় ৪৫ কোটি টকা ব্যয় সাপেক্ষে এটা বৃহৎ প্ৰকল্পৰ কাম আৰম্ভ কৰা হ'ব। প্ৰথম পৰ্য্যায়ত

নির্দ্ধাৰিত ২৫ কোটি টকাৰ ব্যয়ত ৩১ নং, ৩৭ নং আৰু ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথ কেইটা হাতত লোৱা হ'ব।

৩৯.৫ ২০১০-১১ বৰ্ষত ইলেকট্ৰনিক মাধ্যমৰ জৰিয়তে দেশীয় আৰু আন্তৰ্জাতিক পৰ্য্যায়ত এক ব্যাপক প্ৰচাৰ অভিযান আৰম্ভ কৰিবলৈ বিচৰা হৈছে। বিশিষ্ট অসমীয়া চলচিত্ৰ পৰিচালক শ্ৰীজাহ্নু বৰুৱাক পৰিকল্পনাৰ দায়িত্ব অৰ্পণ কৰা হৈছে।

৩৯.৬ পৰ্য্যটক টেক্সী সেৱাৰ সম্প্ৰসাৰণৰ নিচিনা জনপ্ৰিয় আঁচনিসমূহৰ ৰূপায়ণৰ কাম অব্যাহত থাকিব।

৪০। **ৰাজহ সংস্কাৰ ঃ**

৪০.১ মই এই কথা জনাবলৈ পাই সুখী হৈছো যে অসম বিকাশ যোজনাৰ অধীনত ২০০৯-১০ বৰ্ষত আৰম্ভ কৰা গাওঁবুঢ়াসকললৈ মোবাইল ফোন বিতৰণৰ কাৰ্য্যসূচী ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে। উপ-পঞ্জীয়কৰ কাৰ্য্যালয়ৰ কম্পিউটাৰকৰণ, ই-ষ্টাম্পিং আৰু ভূমি তথ্যৰ কম্পিউটাৰকৰণ কাৰ্য্যসূচীৰ জৰিয়তে আৰম্ভ কৰা ই-গৰ্ভনেন্স আঁচনি চলি আছে। চলিত বৰ্ষত ৰাজহ চক্ৰ কাৰ্যালয়সমূহ উন্নীতকৰণ আৰু আধুনিকীকৰণৰ বাবে পৰ্য্যাপ্ত পূঁজিৰ ব্যৱস্থা ৰখা হৈছে।

৪১। **পৰিবহন ঃ**

গ্ৰামীণ আৰু অনুন্নত অঞ্চলসমূহলৈ উন্নত সেৱা তথা উন্নত যোগাযোগ উপলব্ধকৰণৰ বাবে পৰ্য্যাপ্ত সংখ্যক নতুন ডিলাক্স বাচ ক্ৰয়ৰ প্ৰস্তাৱো মোৰ চৰকাৰে সক্ৰিয়ভাবে বিবেচনা কৰি আছে। মুখ্যমন্ত্ৰীৰ স্ব-নিয়োজন আঁচনি ২০১০ৰ অধীনত শিক্ষিত নিবনুৱা যুৱকলৈ স্ব-নিয়োজনৰ সুবিধা প্ৰদানৰ অৰ্থে "সেউজ টেক্সি আঁচনি"



নামৰ এখন নতুন আঁচনি আৰম্ভ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে।

ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈত ২৬খন নতুন ফেৰী সেৱা আৰম্ভ কৰা হৈছে যিটোৱে নদীপথৰে যোগাযোগ ব্যৱস্থা কিছুদুৰ হলেও উন্নীত কৰিব তথা ৰাজহ সংগ্ৰহো বৃদ্ধি কৰিব।

৪২। **সাধাৰণ প্ৰশাসন ঃ**

মোৰ চৰকাৰে চেন্নাইত অসম ভৱন নিৰ্মাণৰ বাবে ইতিমধ্যে এটুকুৰা মাটি ক্ৰয় কৰিছে। বাংগালুৰুতো অসম ভৱন নিৰ্মাণৰ কাম হাতত লোৱা হৈছে। ইয়াৰ উপৰিও গুৰগাওঁ আৰু ভেলোৰত অসম ভৱন নিৰ্মাণ, কলকাতাত অতিৰিক্ত অসম ভৱন আৰু বাণিজ্যিক কেন্দ্ৰ তথা যুৱ ছাত্ৰবাস নিৰ্মাণ, চিলংত এটা অত্যাধুনিক বহুমহলীয়া অসম ভৱন নিৰ্মাণৰ প্ৰস্তাৱো বিবেচনা কৰি থকা হৈছে।

৪৩। **খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক সুৰক্ষা ঃ**

বিধবা, আত্মসহায়ক গোট আৰু দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা পৰিয়ালৰ কল্যাণৰ বাবে চলিত বৰ্ষতো চলি থকাৰ দৰে অন্ত্যোদয়া অন্ন যোজনা, ৰন্ধনজ্যোতি আৰু গ্ৰাম্য শস্য বেংকৰ লেখীয়া বিভিন্ন চৰকাৰী আঁচনিসমূহ ৰাজ্যখনত অবিৰত ভাবে ৰূপায়ণ কৰি থকা হ'ব।

৪৪। **পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ ঃ**

৪৪.১ ইতিমধ্যে মই উল্লেখ কৰি আহিছো যে গ্ৰাম্যাঞ্চলৰ সৰ্বাত্মক বিকাশ অবিহনে ৰাজ্যখনৰ প্ৰকৃত দীৰ্ঘকালীন উন্নয়ণ অসম্ভৱ। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আইন, ইন্দিৰা আৱাস যোজনা, স্বৰ্ণজয়ন্তী গ্ৰাম স্ব-ৰোজগাৰ যোজনা, ৰাষ্ট্ৰীয় সামাজিক সাহায্য আঁচনি, অনুন্নত অঞ্চল

অনুদান পুঁজি, অসম বিকাশ যোজনা, মুখ্যমন্ত্ৰীৰ জীৱন জ্যোতি স্ব-নিয়োজন যোজনা, জিলা উন্নয়ন পৰিকল্পনা ইত্যাদি আঁচনিসমূহ কৃতকাৰ্যতাৰে ৰূপায়ণ কৰি আছে।

৪৪.২ এন আৰ ই জি এ (NREGA) ৰ অধীনৰ কাম সমূহৰ স্বচ্ছতা আৰু ধন আদায়ৰ প্ৰক্ৰিয়াটো ত্বৰান্বিত কৰাটো নিশ্চিত কৰাৰ অৰ্থে মোৰ চৰকাৰে বায়'মেট্ৰিক স্মাৰ্ট কাৰ্ড প্ৰৱৰ্ত্তনৰ বাবে এখন আঁচনি যুগুত কৰিছে। গ্ৰাম্যাঞ্চলৰ শ্ৰমিকসকলৰ সহায়ক হোৱাকৈ এই ব্যৱস্থা আৰম্ভ কৰাৰ বাবে চৰকাৰে ২ শতাংশ সেৱা মাচুল বহন কৰিবলৈও ব্যৱস্থা কৰিছে। আঁচনি সমূহৰ উপযুক্ত তদাৰক তথা নিৰীক্ষণৰ বাবে ৰাজ্যখনৰ সকলো খণ্ড উন্নয়ন বিষয়াকে একোখনকৈ গাড়ী প্ৰদানৰ সিদ্ধান্তও মোৰ চৰকাৰে লৈছে। মুখ্যমন্ত্ৰীৰ বিশেষ নিয়োজন আঁচনি ২০১০-১১ ৰ অধীনত গ্ৰাম্যাঞ্চলত স্ব-নিয়োজনৰ ক্ষেত্ৰসমূহ সৃষ্টিকৰণৰ বাবে প্ৰায় ১২০০০ কৃষক, মহিলা, শিপিনী আৰু নিৱনুৱা যুৱকক সাহায্য প্ৰদান কৰিবলৈ এচ আই আৰ ডি (SIRD) লৈ ৩৫.৫০ কোটি টকাৰ আৱন্টন দিয়া হৈছে। মোৰ লক্ষ্য হ'ল সমাগত বছৰটোত এনৰেগাৰ (NREGA) অধীনত ৮ কোটি কৰ্ম দিনৰ সৃষ্টি কৰা এচ জি এচ ৱাই (SGSY) ৰ অধীনত ১৩৫০০ গৰাকী লোকৰ স্বনিয়োজনৰ ব্যৱস্থা কৰা।



## ৪৫: নতুন আঁচনি, যোজনা আৰু অন্যান্য ব্যৱস্থাৱলীঃ

মাননীয় সদস্য সকলে জানে যে বিগত বছৰ কেইটাত মই কেইবাটিও উন্নয়নমুখী আৰু কল্যাণমূলক আঁচনি প্ৰৱৰ্তন কৰিছো। কল্পতৰু, জ্ঞানজ্যোতি, দশম শ্ৰেণীৰ উচ্চ মাধ্যমিক পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক আনন্দৰাম বৰুৱা বটাঁৰ জৰিয়তে কম্পিউটাৰ প্ৰদান, লগতে সূতা, পাৱাৰ টিলাৰ, ট্ৰেক্টৰ বিতৰণ, আদি আঁচনি সমূহ যথেষ্ট জনপ্ৰিয় হৈছে। প্ৰচলিত হৈ থকা এই উন্নয়ন মূলক তথা জন কল্যাণমূলক আঁচনি সমূহ অহা বিত্তীয় বছৰতো চলি থাকিব। ভাষণ চমু কৰিবৰ বাবে মই এই আচঁনি সমূহৰ পুনৰাবৃত্তি কৰি মোৰ এই ভাষণ মই দীঘলীয়া কৰিব বিচৰা নাই। কিন্তু মাননীয় সদস্য সকলে জানি আনন্দিত হ'ব যে আমাৰ উন্নত বিত্তীয় অৱস্থাৰ পৰিপ্ৰেক্ষিতত মই কেইটামান নতুন যোজনা আৰু আঁচনি আৰম্ভ কৰিব বিচাৰিছো যাতে ৰাজ্যখনৰ দীৰ্ঘম্যাদী উন্নয়নৰ লগতে সামাজিক আৰু আৰ্থিক ভাৱে দুৰ্বল শ্ৰেণীৰ লোক সকলৰ আৰ্থ সামাজিক অৱস্থাৰ তৎকালীন ভাৱে উন্নতি সাধন হয়। এই নতুন আঁচনি সমূহৰ বাবে মই যথোপযুক্ত পৰিমাণৰ পুঁজি ধাৰ্য্য কৰিছো। মাননীয় সদস্য সকলক মই প্ৰতিশ্ৰুতি দিছো যে নিৰ্দ্ধাৰিত পুজি সমূহ মোকলাই দিয়া আৰু ব্যৱহাৰৰ ক্ষেত্ৰত বিত্তীয় নীতি নিয়ম যাতে উলংঙ্ঘা নহয় তাৰ বাবে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। এতিয়া মই এই আঁচনি সমূহ একাদিক্ৰমে ঘোষণা কৰি যামঃ-

৪৫.০১: দৰিদ্ৰ সীমাৰেখাৰ তলৰ লোক সকলক খাদ্যৰ ক্ষেত্ৰত সুৰক্ষা প্ৰদানৰ অৰ্থে প্ৰতিটো পৰিয়ালক ছয় টকাদৰত সপ্তাহত ১০ কিলোগ্ৰামকৈ চাউলৰ যোগান ধৰা হ'ব। এই আঁচনিৰ অধীনত দৰিদ্ৰ সীমা ৰেখাৰ তলৰ ১৩ লাখ পৰিয়ালক সামৰি লোৱা হ'ব। ইয়াৰ বাবে বাজেটত ১৫০ কোটি টকাৰ ব্যৱস্থা কৰা হৈছে।

৪৫.০২: ৰাজ্য খনৰ ১৬,১৩০ খন ভেঞ্চাৰ স্কুল আৰু কলেজলৈ আৰ্থিক অনুদান আগবঢ়োৱাৰ উদ্দেশ্যে ২০১০-২০১১ চনৰ বাজেটত ৪০০ কোটি টকা ধাৰ্য কৰা

হৈছে। ইয়াৰ ভিতৰত ২০০ কোটি টকা ৮৫৯১ খন ভেঞ্চাৰ নিম্ন প্ৰাথমিক আৰু ৪৭৪৫ খন স্বীকৃতি প্ৰাপ্ত উচ্চ মাধ্যমিক বিদ্যালয়ৰ বাবে। মাধ্যমিক শিক্ষা খণ্ডৰ বাবে ১৩০ কোটি টকা ধাৰ্য কৰা হৈছে যাৰ ফলত দুহেজাৰ ঊনৈশ খন এনে শিক্ষানুষ্ঠান লাভৱান হ'ব। ইয়াৰ লগতে ৬৩৩ খন মাদ্ৰাছা আৰু ১৪২ খন ভেঞ্চাৰ কলেজৰ উন্নয়নৰ বাবেও ৩৫ কোটিকৈ টকাৰ প্ৰস্তাব ৰখা হৈছে।

৪৫.০৩: উচ্চ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান, গণিত আৰু ইংৰাজী বিষয়ৰ বাবে ২৩২০ খন বিদ্যালয় সামৰি মই তিনিজনকৈ অতিৰিক্ত শিক্ষক নিযুক্তি দিবলৈ প্ৰস্তাৱ কৰিছো। ইয়াৰ বাবে প্ৰয়োজন হ'ব পৰা ৬২ কোটি টকাৰ ব্যৱস্থা বাজেটত কৰা হৈছে।

৪৫.০৪: ৰাজ্যখনৰ ৭০০ খন খেৰাজী মাদ্ৰাছা আৰু এশখন সংস্কৃত টোলৰ প্ৰত্যেকলৈ মই ৫ লাখ টকাকৈ সাহাৰ্য অনুদান আগবঢ়োৱাৰ প্ৰস্তাৱ ৰাখিছো। ইয়াৰ বাবে ৪০ কোটি টকাৰ প্ৰয়োজন হ'ব আৰু বাজেটত ইয়াৰ ব্যৱস্থা কৰা হৈছে।

৪৫.০৫: গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰত্যেকৰ বাবে মই ৫ কোটি টকাকৈ উন্নয়নমূলক অনুদান আগবঢ়াবলৈ প্ৰস্তাৱ কৰিছো আৰু বাজেটত ইয়াৰ ব্যৱস্থা কৰিছোঁ।

৪৫.০৬: আমাৰ কলেজ সমূহৰ আলোচনী প্ৰকাশৰ বাবে প্ৰায়েই পুঁজিৰ অভাৱ হোৱা দেখা যায়। মই সেয়েহে প্ৰতিখন কলেজলৈ আলোচনী প্ৰকাশৰ বাবে ২৫,০০০ টকাকৈ অনুদান দিয়াৰ কথা বিবেচনা কৰিছা। ইয়াৰ বাবে বাজেটত এক কোটি টকা ধাৰ্য কৰা হৈছে।

৪৫.০৭: ৰাজ্যৰ প্ৰতিখন স্নাতক মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাক যাৱতীয় সৰঞ্জামেৰে সৈতে একোটা কম্পিউটাৰ প্ৰদান কৰা হ'ব। এই বাৰৰ বাজেটত ইয়াৰ বাবে এক কোটি টকা ধাৰ্য কৰা হৈছে।



৪৫.০৮: নলবাৰীত এখন ৰাজ্যিক পৰ্যায়ৰ সংস্কৃত বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব। সপ্তম শতিকাৰ কামৰূপৰ নৃপতি কুমাৰ ভাস্কৰ বৰ্মনৰ নামেৰে নামাকৰণ কৰিব বিচৰা এই বিশ্ববিদ্যালয় খনৰ কাম আৰম্ভ কৰিবৰ বাবে মোৰ বাজেটত দুই কোটি টকা ধাৰ্য্য কৰাৰ প্ৰস্তাৱ কৰা হৈছে।

৪৫.০৯: PPP ৰ আৰ্হিত নগাঁৱত এখন কাৰীকৰী বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব। ইয়াৰ প্ৰাৰম্ভিক কাম কাজৰ বাবে বাজেটত এক কোটি টকা ধাৰ্য্য কৰা হৈছে।

৪৫.১০: গুৱাহাটী বিশ্ববিদ্যালয়ত চাৰিটা নতুন ছাত্ৰী নিবাস নিৰ্মাণৰবাবেও এইবাৰৰ বাজেটত মই চাৰি কোটি টকা ধৰিছোঁ।

৪৫.১১: ধেমাজী আৰু গোৱালপাৰা জিলাত দুখন নতুন ইঞ্জিনিয়াৰিং কলেজ স্থাপন কৰা হ'ব। ইয়াৰ প্ৰাৰম্ভিক কাম কাজৰ বাবে বাজেটত ৮ কোটি টকা ধাৰ্য কৰা হৈছে।

৪৫.১২: মই হাইলাকান্দি, ধুবুৰী আৰু বৰপেটা জিলাত একোখনকৈ পলিটেকনিক ইন্‌ষ্টিটিউট স্থাপন কৰাৰ প্ৰস্তাৱ ৰাখিছো। এই কাম আৰম্ভ কৰিবৰ বাবে বাজেটত তিনি কোটি টকা আছুতীয়াকৈ থোৱা হৈছে।

৪৫.১৩: যোৰহাটৰ প্ৰিন্স অৱ ৱেল্‌ছ ইন্‌ষ্টিটিউট অৱ ইঞ্জিনিয়াৰিঙ এণ্ড টেকন'লজীৰ উন্নয়ন তথা মেৰামতিৰ বাবে বাজেটত ৫ কোটি টকা ৰখা হৈছে।

৪৫.১৪: বিভিন্ন বৃত্তিত নিপুণতা আৰু পটুতা বঢ়োৱাৰ উদ্দেশ্যে প্ৰতিটো উন্নয়ন খণ্ডতে একোটাকৈ Skill Development Centre খোলা হ'ব। এই কাম আৰম্ভ কৰিবৰ বাবে মই বাজেটত ১০ কোটি টকাৰ প্ৰস্তাৱ ৰাখিছোঁ।

৪৫.১৫: গোৱালপাৰা সৈনিক স্কুলৰ নিৰ্মিয়মান অৱস্থাত থকা চুইমিঙ পুলৰ কাম শেষ কৰিবৰ বাবে বাজেটত মই ২৫ লাখ টকাৰ প্ৰস্তাৱ কৰিছোঁ।

৪৫.১৬: দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰ্য্যায়ত অতি উত্তম ফলাফল দেখুৱা বিদ্যালয় সমূহ চিনাক্ত কৰণ কৰা হ'ব আৰু প্ৰতিখন জিলাৰে দৰিদ্ৰ সীমা ৰেখাৰ তলৰ পৰিয়ালৰ ২০ গৰাকী শিক্ষাৰ্থীক এই শিক্ষানুষ্ঠান সমূহত নাম ভৰ্ত্তিৰ বাবে বাচনি কৰা হ'ব। নিৰ্বাচিত এই শিক্ষাৰ্থী সকলক দ্বাদশ শ্ৰেণী পৰ্য্যন্ত মাহিলী ২০০০ টকাকৈ বৃত্তি দিয়া হ'ব। এই আঁচনি আৰম্ভ কৰিবৰ বাবে বাজেটত ১.৫ কোটি টকা ধাৰ্য্য কৰা হৈছে।

৪৫.১৭: ৰাজ্যখনৰ এক লাখ শিক্ষাৰ্থীক সৌৰ চাকি (solar lamp) প্ৰদান কৰাৰ বাবে বাজেটত মই ১২ কোটি টকাৰ ব্যৱস্থা ৰাখিছোঁ।

৪৫.১৮: চৰকাৰী চাকৰি সমূহৰ ৩০ শতাংশ গ্ৰাম্যাঞ্চলৰ যুৱক যুৱতীৰ বাবে আছুতীয়াকৈ থোৱাৰ ব্যৱস্থা কৰা হ'ব। এই ক্ষেত্ৰত বৰ্তমানৰ প্ৰচলিত আন নীতি নিয়ম সমূহ বাহাল থাকিব।

৪৫.১৯: পশু চিকিৎসা মহাবিদ্যালয়ত এটা বহুমুখী ক্ৰীড়া প্ৰকল্প গঢ়ি তোলাৰ বাবে এইবাৰৰ বাজেটত এক কোটি টকা ৰখা হৈছে।

৪৫.২০: ৰাজ্যখনত ক্ৰীড়াৰ বিকাশৰ বাবে আৰু ২০০৭ চনৰ ৰাষ্ট্ৰীয় ক্ৰীড়াৰ সময়ত গঢ়ি তোলা আন্তঃগাঁথনি সমূহৰ ৰক্ষণাবেক্ষণ আৰু তদাৰকীৰ বাবে অসম ক্ৰীড়া প্ৰাধিকৰণ স্থাপন কৰা হ'ব। এই ক্ষেত্ৰত কাম আগঢ়াবলৈ বাজেটত দুই কোটি টকাৰ প্ৰস্তাৱ ৰখা হৈছে।

৪৫.২১: বঙ্গাইগাৱত বীৰ চিলাৰায়ৰ নামত এটা ক্ৰীড়া তথা সাংস্কৃতিক কেন্দ্ৰ স্থাপনৰ বাবে ব্যৱস্থা কৰা হ'ব। ইয়াৰ প্ৰাৰম্ভিক কাম কাজৰ বাবে বাজেটত এক কোটি টকা ৰখা হৈছে।

৪৫.২২: ৰাজ্যখনৰ মুঠ ১২৬০০ টা sports club লৈ ক্ৰীড়া সামগ্ৰী প্ৰদানৰ অৰ্থে বাজেটত ১০ কোটি টকাৰ প্ৰস্তাৱ কৰা হৈছে।



৪৫.২৩: শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰৰ অন্তৰ্গত শ্ৰী মন্ত শঙ্কৰদেৱ আন্তৰ্জাতিক সন্মিলন কেন্দ্ৰৰ ক্ৰমে ৮০০ আৰু ১২০০ জনকৈ লোক বহিব পৰা আধৰুৱা হৈ থকা প্ৰেক্ষাগৃহ দুটা ২০১১ চনৰ ভিতৰত সম্পূৰ্ণ কৰা হব। ইয়াৰ বাবে বাজেটত ৯.৪ কোটি টকা আছুতীয়াকৈ থোৱা হৈছে।

৪৫.২৪: শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰৰ উপযুক্ত তদাৰকী আৰু চোৱা চিতাৰ বাবে এটা বিত্তীয় নিধি গঠন কৰা হ'ব।। ইয়াৰ আৰম্ভণিৰ বাবে বাজেটত ৫ কোটি টকা ধাৰ্য্য কৰা হৈছে।

৪৫.২৫: একেধৰণৰ ব্যৱস্থা জ্যোতি চিত্ৰবন ফিল্ম ষ্টুডিঅৰ বাবেও কৰা হৈছে আৰুইয়াৰ বাবে দুই কোটি টকা বাজেটত ৰখা হৈছে।

৪৫.২৬: প্ৰাদেশিক চলচিত্ৰ নিৰ্মাণৰ সহায়তাৰ বাবে অসম চলচিত্ৰ বিত্তীয় নিগমৰ ( Assam State Film Finance Corporation ) নামতদুই কোটি টকাৰ আন এটা নিধি গঠন কৰা হ'ব।

৪৫.২৭: ভ্ৰাম্যমান থিয়েটাৰ, ৰাসলীলা আৰু অঙ্কীয়া ভাওনাৰ প্ৰসাৰৰ বাবে কেতবোৰ আঁচনি গ্ৰহণ কৰা হ'ব আৰু এই উদ্দেশ্যে এইবাৰৰ বাজেটত ৩০ লাখ টকা ধাৰ্য্য কৰা হৈছে।

৪৫.২৮: পৰ্য্যটন বিভাগে অসমীয়া আৰু অন্যান্য থলুৱা চলচিত্ৰৰ নিয়মিত প্ৰদৰ্শনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব। ইয়াৰ বাবে বাজেটত মুঠ ৬০ লাখ টকাৰ প্ৰস্তাৱ কৰা হৈছে।

৪৫.২৯: উৰিষ্যাৰ সম্বলপুৰত অৱস্থিত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ বাসভৱনটো অধিগ্ৰহণ কৰি অসম সংগ্ৰহালয় ৰূপে গঢ়ি তোলা হ'ব। ইয়াৰ প্ৰাৰম্ভিক কাম কাজৰ বাবে বাজেটত এক কোটি টকা ধাৰ্য্য কৰা হৈছে।

৪৫.৩০: বীৰ লাচিত বৰফুকনৰ এটা আৰক্ষ মূৰ্তি গুৱাহাটীৰ ওচৰত ব্ৰহ্মপুত্ৰ নদীৰ সোঁমাজত স্থাপন কৰা হ'ব। এই কামৰ বাবে বাজেটত ৪.৫০ কোটি টকা ধাৰ্য্য কৰা হৈছে।

৪৫.৩১: অসমীয়া ভাষাক প্ৰাপ্য স্থানত প্ৰতিষ্ঠা কৰি ইয়াৰ উন্নয়ন সাধন আৰু প্ৰচাৰৰ ক্ষেত্ৰত অভূতপূৰ্ব বৰঙণি আগবঢ়োৱা মাইল্‌ছ ব্ৰনচনৰ এটা আৰক্ষ মূৰ্ত্তি শিৱসাগৰত স্থাপন কৰাৰ প্ৰস্তাৱ কৰা হৈছে। এই উদ্দেশ্যে বাজেটত ১৫ লাখ টকা ধাৰ্য্য কৰা হৈছে।

৪৫.৩২: মই ১২,৬০০ টা সাংস্কৃতিক ক্লাবলৈ সাংস্কৃতি বিষয়ক বস্তু বাহানি প্ৰদান কৰিবৰ অৰ্থে বাজেটত ১০ কোটি টকাৰ প্ৰস্তাৱ কৰিছোঁ।

৪৫.৩৩ : এটা ৰাজ্যিক নাট্য প্ৰতিষ্ঠান গঠন কৰা হ'ব আৰু এই ক্ষেত্ৰত কাম আৰম্ভ কৰিবৰ বাবে এক কোটি টকা বাজেটত ৰখা হৈছে।

৪৫.৩৪ : অসম সংগীত আৰু সাহিত্য একাডেমী স্থাপন কৰা হ'ব। গুৱাহাটীত ইয়াৰ মুখ্য কাৰ্য্যালয় থাকিব। এই ক্ষেত্ৰত কাম আৰম্ভ কৰিবৰ বাবে এক কোটি টকা ধাৰ্য কৰিছোঁ ।

৪৫.৩৫ Indian Art History Congress ৰ অসম শাখালৈ দুই লাখ টকাৰ এটা সহায়ক অনুদান আগবঢ়োৱাৰ প্ৰস্তাৱো বাজেটত ৰখা হৈছে ।

৪৫.৩৬ উত্তৰ পূব ভাৰতৰ থলুৱা সাংস্কৃতিক ঐতিহ্যৰ গৱেষণা আৰু নথীবদ্ধকৰণৰ অৰ্থে এটা প্ৰতিষ্ঠান গঢ়ি তোলা হ'ব আৰু এই ক্ষেত্ৰত কাম আৰম্ভ কৰিবৰ বাবে বাজেটত ৫ লাখ টকা ধাৰ্য্য কৰা হৈছে ।

৪৫.৩৭ এৰী আৰু মুগাৰ উন্নয়নৰ অৰ্থে এটি বিশেষ আঁচনি কাৰ্য্যকৰী কৰা হ'ব । আৰু ইয়াৰ বাবে দুই কোটি টকা বাজেটত ৰাখিছো। মেজাংকৰী মুগা পুনঃউজ্জীৱিতকৰণৰ বাবে আন এটি বিশেষ আঁচনিও হাতত লোৱা হ'ব। মুগাৰ



অসম কেন্দ্ৰীক ভৌগলিক বিশেষত্ব সুৰক্ষিত কৰি ৰখাৰ উদ্দেশ্যে এখন আইন প্ৰৱৰ্ত্তন কৰাৰ ব্যৱস্থাও কৰা হ'ব।

৪৫.৩৮: আমাৰ শিপিনী সকলে ২৫ হেজাৰ টকা পৰ্য্যন্ত মূলধন বিনিয়োগৰ বাবে লোৱা ঋণ আৰু ১০হেজাৰ টকা পৰ্য্যন্ত ব্যৱহাৰিক মূলধনৰ বাবে লোৱা ঋণৰ সুতৰ ওপৰত মই তিনি শতাংশ ৰাজসাহাৰ্য্য দিয়াৰ প্ৰস্তাৱ কৰিছোঁ । এই আঁচনি নাবাৰ্ডৰ জৰিয়তে কাৰ্য্যকৰী কৰা হ'ব। ইয়াৰ বাবে বাজেটত চাৰি কোটি টকা ধাৰ্য্য কৰা হৈছে।

৪৫.৩৯: কৃষি বিভাগৰ জৰিয়তে প্ৰতিটো বিধান সভা সমষ্টিতে ২০ জনকৈ কৃষকলৈ একোখনকৈ পাৱাৰ টিলাৰ আগবঢ়োৱা হ'ব। এই ক্ষেত্ৰত ৭৫ শতাংশকৈ ৰাজসাহাৰ্য্য দিয়া হ'ব আৰু ইয়াৰ বাবে বাজেটত ২০ কোটি টকা ধাৰ্য্য কৰা হৈছে ।

৪৫.৪০: লক্ষীমপুৰৰ পশু চিকিৎসা মহাবিদ্যালয় পুনৰোজ্জীৱিত কৰণৰ বাবে বাজেটত মই ২.৫০ কোটি টকাৰ প্ৰস্তাৱ কৰিছোঁ।

৪৫.৪১ : ২০ হাজাৰ টকা পৰ্য্যন্ত শস্য ঋণৰ ওপৰত আমি ইতিমধ্যেই দুই শতাংশ ৰাজ সাহাৰ্য্য দি আহিছো। আগন্তুক বছৰত মই এই ৰাজ সহাৰ্য্যৰ পৰিমাণ ৩ শতাংশলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ কৰিছোঁ।

৪৫.৪২ : শিৱসাগৰত এখন Regional Institute of Cooperation and Management Training স্থাপন কৰা হ'ব। এই অনুষ্ঠানৰ কাম আৰম্ভ কৰিবৰ বাবে বাজেটত মই এক কোটি টকাৰ মঞ্জুৰী দিয়াৰ প্ৰস্তাৱ কৰিছোঁ।

৪৫.৪৩ এপেক্স বেঙ্কৰ জৰিয়তে বৈদ্যনাথন কমিটিয়ে অনুমোদন কৰা মতে সমবায় ঋণ গাঁথনিক পুনৰোজ্জীৱিত কৰা হ'ব। ইয়াৰ বাবে কেন্দ্ৰই আগবঢ়োৱা ১৮০ কোটি টকাৰ বিপৰীতে ৰাজ্যই দিবলগীয়া অংশ ২০ কোটি টকা মই বাজেটত প্ৰস্তাৱ কৰিছোঁ।

৪৫.৪৪ আমাৰ গ্ৰাম্যাঞ্চলৰ গাওঁ পঞ্চায়ত সমবায় সমিতি সমূহে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ সামগ্ৰী সমূহ নুন্যতম লাভাংশত ৰাইজক যোগান ধৰে। তেওঁলোক চলি থাকিব পৰাকৈ মই তেওঁলোককৈ ব্যৱহাৰিক লাভাংশ এটা আগবঢ়াবলৈ মনস্থ কৰিছোঁ। পোনতে এক কোটি টকাৰে এই ব্যৱস্থাটো আৰম্ভ কৰিব খুজিছোঁ।

৪৫.৪৫: পঞ্চায়ত ব্যৱস্থাৰ বিভিন্ন স্তৰত আৰু নগৰীয়া স্থানীয় শাসনৰ গোট সমূহত মই ৫০ শতাংশ আসন মহিলাৰ বাবে সংৰক্ষণ কৰিবলৈ প্ৰস্তাব কৰিছোঁ।

৪৫.৪৬: চৰকাৰী কাৰ্য্যালয়ত নিবিদাৰ জৰিয়তে যোগান ধৰিব লগীয়া সামগ্ৰী সমূহ আৰু দহ লাখৰ তলৰ ঠিকা সমূহৰ ২০ শতাংশ মহিলাৰ বাবে সংৰক্ষণ কৰা হ'ব।

৪৫.৪৭: মই ইতিমধ্যেই মাটি বাৰী পঞ্জীয়নৰ ক্ষেত্ৰত মহিলা সকললৈ এক শতাংশকৈ পঞ্জীয়ন মাচুল ৰেহাই দিছোঁ। সমাগত বছৰটোত দুই লাখতকৈ কম মূল্যৰ মাটিৰ ক্ষেত্ৰত এই ৰেহাইৰ হাৰ মই ২ শতাংশলৈ বৃদ্ধি কৰিবলৈ প্ৰস্তাৱ কৰিছোঁ।

৪৫.৪৮: ৰাজ্যখনৰ ৫০ হাজাৰ নিবনুৱা তথা অকলশৰীয়া যুৱতীলৈ ১০ হেজাৰ টকাকৈ আৰ্থিক সাহাৰ্য্য আগবঢোৱা হ'ব। ইয়াৰ বাবে বাজটত মই ৫০ কোটি টকাৰ প্ৰস্তাৱ ৰাখিছোঁ।

৪৫.৪৯: একেদৰে দৰিদ্ৰ সীমাৰেখাৰ তলৰ ছোৱালীহঁতলৈ মই বিবাহ সম্পৰ্কীয় খৰছৰ বাবে ১০ হাজাৰ টকাকৈ আৰ্থিক সাহাৰ্য্য দিয়াৰ প্ৰস্তাৱ কৰিছোঁ। ইয়াৰ বাবে বাটেত ১০ কোটি টকা ধাৰ্য্য কৰা হৈছে।

৪৫.৫০ : মই ৰাজ্যখনৰ মহিলাৰ দ্বাৰা পৰিচালিত এক লাখ আত্ম সহায়ক গোটলৈ গাইপতি ৫০০০ টকাৰ একোটাকৈ আৰ্থিক সাহাৰ্য্য আগবঢ়োৱাৰ প্ৰস্তাৱ কৰিছোঁ। ইয়াৰ বাবে বাজেটত ৫০ কোটি টকা ধাৰ্য কৰা হৈছে।

৪৫.৫১ ৰাজ্যিক মহিলা আয়োগৰ নিজা কাৰ্য্যালয় নিৰ্মাণৰ বাবে বাজেটত এক কোটি টকা ৰখা হৈছে।



৪৫.৫২: মহিলা আৰু যুৱ উন্নয়ণৰ দিশ সমূহ চোৱা চিতা কৰিবৰ বাবে মই মহিলা কল্যাণ পৰিষদ আৰু যুৱ কল্যাণ পৰিষদ দুখন গঠনৰ প্ৰস্তাব আগবঢ়াইছোঁ। ইয়াৰ বাবে বাজেটত ২৫ লাখ টকাকৈ মুঠ ৫০ লাখ টকা ধাৰ্য্য কৰিছোঁ।

৪৫.৫৩: নিৰ্মাণ ক্ষেত্ৰ সমূহত অসংগঠিত চুক্তি বদ্ধ বনুৱাই বিভিন্ন ধৰণৰ সমস্যাত ভোগে । ২০১০-২০১১ বৰ্ষত মোৰ চৰকাৰে এই বনুৱা সকলৰ কল্যাণৰ অৰ্থে গৃহ,সুৰক্ষা আৰু নুণ্যতম সা-সুবিধা প্ৰদানৰ বাবে দুই কোটি টকাৰ প্ৰস্তাব বাজেটত আগবঢ়াইছে।

৪৫.৫৪: হৰিজন সকলৰ আৰ্থ-সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক উন্নয়ণৰ বাবে অহা বিত্তীয় বৰ্ষত এখন বিশেষ আচনি ৰূপায়ণ কৰা হ'ব। এই উদ্দেশ্যে এক কোটি টকাৰ প্ৰস্তাব বাজেটত আগবঢ়ইছোঁ।

৪৫.৫৫: ভাৰত চৰকাৰে নতুনকৈ হাতত লোৱা পেঞ্চন আঁচনি খন আমাৰ সমাজৰ দুৰ্বল শ্ৰেণীৰ লোক সকলকো সামৰিব পৰাকৈ বিস্তৃত কৰা হ'ব। বাজেটত ইয়াৰ বাবে দুই কোটি টকাৰ প্ৰস্তাব ৰখা হৈছে ।

৪৫.৫৬: আশা, অংগনৱাডী কৰ্মী ,হোমগাৰ্ড আৰু গাওঁৰক্ষী বাহিনীৰ সদস্য সকলৰ স্বাস্থ্যবীমা আৰু মৃত্যুবীমা এটা নতুন বীমা পলিচীৰ অৰ্ন্তভূক্ত কৰা হ'ব ।ইয়াৰ বাবে বাজেটত এক কোটি টকা ধাৰ্য্য কৰা হৈছে।

৪৫.৫৭ জীৱন জ্যোতি আঁচনিৰ বাকী ৰৈ যোৱা অংশ খিনি এই বৰ্ষত শেষ কৰা হ'ব। এই উদ্দেশ্যে মই ১০ কোটি টকাৰ প্ৰস্তাব বাজেটত আগবঢ়াইছোঁ।

৪৫.৫৮ : মুঠ ৬০০০ টা বিশুদ্ধ খোৱা পানীৰ উৎস স্থাপন কৰা হ'ব। ইয়াৰ বাবে ১৫ কোটি টকা খৰচ হ'ব । প্ৰতিটো বিধান সভা সমষ্টিয়ে ৫০টা কৈ এনে পানীৰ উৎস লাভ কৰিব ।

৪৫.৫৯ : মাননীয় সদস্য সকলে জানিবলৈ পাই সুখী হ'ব যে বাইপাচ অস্ত্ৰোপ্ৰচাৰ কৰিা দুখীয়া ৰোগীসকলক আৰ্থিক সকাহ দিবৰ বাবে বাজেটত ৫ কোটি টকাৰ প্ৰস্তাব ৰখা হৈছে ।

৪৫.৬০ : ডিফুত এখন মেডিকেল কলেজ স্থাপন কৰা হ'ব। এই ক্ষেত্ৰত প্ৰাৰম্ভিক কামৰ বাবে ৫.০০ কোটি টকা বাজেটত ৰখা হৈছে।

৪৫.৬১: ডিব্ৰুগড়ৰ বেৰী হোৱাইট মেডিকেল স্কুল খনৰ উন্নয়ন সাধন কৰা হ'ব আৰু এটি ঐতিহ্যপূৰ্ণ স্থান ৰূপে ৰক্ষণাবেক্ষণ দিয়া হ'ব। ইয়াৰ বাবে বাজেটত এক কোটি টকা ৰখা হৈছে।

৪৫.৬২: PPP ব্যৱস্থাত নগাৱঁত এখন মেডিকেল কলেজ স্থাপন কৰা হ'ব। এই কামৰ আৰম্ভণিৰ বাবে এক কোটি টকা বাজেটত ধাৰ্য্য কৰা হৈছে ।

৪৫.৬৩ : স্থানীয় ঔষধি আৰু দ্ৰব্য গুণ সম্পন্ন উদ্ভিদৰ বিকাশৰ হ'কে এখন আঁচনি হাতত লোৱা হ'ব। ইয়াৰ বাবে বাজেটতএক কোটি টকা ধাৰ্য্য কৰা হৈছে।

৪৫.৬৪: মেলেৰিয়া নিৰ্মূল কৰণৰ অৰ্থে দৰিদ্ৰ সীমাৰেখাৰ তলৰ ২০ লাখ পৰিয়ালক দীৰ্ঘদিন ধৰি টিকি থকা দৰৱযুক্ত আঠুৱা প্ৰদান কৰা হ'ব। বাজেটত ইয়াৰ বাবে ৭৫ কোটি টকা ধাৰ্য্য কৰা হৈছে।

৪৫.৬৫ : প্ৰতিটো বিধান সভা সমষ্টিতে দৰিদ্ৰ সীমা ৰেখাৰ তলৰ ২০ হাজাৰকৈ পৰিয়াললৈ সুতা আৰু কম্বল বিতৰণ কৰা হ'ব। ইয়াৰ বাবে বাজেটত ১০০ কোটি টকা ৰখা হৈছে।

৪৫.৬৬ : মৃতকক সত্কাৰৰ বাবে শ্মশান বা কবৰস্থানলৈ কঢ়িয়াই নিবৰ কাৰণে আৰু প্ৰতি খন জিলাতে শ্মশান তথা কবৰস্থান সমূহ চোৱা-চিতা কৰিবৰ বাবে নগৰ উন্নয়ন বিভাগে এখনি আঁচনি প্ৰৱৰ্তন কৰিব। ইয়াৰ বাবে প্ৰয়োজনীয় ১০ কোটি টকা বাজেটত ৰখা হৈছে।



৪৫.৬৭: ৰাজ্যখনৰ ৮৮ খন নগৰৰ লাইটবিহীন আলিবাট সমূহত মুঠ ৫০ হাজাৰটা লাইটৰ ব্যৱস্থা কৰা হ'ব। এই উদ্দেশ্যে বাজেটত ২৫ কোটি টকা ধাৰ্য্য কৰা হৈছে।

৪৫.৬৮ : একেধৰণে গুৱাহাটীৰ লাইটবিহীন আলিবাট সমূহতো এইবছৰতে ৫০০০ টা লাইট লগোৱাৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ বাবে ২.৫০ কোটি টকা এই বছৰৰ বাজেটত ধৰা হৈছে।

৪৫.৬৯: ইয়াৰোপৰি মই দৰিদ্ৰ সীমাৰেখাৰ তলৰ দহ লাখ পৰিয়াললৈ দুটাকৈ বিনামূলীয়া CFL লাইট দিবলৈ প্ৰস্তাৱ কৰিছোঁ। ইয়াৰ বাবে ১৫ কোটি টকা ব্যয় হ'ব। এই আঁচনি শক্তি বিভাগে কাৰ্য্যকৰী কৰিব।

৪৫.৭০: গ্ৰাম্যাঞ্চলৰ সৈতে যোগাযোগ ব্যৱস্থা উন্নীতকৰণৰ বাবে পৰিবহণ বিভাগৰ শিতানত ২০ কোটি টকা ধাৰ্য্য কৰা হৈছে।

৪৫.৭১: মই অসম ৰাজ্যিক পৰিবহণ নিগমৰ পৰিকল্পনা বৰ্হিভূত অনুদানৰ পৰিমাণ বৰ্ত্তমানৰ বছৰি ১০ কোটিৰ পৰা ২০ কোটি টকালৈ বৃদ্ধি কৰাৰ প্ৰস্তাব কৰিছোঁ।

৪৫.৭২: চাহ বাগিছাৰ সম্প্ৰদায় সমূহৰ কল্যাণৰ হকে মোৰ বাজেটত ২০ কোটি টকা ধাৰ্য্য কৰা হৈছে।

৪৫.৭৩: ৰাজ্যিক হজ কমিটিৰ বাৰ্ষিক পৰিকল্পনা বৰ্হিভূত অনুদানৰ পৰিমাণ বৰ্তমানৰ ২৫.৫০ লাখ টকাৰ পৰা ৩৫ লাখ টকালৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ কৰা হৈছে।

৪৫.৭৪: কাৰ্বি আংলঙ আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলা দুখনত বিশেষ উন্নয়নমূলক প্ৰকল্প গ্ৰহণ কৰাৰ অৰ্থে দুয়োখন জিলালৈ গাইপতি ৫০ কোটি টকাৰ একোটা পেকেজৰ মই প্ৰস্তাৱ কৰিছোঁ।

৪৫.৭৫: প্ৰতিটো বিধান সভা সমষ্টিৰ দৰিদ্ৰ সীমাৰেখাৰ তলৰ আৰু খহনীয়াৰ দ্বাৰা আক্ৰান্ত ১০০০ টা পৰিয়ালৰ পুনঃ সংস্থাপনৰ বাবে নগদ ২০০০ কৈ টকা আৰু দুই বাণ্ডিলকৈ টিনপাত আগবঢ়োৱাৰো প্ৰস্তাৱ কৰা হৈছে। ইয়াৰ বাবে বাজেটত ৫০ কোটি টকা ধাৰ্য্য কৰা হৈছে।

৪৫.৭৬: সন্ত্ৰাসবাদীৰ কাৰ্য্যকলাপৰ ফলত মৃত্যু বৰণ কৰা লোকৰ সন্তান সকলৰ কোনোৱে যদি চিকিৎসা বিজ্ঞান,ইঞ্জিনিয়াৰিঙ, আৰ্কিটেকচাৰ, ডিজাইনিং আৰু মেনেজমেণ্টৰ দৰে কোনো পেশাগত শিক্ষা গ্ৰহণৰ বাবে আগ্ৰহী আৰু উপযুক্ত হয়, মই তেওঁলোকলৈ এক লাখ টকাকৈ এক কালীন সাহাৰ্য্য আগবঢ়োৱাৰ প্ৰস্তাৱ কৰিছো। ইয়াৰ বাবে বাজেটত এক কোটি টকা ধাৰ্য্য কৰা হৈছে।

৪৫.৭৭: কাৰ্বি আংলঙ আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ আত্মসমৰ্পণকাৰী সন্ত্ৰাসবাদী সকলৰ পুনঃ সংস্থাপনৰ বাবে তেওঁলোকৰ প্ৰতিজনলৈ দুই লাখ টকাকৈ আগবঢ়োৱা হ'ব।

৪৫.৭৮: গুপ্তহত্যা আৰু সন্ত্ৰাসবাদৰ বলি হোৱা লোকৰ নিকটাত্মীয়লৈ চৰকাৰী চাকৰিৰ দুই শতাংশ আচুতীয়াকৈ থোৱাৰ মই প্ৰস্তাৱ কৰিছো।

৪৫.৭৯: সন্ত্ৰাসবাদৰ ফলত মৃত্যু বৰণ কৰা লোকৰ নিকটাত্মীয়লৈ আগবঢ়োৱা এককালীন আৰ্থিক অনুদানৰ পৰিমাণ বৰ্তমানৰ তিনি লাখ টকাৰ পৰা পাঁচ লাখ টকালৈ বৃদ্ধি কৰা হ'ব।

৪৫.৮০: গৃহৰক্ষী, গাওঁৰক্ষী বাহিনীৰ জোৱান আৰু গাওঁবুঢ়া সকলৰ পাৰিশ্ৰমিকৰ পৰিমাণ বৰ্ত্তমানৰ পৰা ৫০ শতাংশ বৃদ্ধি কৰাৰ প্ৰস্তাৱ কৰা হৈছে।

৪৫.৮১: প্ৰতিখন জিলাতে একো জনকৈ অতিৰিক্ত উপায়ুক্তৰ অধীনত বৰ্তমানে থকা "ৰাজহুৱা অভিযোগ কোষ" সমূহৰ উন্নীতকৰণ কৰা হ'ব।



৪৫.৮২: থানা পৰ্যায়ত আৰক্ষী আৰু ৰাইজৰ ভাববিনিময় অনুষ্ঠানত জিলা দণ্ডাধীশ আৰু আৰক্ষী অধীক্ষকৰ উপস্থিতি নিশ্চিত কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছো। আগন্তুক বিত্তীয়বৰ্ষত প্ৰতিখন জিলাৰ প্ৰত্যেক থানাকে এই কাৰ্যসূচীৰ ভিতৰত সামৰি লোৱা হ'ব।

৪৫.৮৩: আদালতত নিস্পত্তি হ'বলৈ বাকী থকা গোচৰ সমূহ শীঘ্ৰে নিস্পত্তিকৰণৰ বাবে শ্ৰমিক ন্যায়াধিকৰণ , উদ্যোগিক ন্যায়াধিকৰণ, পাৰিবাৰিক আদালত আৰু মটৰ দুৰ্ঘটনা ক্ষতিপূৰণ ন্যায়াধিকৰণকে আদি কৰি সকলো ধৰণৰ আদালতৰ সংখ্যা বৃদ্ধি কৰা হ'ব। এই ক্ষেত্ৰত ত্ৰয়োদশ বিত্ত আয়োগৰ অনুদানৰ ওপৰিও বাজেটত অতিৰিক্ত ভাৱে ১০ কোটি টকা ধাৰ্য্য কৰা হৈছে।

৪৫.৮৪: সম্প্ৰতি বেআইনী ভাৱে মাটি দখল কৰা এক অসাধু প্ৰক্ৰিয়া, বিশেষভাৱে গুৱাহাটীত, গা-কৰি উঠাটো মোৰ দৃষ্টিগোচৰ হৈছে। ২০১০ চনৰ আগষ্ট মাহৰ ভিতৰতে বেআইনী, জোৰ জুলুম আৰু প্ৰতাৰণামূলক পদ্ধতিৰ দ্বাৰা মালিকীস্বত্ত্ব আৰু দখল হস্তগতকৰণ নিবাৰক আইন এখন উত্থাপন কৰিবলৈ মই প্ৰস্তাৱ কৰিছোঁ।

৪৫.৮৫: ৰাজ্যখনৰ তদাৰকী প্ৰশাসন সৰলীকৰণ কৰা হ'ব। এই সংক্ৰান্তীয় বিধেয়ক এখন অহা আগষ্ট মাহৰ ভিতৰতে উত্থাপন কৰাৰ বাবে মই প্ৰস্তাৱ কৰিছোঁ।

কৰা ৰোপণঃ

৪৬. মটৰগাড়ী কৰঃ মই মটৰগাড়ী কৰৰ গাঁথনি সংশোধন আৰু সৰলী কৰণ কৰি প্ৰায় ১০৫ কোটি টকা অতিৰিক্ত ৰাজহ সংগ্ৰহ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছোঁ। একেদৰে অসম যাত্ৰী আৰু মাল কৰাৰোপন বিধেয়ক ১৯৬২ (Assam Passanger Goods TaxationAct 1962, )ৰ অধীনত কৰ সংগ্ৰহৰ থুল মুল নিৰিখ সমূহ সংশোধন কৰাৰ বিষয়টো বিবেচনা কৰি আছোঁ। এই সংশোধনী কাৰ্যকৰী হলে বছৰি প্ৰায় দুই কোটি টকাৰ অতিৰিক্ত ৰাজহ সংগ্ৰহ হ'ব। তাৰোপৰি অসম মটৰগাড়ী কৰাৰোপন বিধেয়ক ১৯৩৬ (Assam Motor Vehicle Taxation Act 1936) ৰ সংশোধন কৰি ১ শতাংশ পথ সুৰক্ষা মাচুল অৰ্থাৎ

(Cess) লগোৱা ব্যৱস্থাও কৰা হ'ব। ইয়াৰ ফলত বছৰি এক কোটি টকা অতিৰিক্ত ৰাজহ আদায় হ'ব। এই ৰাজহ পথ সুৰক্ষা ব্যৱস্থা ৰূপায়ণৰ বাবে গঠিত এক নিৰ্দ্দিষ্ট পুঁজিত জমা হ'ব।

৪৭) আৱকাৰী শুল্ক ঃ চলিত বিত্তীয় বছৰটোত ১৮ শতাংশ ৰাজহ বৃদ্ধি কৰি ৰাজহৰ আৱকাৰী বিভাগে প্ৰায় ২৩৫ কোটি টকাৰ ৰাজহ সংগ্ৰহ কৰিব পাৰিব বুলি আশা কৰা হৈছে। ইয়াৰ ওপৰিও আৱকাৰী শুল্কৰ নিৰিখ আৰু অনুজ্ঞা পত্ৰৰ মাচুলৰ হাৰ সংশোধন কৰি বছৰি প্ৰায় ২৫ কোটি টকাৰ অতিৰিক্ত ৰাজহ সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰা হ'ব।

৪৮) বাণিজ্যিক কৰ-

কৰ প্ৰস্তাৱ সমূহ উপস্থাপন কৰাৰ পূৰ্বে মই পবিত্ৰ সদনক চলিত বিত্তীয় বৰ্ষৰ কিছুমান গুৰুত্বপূৰ্ণ কথাৰ বিষয়ে অৱগত কৰিব খুজিছোঁ। -

১) দ্ৰব্য আৰু সেৱা কৰ (Goods and Service Tax- GST )

১ এপ্ৰিল ২০১০ চনৰ পৰা GST প্ৰৱৰ্ত্তন কৰাৰ প্ৰস্তাৱ আছিল। কিন্তু কিছু গুৰুত্বপূৰ্ণ বিষয় অমীমাংসিত হৈ থকাৰ বাবে GST ১ এপ্ৰিল ২০১০ চনৰ পৰা কাৰ্য্যকৰী নহব।

২) কেন্দ্ৰীয় বিক্ৰী কৰ [CST] ঃ- কেন্দ্ৰীয় বিক্ৰী কৰৰ হাৰ ১ জুন ২০০৮ চনৰ পৰা দুই শতাংশলৈ হ্ৰাস কৰা হয়। এক এপ্ৰিল ২০১০ চনৰ পৰা CST প্ৰৱৰ্ত্তন কৰা হ'লে কেন্দ্ৰীয় বিক্ৰী কৰ প্ৰত্যাহাৰ কৰাৰ প্ৰস্তাৱ আছিল। কেন্দ্ৰীয়

বিক্ৰী কৰৰ হাৰ হ্ৰাস হোৱাৰ বাবে ৰাজ্য সমূহে সন্মুখীন হোৱা আৰ্থিক ক্ষতি পূৰণ কৰাৰ প্ৰতিশ্ৰুতি কেন্দ্ৰীয় চৰকাৰে দিছিল। যিহেতু ১ এপ্ৰিল ২০১০ চনৰ পৰা CST প্ৰৱৰ্ত্তন নহব সেয়েহে কেন্দ্ৰীয় বিক্ৰী কৰ ২ শতাংশ হাৰত চলি থাকিব। কিন্তু কেন্দ্ৰীয় চৰকাৰে অহা ২০১০-১১ বিত্তীয় বৰ্ষ আৰু তাৰ পাছৰ বিত্তীয় বৰ্ষ সমূহৰ বাবে CST ৰ হাৰ হ্ৰাস কৰাৰ বাবদ ক্ষতিপূৰণ দিবলৈ অমান্তি হৈছে। এই প্ৰেক্ষাপটত আমাৰ ৰাজ্য তথা আন বহুতো ৰাজ্যৰ ৰাজহ সংগ্ৰহৰ হাৰ হ্ৰাস পাব। ৰাজ্য সমূহৰ বিত্ত মন্ত্ৰী সকলৰ উচ্চ ক্ষমতা সম্পন্ন কমিটিয়ে ২০০৯-২০১০



আৰু তাৰ পাছৰ বছৰ সমূহৰ ক্ষতিপূৰণ সম্পৰ্কে এটা আশু সমাধান উলিয়াবলৈ কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি আছে।

৩) বিশ্ব জুৰি হোৱা বিত্তীয় মন্দাৱস্থা আৰু তাৰ ফল স্বৰূপে উদ্ভৱ হোৱা অৰ্থনৈতিক দুৰৱস্থাই যোৱা দুটা বছৰত আমাৰ ৰাজ্যৰ কৰ সংগ্ৰহতো বিৰূপ প্ৰভাৱ পেলাইছে। এই সংকট অৱশ্যে ধীৰে ধীৰে অৱসান হ'বলৈ ধৰিছে আৰু পৰিস্থিতিৰ কিছু উন্নতি হৈছে। ২০০৯ চনৰ জানুৱাৰী মাহলৈ সাম্প্ৰতিক হিচাবত কৰ সংগ্ৰহৰ পৰিমাণ ২৮২৩.৭৪ কোটি হোৱাৰ বিপৰীতে ২০১০ চনৰ জানুৱাৰী মাহলৈ কৰ সংগ্ৰহৰ পৰিমাণ হৈছেগৈ ৩২৩২.৩৮ কোটি টকা আৰু এই কৰ বৃদ্ধিৰ হাৰ হ'ল ১৪ শতাংশ। পেট্ৰ'লজাত সামগ্ৰী আৰু সুৰাৰ ওপৰত আৰোপিত কৰ সংগ্ৰহ বাদ দিলে যোৱা ২০০৯ চনৰ জানুৱাৰী মাহলৈকে মূল্য সংযোজিত কৰ (Vat) সংগ্ৰহৰ পৰিমাণ ১১০০.২৬ কোটি টকা হোৱাৰ বিপৰীতে ২০১০ চনৰ জানুৱাৰী মাহলৈকে এই কৰ সংগ্ৰহৰ পৰিমাণ হ'ল ১৩৫২.৯০ কোটি টকা আৰু এই বৃদ্ধিৰ হাৰ হ'ল ২৩ শতাংশ। পৱিত্ৰ সদনক জনাবলৈ পাই মই সুখী হৈছো যে ২০ শতাংশতকৈ অধিক ভেট সংগ্ৰহ বৃদ্ধি কৰিবলৈ সক্ষম হোৱা মুষ্টিমেয় ৰাজ্য কেইখনৰ ভিতৰত অসম অন্যতম।

৪) উদ্যোগ নীতি ২০০৮ চনৰ কৰ ৰেহাইৰ প্ৰস্তাৱ সমূহ কাৰ্য্যকৰী কৰাৰ বাবে অসম উদ্যোগিক ( কৰ ৰেহাই) আঁচনি, ২০০৯ ইতিমধ্যে জাৰী কৰা হৈছে।

৫) কেন্দ্ৰীয় ভেট পঞ্জীয়ন কক্ষ - ব্যৱসায়ীৰ সুবিধাৰ্থে ২০০৯ চনৰ ১ অক্টোবৰ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ গুৱাহাটীত এটা কেন্দ্ৰীয় ভেট পঞ্জীয়ন কক্ষ (VRC) গঠন কৰা হৈছে। এতিয়া যিকোনো ব্যৱসায়ীয়ে ভেট পঞ্জীয়নৰ বাবে কেন্দ্ৰীয় ভেট পঞ্জীয়ন কক্ষত আবেদন কৰিব পাৰে আৰু পঞ্জীয়ণ প্ৰমাণ পত্ৰ একেদিনাই সংগ্ৰহ কৰিব পাৰে।

৬) সংযুত নিৰীক্ষণ চকী ঃ আধুনিক প্ৰযুক্তিৰে সমৃদ্ধ শ্ৰীৰামপুৰ সংযুত নিৰীক্ষণ চকীৰ কাম প্ৰায় সম্পূৰ্ণ হৈ উঠিছে আৰু শীঘ্ৰেই ই কাৰ্য্যকৰী হৈ উঠিব।

**কৰ প্ৰস্তাৱ সমূহঃ**

ক) যোৱা কেইমাহ মানৰ পৰা খাদ্য সামগ্ৰীৰ দাম যথেষ্ট বৃদ্ধি পোৱাৰ হেতুকে মই চেনীৰ ওপৰত আৰোপিত ১ শতাংশ প্ৰৱেশ কৰ আৰু কণী আৰু মাছৰ ওপৰত

আৰোপিত ৪ শতাংশ প্ৰৱেশ কৰ (Entry Tax) প্ৰত্যাহাৰৰ প্ৰস্তাৱ লৈছো।

খ) কাপোৰ ব্যৱসায়ী আৰু কাপোৰ প্ৰস্তুত কৰ্ত্তা সকলৰ আবেদন বিবেচনা কৰি কাপোৰৰ ওপৰত আৰোপিত প্ৰৱেশ কৰ ৪ শতাংশৰ পৰা ২ শতাংশলৈ হ্ৰাস কৰিবলৈ প্ৰস্তাৱ আগবঢ়াইছোঁ।

গ) ৰাজ্যৰ চাহ সংমিশ্ৰণ (blending) আৰু মোড়কজাত কৰণ (, packaging) গোট সমূহক উদগণি দিয়াৰ অৰ্থে চাহৰ ওপৰত আৰোপিত ৪ শতাংশ হাৰৰ প্ৰৱেশ কৰ প্ৰত্যাহাৰৰ প্ৰস্তাৱ লৈছো।

ঘ) ৰাজ্যৰ চলচিত্ৰ গৃহ সমূহৰ ব্যৱসায় পুনৰোত্থানৰ ৰেঙণি দেখা গৈছে। এই ছবিৰঘৰ সমূহক উদ্‌গণি দিয়াৰ অৰ্থে ছবিঘৰ সমূহত প্ৰৱেশৰ ওপৰত আৰোপিত আমোদ কৰ ২০ টকা প্ৰৱেশ মূল্য পৰ্য্যন্ত এতিয়াৰ ৩০ শতাংশৰ ঠাইত ১৫ শতাংশ আৰু ২০ টকাৰ অধিক প্ৰৱেশ মূল্যৰ ওপৰত এতিয়াৰ ৫০ শতাংশৰ ঠাইত ২০ শতাংশ হাৰলৈ হ্ৰাস কৰাৰ প্ৰস্তাৱ লৈছোঁ। তাৰোপৰি বৃহৎ আৰু ক্ষুদ্ৰ ছবিঘৰ সমূহৰ কৰ একেই হাৰত ৰখাৰ প্ৰস্তাৱ ৰাখিছোঁ।

ঙ) যোৱা বছৰ চিকিৎসা সামগ্ৰীৰ ওপৰত আৰোপিত কৰ হ্ৰাস কৰা হৈছিল। এতিয়া মই এক্সৰে ফিল্ম আৰু তেনে আন ৰোগ নিৰ্ণায়ক ফিল্ম সমূহৰ ভেট ৫ শতাংশলৈ কমোৱাৰ প্ৰস্তাৱ আগবঢ়াইছোঁ।

চ) ঘৰুৱা ব্যৱহাৰ্য্য ৰন্ধন সজুলি যেনে প্ৰেচাৰ কুকাৰ, তীখা আৰু পীতলৰ বাচন বৰ্ত্তনৰ ওপৰত আৰোপিত কৰ ১৩.৫ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰাৰ প্ৰস্তাৱ লৈছো।

ছ) হোটেল আৰু ৰন্ধা খাদ্যবস্তু যোগান ব্যৱসায়ত নিযুক্তিৰ সম্ভাৱনা প্ৰচুৰ। সেইবাবে পৰ্য্যটন আৰু এনে উদ্যোগ সমূহক উদ্‌গণি দিয়াৰ উদ্দেশ্যে ৰন্ধা খোৱা বস্তুৰ ওপৰত আৰোপিত ভেটৰ হাৰ ১৩.৫ শতাংশৰ পৰা ৪ শতাংশলৈ হ্ৰাস কৰাৰ প্ৰস্তাৱ ৰাখিছোঁ।

জ)পৰ্য্যটন আৰু আন্তঃগাঁথনি উন্নয়নৰ বাবে লিজ ব্যৱস্থাপনাৰ ওপৰত ১৩.৫



শতাংশ হাৰৰ কৰ ৫ শতাংশলৈ কমোৱাৰ প্ৰস্তাৱ ৰাখিছোঁ।

ঝ) কাগজ, প্লাষ্টিকৰ কাপ আৰু গিলাছৰ ওপৰত আৰোপিত কৰ ৫ শতাংশৰ হাৰত চলি আছে। এতিয়া মই কাগজ আৰু প্লাষ্টিকৰ প্লেট, কাটা চামুচ আৰু চামুচৰ ওপৰত আৰোপিত কৰৰ হাৰো ১৩.৫ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰাৰ প্ৰস্তাৱ ৰাখিছোঁ।

ঞ)যোৱা বছৰ প্লাইউডৰ ওপৰত ভেট ৫ শতাংলৈ হ্ৰাস কৰা হৈছিল। এতিয়া ব্লক বোৰ্ড ( Block Board) আৰু ডেকোৰেটিভ প্লাইউডৰ ওপৰত আৰোপিত কৰৰ হাৰো ১৩.৫ শতাংশৰ পৰা ৫ শতাংলৈ হ্ৰাস কৰাৰ প্ৰস্তাৱ লৈছোঁ।

ট) হালধি খেতিয়ক সকলক উদ্‌গণি দিয়াৰ অৰ্থে কেঁচা হালধিৰ ওপৰত আৰোপিত ৫ শতাংশ হাৰৰ ভেট প্ৰত্যাহাৰৰ প্ৰস্তাৱ লৈছোঁ।

ঠ) পৰম্পৰাগত স্থানীয় আটচবাজী শিল্পক উদ্‌গণি দিয়াৰ অৰ্থে মই এনে পৰম্পৰাগত স্থানীয় আটচবাজীৰ প্ৰস্তুতকৰ্ত্তা সকলক জমা দিয়া কৰ ঘূৰাই দিয়াৰ এখন আঁচনি যুগুত কৰাৰ প্ৰস্তাৱ ৰাখিছোঁ।

ড) যোৱা বছৰৰ পৰা কৃষি আয় নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত ICD আমিনগাৱৰ পৰা ৰপ্তানী কৰা প্ৰতি কেজি চাহৰ বাবদ ৫ টকাকৈ বাদ দিয়া হয়। মুঠ কৃষি আয়ৰ

পৰা ১ এপ্ৰিল ২০১০ চনৰ পৰা আৰু এবছৰলৈ বঢ়াই দিয়াৰ প্ৰস্তাৱ ৰাখিছোঁ। তাৰোপৰি কেন্দ্ৰীয় বাজেটৰ লগত সংগতি ৰাখি কৃষি আয়কৰ সম্বন্ধীয় MAT ৰ হাৰ ১০ শতাংশৰ পৰা ১৮ শতাংশলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ ৰাখিছোঁ।

ঢ) ক্ষুদ্ৰ ব্যৱসায়ী সকলক সকাহ দিয়াৰ উদ্দেশ্যেৰে মই অসম মূল্য সংযোজিত কৰ আইন, ২০০৩ ৰ আধাৰত মাহেকীয়া প্ৰপত্ৰ জমা দিয়াৰ বাবে নিৰ্দ্ধাৰিত বছৰেকীয়া বিক্ৰয়মূল্য বৰ্ত্তমানৰ ১০ লাখৰ পৰা ২০ লাখ টকালৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ ৰাখিছোঁ। ইয়াৰ ফলত বছৰি ২০ লাখ টকাৰ বিক্ৰয় মূল্য লৈ ব্যৱসায় কৰা ব্যৱসায়ী সকলে তিনিমহীয়া প্ৰপত্ৰ জমা দিলেই হ'ব।

**বাজেট প্ৰাক্কলন ২০১০-১১ ঃ**

এতিয়া মই আগন্তুক বিত্তীয় বছৰটোৰ পূৰ্ণাঙ্গ বাজেট প্ৰাক্কলন উত্থাপন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিব বিচাৰিছো। পাঁচ বছৰীয়া বিত্তীয় বিৱৰণ আৰু অসম বিত্তীয় দায়বদ্ধতা আৰু বাজেট পৰিচালনা আইন, ২০০৫'ৰ অধীনত দাখিল কৰিবলগীয়া আন এখন প্ৰবিৱৰণো পবিত্ৰ সদনত বাজেট নথিৰ লগত এখন সুকীয়া "পুষ্টিকাৰ" ৰূপত দাখিল কৰা হ'ল।

**বাজেট প্ৰাক্কলন ২০১০-১১ ঃ**

২০১০-১১ চনৰ বাজেটত ৰাজ্যৰ একত্ৰীকৃত নিধিত মুঠ ২৯৮৩৩.৮৬ কোটি টকা ৰাজহ আদায় দেখুওৱা হৈছে। তাৰে ২৬৪০৮.৯৩ কোটি টকা ৰাজহ শিতানত আৰু বাকী থকা ৩৪২৪.৯৩ কোটি টকা মূলধন শিতানত। একত্ৰীকৃত নিধিৰ মুঠ ৰাজহ আদায়ৰ সমীক্ষাটো ১ নম্বৰ তালিকাত দেখুওৱা হৈছে। ৰাজহুৱা খণ্ডৰ অধীনত ৯২২০১.২৬ কোটি টকা আদায়ৰ সংযোজনৰ পিছত সৰ্বমুঠ আদায়ৰ পৰিমাণ হ'ব ১২২০৩৫.১২কোটি টকা। একত্ৰীকৃত নিধিৰ ২০১০-১১ চনৰ সৰ্ব মুঠ ব্যয়ৰ পৰিমাণ হ'ব ৩৬৮১০.০৩ কোটি টকা। ইয়াৰে ৰাজহ শিতানত ৩২৩৬৯.০২ কোটি টকা আৰু মূলধন শিতানত ৪৪৪১.০১ কোটি টকা। ২ নম্বৰ তালিকাত ২০১০-১১ চনত একত্ৰীকৃত নিধিৰ শীৰ্ষ ব্যয় সমূহো বিতং ভাৱে দেখুওৱা হৈছে। এতেকে ৰাজহুৱা খণ্ডত হোৱা ব্যয়ৰ ৯১৭২৯.০৮ কোটি টকাকে ধৰি বছৰটোত সৰ্ব মুঠ ব্যয়ৰ পৰিমাণ হ'ব ১২৮৫৩৯.১১ কোটি টকা। ফলত বছৰটোত হোৱা লেন দেনৰ বাবদ ৬৫০৩.৯৯ কোটি টকাৰ ঘাটি হব। ইয়াৰ লগত বছৰটোৰ আৰম্ভণিৰ ৩৪৬০.৪৭ কোটি টকা ঘাটি যোগ দিলে ২০১০-১১ বিত্তীয় বছৰটোৰ শেষত ঘাটিৰ মুঠ পৰিমাণ ৯৯৬৪.৪৬ কোটি টকা



হয়গৈ। চলিত বিত্তীয় বৰ্ষত ভাৰতীয় ৰিজাৰ্ভ বেংকত থকা আমাৰ জমাধনৰ পৰা মই প্ৰয়োজন সাপেক্ষে ৬৫০০.০০ কোটি টকা উলিওৱাৰ প্ৰস্তাৱ কৰিছো। ইয়াৰ ফলত ২০১০-১১ বছৰটো ৩৪৬৪.৪৬ কোটি টকাৰ ঘাটিৰে সামৰণি পৰিব বুলি অনুমান কৰা যায়।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ ভাষণ ইমানতে সামৰি এই বাজেটখন মই পবিত্ৰ সদনত বিবেচনাৰ বাবে আগবঢ়ালোঁ।

জয় হিন্দ

Table-1

**Estimates of Inflows into the Consolidated Fund of the State during 2010-2011**

***(Rupees in Crores)***

| | |
|---|---|
| State Tax | 4976 |
| Non Tax Revenue | 2782 |
| Share of Central Taxes | 7595 |
| State Plan Grants | 4431 |
| Non Plan Grants from Centre | 2201 |
| Grants from the Centre (CSS) | 3991 |
| Loans from the Centre | 61 |
| Other Capital Receipts | 3364 |

Table-2

**Estimates of Outflows from the Consolidated Fund of the State during 2010-2011**

***(Rupees in Crores)***

| | |
|---|---|
| Power (ASEB) | 474 |
| Irrigation & Flood Control | 1329 |
| Crop Husbandry | 727 |
| Industries & Minerals etc., | 591 |
| Social Welfare & Nutrition | 1542 |
| Health & Family Welfare | 1759 |
| Roads and Bridges & Transport | 1610 |
| Police & Home Guards | 2345 |
| Repayment of Ways and Means Advance | 60 |
| Debt Servicing | 3575 |
| Education, Sports & Culture | 6990 |

Expenditure on Salary & Pension

| | |
|---|---|
| Salary, Wages for Salary, Grants-in-Aid Salary including Pay Revision Arrear | 13745 |
| Pension and other Retirement benefit covering Govt. contribution on New Pension Scheme | 2518 |

## সেৱা/ খণ্ড হিচাবে আৰ্থিক অনুদান

*(কোটি টকাব হিচাপত)*

| | সেৱা ও খণ্ড | ২০১০-১১ | | | | ২০০৯-১০ |
|---|---|---|---|---|---|---|
| | | পবিকল্পনা | পঃ বৰ্হিভূত | অন্যান্য | মুঠ | মুঠ |
| | [১] | [২] | [৩] | [৪] | [৫] | [৬] |
| ১ | বাজ্যিক বিধানসভা | | ৫৬.০২ | | ৫৬.০২ | ২৭.৯৫ |
| ২ | বাজ্যপাল | | ৫.৪৭ | | ৫.৪৭ | ৩.৬৩ |
| ৩ | মন্ত্রী পবিষদ | | ৬.৫৭ | | ৬.৫৭ | ৬.৩৭ |
| ৪ | ন্যায় প্রশাসন | | ১৮৫.২৫ | | ১৮৫.২৫ | ১৩৮.৮১ |
| ৫ | নির্বাচন | | ৪৮.৬৯ | | ৪৮.৬৯ | ১০৮.১৪ |
| ৬ | ভূমি বাজহ ও ভমি | ৬.২০ | ২৮০.১৭ | ৫০.৭০ | ৩৩৭.০৭ | ১৯১.৯৯ |
| ৭ | ষ্টাম্প আক পঞ্জীয়ন | | ২৬.৪২ | | ২৬.৪২ | ২০.২৭ |
| ৮ | বাজ্যিক আব্রকাবী | | ৩৯.৭৩ | | ৩৯.৭৩ | ২৭.৭২ |
| ৯ | বিক্রী কব | | ৭০.২৯ | | ৭০.২৯ | ৫২.২৮ |
| ১০ | ক্ষুদ্র সঞ্চয় আক অর্থনৈতিক পবিদর্শন | | ২.০৫ | | ২.০৫ | ১.২৩ |
| ১৩ | লোক সেৱা আয়োগ | | ৭.৪৬ | | ৭.৪৬ | ৪.৮১ |
| ১৪ | সচিবালয় সাধাবণ সেৱা | ৯৫৬.৬৪ | ১৮২.০৪ | | ১১৩৮.৬৮ | ১৬৯৯.২১ |
| | ব্যৱসায় বানিজ্যব সুবিধার্থে আন্তঃ গাঠনিব উন্নয়ণ | | | | | |
| ১৫ | গড় কাপ্তানী পথ ও দলং | | ৫০.০০ | | ৫০.০০ | |
| ১৬ | গুৱাহাটী নগব উন্নয়ণ | | ২০.০০ | | ২০.০০ | |
| ১৭ | জনস্বাস্থ্য আক কাবিকবি | | ২০.০০ | | ২০.০০ | |
| ১৮ | শক্তি (বিদ্যুৎ) | | ৩৮২.৯০ | | ৩৮২.৯০ | |
| ১৯ | জিলা আক মহকুমা চহব আন্তঃ গাঠনিব উন্নয়ণ | | ৫০.০০ | | ৫০.০০ | |
| ২০ | জিলা প্রশাসন | ১০০.১০ | ১২৮.৭১ | | ২২৮.৮১ | ৭৮.৭৬ |
| ২১ | ট্রেজাবী প্রশাসন | ২৫.৪৪ | ৫৮.১৫ | | ৮৩.৫৯ | ৬২.৭২ |
| ২২ | আবক্ষী | ৪.৫৮ | ২১৯৫.০৭ | | ২১৯৯.৬৫ | ১৪৩২.৩১ |
| ২৩ | কাবাগাব | ১.৭৫ | ৫৪.৭০ | | ৫৬.৪৫ | ৪৬.৫২ |
| ২৪ | লিখন ও মুদ্রন | ০.২৯ | ২০.৪৮ | | ২০.৭৭ | ১৭.৯৮ |
| ২৫ | গড়কাপ্তানী | ৫৭.৩২ | ২২০.৩৩ | ৮.৮০ | ২৮৬.৪৫ | ৩৪০.৬৬ |
| ২৬ | অগ্নি নির্বাপক | | ৮০.৭৭ | | ৮০.৭৭ | ৪৫.০৫ |
| ২৭ | অসামবিক প্রতিবক্ষা | | ১৪৬.৩৮ | | ১৪৬.৩৮ | ৯৫.৭০ |
| ২৮ | নিবিক্ষণ | | ৬৮.৭৬ | | ৬৮.৭৬ | ৪৬.৮৫ |
| ২৯ | অতিথিশালা | | ১৩.০২ | | ১৩.০২ | ১০.০৮ |
| ৩০ | তথ্য ও জনসংযোগ | ২৩.৪৫ | ২০.৭৪ | | ৪৪.১৯ | ২২.৪১ |
| ৩১ | বানিজ্যিক উপদেষ্টা | | ০.৮৮ | | ০.৮৮ | ০.৬২ |
| ৩২ | বাজ্যিক দপ্তবখানা | ০.১৫ | ০.৮২ | | ০.৯৭ | ০.৬১ |
| ৩৩ | প্রশিক্ষণ | ১.৪৫ | ৪.১৫ | | ৫.৬০ | ৪.৬২ |
| ৩৪ | অন্যান্য সাধাবণ সেৱা | ১৯.১২ | ১৪২.৭৭ | | ১৬১.৮৯ | ৩৮৮৬.৪২ |
| ৩৫ | সীমান্ত অঞ্চল উন্নয়ণ | ৪১.৯১ | ২.৩১ | | ৪৪.২২ | ৪২.৮৫ |
| ৩৬ | অৱসব | | ২৫১৮.৩৬ | | ২৫১৮.৩৬ | ২৩৩৩.৩৫ |
| ৩৭ | প্রাথমিক শিক্ষা | ৪৮৫.৪৬ | ৪৬৪২.৩৬ | ৭১১.১৪ | ৫৮৩৮.৯৬ | ৩৯৭৬.৩০ |
| ৩৮ | মাদ্রাচা শিক্ষা | ২০.২০ | ৬২.৯১ | | ৮৩.১১ | ৬০.২৫ |

| সেৱা ও খণ্ড | | ২০১০-১১ | | | | ২০০৯-১০ |
|---|---|---|---|---|---|---|
| | | পবিকল্পনা | পঃ বৰ্হিভূত | অন্যান্য | মুঠ | মুঠ |
| [১] | | [২] | [৩] | [৪] | [৫] | [৬] |
| ৩৯ | উচ্চ শিক্ষা | ৫১.৯৬ | ৬৬০.২৭ | ০.২০ | ৭১২.৪৩ | ৫৬২.০২ |
| ৪০ | গুৱাহাটী বিশ্ব বিদ্যালয় | ৯.০০ | ৪৩.৪৩ | | ৫২.৪৩ | ৩০.৬১ |
| ৪১ | ডিব্রুগড় বিশ্ব বিদ্যালয় | ৫.০০ | ১৯.৫০ | | ২৪.৫০ | ১৪.৭০ |
| ৪২ | কে কে সন্দিকৈ মুকলি বিশ্ব বিদ্যালয় | ৩.৯০ | ০.৫৩ | | ৪.৪৩ | ০.৫০ |
| ৪৩ | মহিলা বিশ্ববিদ্যালয় | ০.১০ | | | ০.১০ | |
| ৪৪ | কাবিকৰী শিক্ষা | ৩২.২৪ | ৭৬.২০ | ২.৫০ | ১১০.৯৪ | ৭০.১৯ |
| ৪৫ | ক্রীড়া | ১৮.৮৫ | ৩৯.২০ | ৭.৯৮ | ৬৬.০৩ | ৩১.৪০ |
| ৪৬ | কলা আৰু সংস্কৃতি | ৬৯.৬৮ | ২৬.৯৪ | | ৯৬.৬২ | ৬২.৬১ |
| ৪৭ | চিকিৎসা ও জনস্বাস্থ্য | ৫৪১.৫১ | ১০০৩.৮৭ | ২১.৫৮ | ১৫৬৬.৯৬ | ১৪০৬.৪৪ |
| ৪৮ | পবিয়াল কল্যাণ | ২৭.৭৬ | ১০.৫৯ | ১৩৯.৬৫ | ১৭৮.০০ | ২০৬.১২ |
| ৪৯ | পানী যোগান ও অনাময় | ২০৭.৫০ | ৩০২.৬৫ | | ৫১০.১৫ | ৮৫৪.৪৭ |
| ৫০ | গৃহ | ৩.০০ | ০.৪৩ | | ৩.৪৩ | ৩.৫২ |
| ৫১ | চহৰ উন্নয়ন | ২২৩.৬৬ | ৫৮.৮০ | ৭০.১৫ | ৩৫২.৬১ | ২১৭.২৮ |
| ৫২ | গুৱাহাটী নগৰ উন্নয়ণ | ৪৭৯.৩১ | | ১১৫.৫০ | ৫৯৪.৮১ | ২৯৩.০৮ |
| ৫৩ | অঃ জাতি/ জনজাতি ও অন্যান্য পিচপৰা শ্রেণীৰ কল্যাণ | ২৪২.৩৫ | ৩১.৯৯ | ২৩.১৫ | ২৯৭.৪৯ | ৪২৪.৪০ |
| ৫৪ | বাডা হাচং স্বায়ত্ব শাসিত পৰিষদ | ২২.৪৩ | | | ২২.৪৩ | ১৯.৩৬ |
| ৫৫ | মিচিং স্বায়ত্ব শাসিত পৰিষদ | ৩১.৮৬ | | | ৩১.৮৬ | ২৬.৬২ |
| ৫৬ | টিৱা স্বায়ত্ব শাসিত পৰিষদ | ২১.৭৪ | | | ২১.৭৪ | ১৮.৭৭ |
| ৫৭ | সোনোৱাল কচাৰী স্বায়ত্ব শাসিত পৰিষদ | ১৩.৬৯ | ০.৬১ | | ১৪.৩০ | ১৩.১০ |
| ৫৮ | ঠেঙাল কচাৰী স্বায়ত্ব শাসিত পৰিষদ | ১৩.৬৭ | ০.৬১ | | ১৪.২৮ | ১২.৬০ |
| ৫৯ | দেউৰী স্বায়ত্ব শাসিত পৰিষদ | ১৪.৪৬ | ০.৬১ | | ১৫.০৭ | ১৩.০৯ |
| ৬০ | শ্রম ও নিয়োগ | ৫৫.০৬ | ৯৩.৪৩ | ৮১.৬৫ | ২৩০.১৪ | ৭০.৪৪ |
| ৬১ | সামাজিক নিৰাপত্তা ও পুষ্টিসাধন | ২৩৭.১৫ | ২১.৪০ | ৯৪১.৪০ | ১১৯৯.৯৫ | ১৪৯৯.৫২ |
| ৬২ | সামাজিক নিৰাপত্তা ও কল্যাণ (মুক্তি যুদ্ধা) | | ১২.০৯ | | ১২.০৯ | ৭.০২ |
| ৬৩ | পঞ্চায়ত | ৫২৩.২৯ | ৬৫.৩১ | | ৫৮৮.৬০ | ৪৬৫.২০ |
| ৬৪ | গ্রাম্য উন্নয়ণ | ৫১৪.৪০ | ১০৭.৮৩ | | ৬২২.২৩ | ৪৫৭.৭৮ |
| ৬৫ | প্রাকৃতিক দুর্যোগ | | ২৬৮.৭৭ | | ২৬৮.৭৭ | ৭৩৪.১৪ |
| ৬৬ | ওৱাকফ বৰ্ড | | ০.২৫ | | ০.২৫ | ০.২৫ |
| ৬৭ | হজ কমিটি | | ০.৩৫ | | ০.৩৫ | ০.২৬ |
| ৬৮ | সংখ্যালঘু উন্নয়ণ | ১৬.১৮ | ০.৮৪ | ৩২.৫০ | ৪৯.৫২ | ৪০.৬৭ |
| ৬৯ | চৰ অঞ্চল উন্নয়ণ | ৩৫.৬৩ | ২.৫১ | ৬৪৯.৫৩ | ৬৮৭.৬৭ | ৫৩৪.১৩ |
| ৭০ | কৃষি | ৩৯৬.৪৫ | ২২৭.৭৯ | | ৬২৪.২৪ | ৫১৭.০২ |
| ৭১ | কৃষি বিশ্ববিদ্যালয় | ৪৮.০০ | ৪৯.৯৬ | | ৯৭.৯৬ | ৯২.২২ |
| ৭২ | ভূমি সংৰক্ষণ | ১১.২২ | ২৯.৩৭ | | ৪০.৫৯ | ২৮.৭৫ |
| ৭৩ | পশুধন | ৩০.৭২ | ২১৫.২৯ | ৮.৫৫ | ২৫৪.৫৬ | ১৯৫.৬২ |
| ৭৪ | দুগ্ধ উন্নয়ণ | ১৪.৬৭ | ২১.২০ | ৬.১৯ | ৪২.০৬ | ৩৫.৬০ |
| ৭৫ | মীন পালন | ৩০.৯৯ | ৩৬.৩২ | ৫.৯১ | ৭৩.২২ | ৬১.৪৫ |
| ৭৬ | বন ও বন্যপ্রাণী | ৮৭.০৬ | ২৮০.০৬ | ৮২.৬২ | ৪৪৯.৭৪ | ২৭৮.১৬ |
| ৭৭ | অসামৰিক যোগান | ৪.২৮ | ২৮.১৩ | | ৩২.৪১ | ২৯.৮৬ |
| ৭৮ | সমবায় | ১৪.০৭ | ৫৬.৭৯ | | ৭০.৮৬ | ৫৬.৬৫ |



| সেৱা ও খণ্ড | | ২০১০-১১ | | | | ২০০৯-১০ |
|---|---|---|---|---|---|---|
| | | পবিকল্পনা | পঃ বৰ্হিভূত | অন্যান্য | মুঠ | মুঠ |
| [১] | | [২] | [৩] | [৪] | [৫] | [৬] |
| ৭৯ | উত্তৰ পূৰ্বাঞ্চল উন্নয়ণ | | | ১২০৫.০০ | ১২০৫.০০ | ৯০২.৮৬ |
| ৮০ | জলসিঞ্চন | ৩২৮.৯৯ | ৫১৭.৭৬ | ১২.৯৯ | ৮৫৯.৭৪ | ৭৪১.৭৬ |
| ৮১ | জল সম্পদ | ১৩০.০০ | ২২০.৫৮ | ৪৬.৫০ | ৩৯৭.০৮ | ১২২৪.২৫ |
| ৮২ | পথ ও দলং | ৬৮৭.২৬ | ৭৩৬.৪৮ | | ১৪২৩.৭৪ | ১৩৬৪.৬৯ |
| ৮৩ | শক্তি | ৩০৭.১৪ | ১৭০.১৩ | | ৪৭৭.২৭ | ৪৭৪.২৭ |
| ৮৪ | খনিজ দ্রব্য | ১৫.৯০ | ১৩.৪৭ | | ২৯.৩৭ | ৩৪.৩১ |
| ৮৫ | বৃহৎ ও মজলীয়া উদ্যোগ | ৫০.২০ | ২.৫০ | ৭৪.৩৩ | ১২৭.০৩ | ১৩০.৫০ |
| ৮৬ | হস্তত তাঁত আৰু ক্ষুদ্ৰ উদ্যোগ | ১১.২৫ | ৪০.২২ | ৩.১৯ | ৫৪.৬৬ | ৩৬.৩১ |
| ৮৭ | ক্ষুদ্ৰ আৰু হস্ত তাঁত শিল্প | ৩৪.০১ | ২২১.৬৬ | ৩৬.৪০ | ২৯২.০৭ | ১৪৩.২৯ |
| ৮৮ | স্থল পৰিবহন | ৩.৬৩ | ২১.৫১ | | ২৫.১৪ | ২৪.৭৯ |
| ৮৯ | অসম পৰিবহন নিগম | ৪৮.২৯ | ২০.০০ | | ৬৮.২৯ | ২৮.২৭ |
| ৯০ | অভ্যান্তৰীণ জল পৰিবহন | ৮.৫০ | ১০১.১৬ | ২.৪৩ | ১১২.০৯ | ৭০.৮৪ |
| ৯১ | বিজ্ঞান ও প্রযুক্তি | ২১.৪৭ | ১২.৫৯ | | ৩৪.০৬ | ২০.৯৬ |
| ৯২ | পৰ্যটন | ২৩.৩৮ | ৮.৩৬ | | ৩১.৭৪ | ২০.৩৩ |
| ৯৩ | পৰিসংখ্যা | ১.৬৫ | ৩২.০৭ | ২.৫১ | ৩৬.২৩ | ২৬.৮৮ |
| ৯৪ | জোখ-মাপ | ০.৩০ | ১২.৫০ | ১.২৫ | ১৪.০৫ | ৭.৮০ |
| ৯৫ | স্থানীয় নিকায় আৰু পঞ্চায়তীৰাজ সংস্থা সমূহলৈ ক্ষতিপূৰণ | | ১৪৩৪.২৭ | | ১৪৩৪.২৭ | ১৩৪৮.৩৫ |
| ৯৬ | পাৰ্ব্বত্য অঞ্চল | ৬.০৩ | ১.০৬ | | ৭.০৯ | ৩.৮৬ |
| ৯৭ | কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিশদ | ২৩৪.৫৩ | ৪০৯.৬০ | ৬১.৩৩ | ৭০৫.৪৬ | ৪৯৬.০৪ |
| ৯৮ | উত্তৰ কাচাৰ স্বায়ত্ব শাসিত পৰিশদ | ১০২.১০ | ১৯৪.৭০ | ১১.৪০ | ৩০৮.২০ | ২২৫.০৩ |
| ৯৯ | বড়োলেণ্ড আঞ্চলিক পৰিষদ | ২২৪.৫৫ | ৮৬৯.৩৯ | | ১০৯৩.৯৪ | ৭১২.৫৭ |
| ১০০ | ৰাজহুৱা ঋণ | | ৩৫৭৪.৭৪ | | ৩৫৭৪.৭৪ | ৩২৫১.০৯ |
| ১০১ | চৰকাৰী চাকৰীয়াললৈ ঋণ | | ১.১০ | | ১.১০ | ৪.৪২ |
| ১০২ | পুনৰ সংস্থাপন | | ৪২.০২ | | ৪২.০২ | ৪০.০২ |
| ১০৩ | উদ্যান শস্য | ৬.০৩ | ৫.৮৪ | | ১১.৮৭ | ৯.২৪ |
| ১০৪ | তথ্য আৰু প্রযুক্তি | ৮৬.৫০ | | | ৮৬.৫০ | ৭৫.০০ |

# পৰিশিষ্ট - ২

## লেনদেনৰ সংক্ষিপ্ত বিৱৰণ

(কোটি টকাৰ হিচাপত)

| | প্ৰকৃত ২০০৮-২০০৯ | বাজেট আনুমানিক হিচাপ ২০০৯-২০১০ | সংশোধিত বাজেট আনুমানিকহিচাপ ২০০৯-২০১০ | বাজেট আনুমানিক হিচাপ ২০১০-২০১১ |
|---|---|---|---|---|
| **(ক) প্ৰাপ্তি** | | | | |
| ১। একত্ৰিত | | | | |
| বাজহ হিচাপ | ১৮০৭৭.০৪ | ২৩০৬৩.৬৪ | ২৪৪৮৫.১৬ | ২৬৪০৮.৯৩ |
| মূলধন হিচাপ | ২৯১২.৩৪ | ৩১৬৮.৮৩ | ৩৩৮১.৯৩ | ৩৪২৪.৯৩ |
| মূঠ- | ২০৯৮৯.৩৮ | ২৬২৩২.৪৭ | ২৭৮৬৭.০৯ | ২৯৮৩৩.৮৬ |
| ২। উপানামত্ত পূৰ্জি হিচাপ | | | | |
| ৩। বাজহৱা হিচাপ | ১৬২৪৪৪.৬৯ | ৮০১৬৪.৬৫ | ৯১৪৪৭.০৫ | ৯২২০১.২৬ |
| মূঠ (১+২+৩) | ১৮৩৪৩৪.০৭ | ১০৬৩৯৭.১২ | ১১৯৩১৪.১৪ | ১২২০৩৫.১২ |
| **(খ) ব্যয়** | | | | |
| ১। একত্ৰিত পূঁজি | | | | |
| বাজহ হিচাপ | ১৪২৪৩.৩৩ | ২৯২৬৯.৮৬ | ২৯৮১৫.৯৫ | ৩২৩৬৯.০২ |
| মূলধন হিচাপ | ৩২৪২.৫৬ | ৫৭১৬.০৯ | ৫৮৩২.৬৫ | ৪৪৪১.০১ |
| মূঠ- | ১৭৪৮৫.৮৯ | ৩৪৯৮৫.৯৫ | ৩৫৬৪৮.৬০ | ৩৬৮১০.০৩ |
| ২। উপনিমিত্ত পূজিঁ হিচাপ | | | | |
| ৩। বাজহৱা হিচাপ | ১৬৫৫৮৩.৯৮ | ৭৯৭৭৯.৯১ | ৯১০১৭.৭৯ | ৯১৭২৯.০৮ |
| মূঠ (১+২+৩) | ১৮৩০৬৯.৮৭ | ১১৪৭৬৫.৮৬ | ১২৬৬৬৬.৩৯ | ১২৮৫৩৯.১১ |
| **(গ) বছৰটোৰ ভিতৰত লেনদেন** | | | | |
| বাহি (+) | ৩৬৪.২০ | | | |
| ঘাটি (-) | | ৮৩৬৮.৭৪ | ৭৩৫২.২৫ | ৬৫০৩.৯৯ |
| **(ঘ) আৱন্তণিৰ হিচাপ** | | | | |
| গাণনিকৰ হিচাপ মতে | | | | |
| বাহি (+) | | | | |
| ঘাটি (-) | ১১৯৫.০০ | ৯৬৮.৯৫ | ৮৩০.৮০ | ৩৪৬০.৪৭ |
| **(ঙ) ৰিজাৰ্ভ বেংকত জমা ধন (+)** | | ৪৭২২.৫৮ | ৪৭২২.৫৮ | ৬৫০০.০০ |
| **(চ) সামৰণিৰ উদ্বৃত্ত** | | | | |
| বাহি (+) | | | | |
| ঘাটি (-) | ৮৩০.৮০ | ৪৬১৫.১১ | ৩৪৬০.৪৭ | ৩৪৬৪.৪৬ |

২০১০

অসম চৰকাৰী ছপাশালত মুদ্রিত
গুৱাহাটী-২১